
# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া

# মহাবিদ্যালয় আলোচনী

২০১৭-২০১৮ আৰু ২০১৮-২০১৯ বৰ্ষ



তত্ত্বাৱধায়ক
ড° বিনীতা চহৰীয়া

সম্পাদক
তন্ময় জ্যোতি ফুকন

राष्ट्रीय मूल्यांकन एवं प्रत्यायन परिषद

विश्वविद्यालय अनुदान आयोग का स्वायत्त संस्थान

**NATIONAL ASSESSMENT AND ACCREDITATION COUNCIL**

*An Autonomous Institution of the University Grants Commission*

# Certificate of Accreditation

The Executive Committee of the
National Assessment and Accreditation Council
on the recommendation of the duly appointed
Peer Team is pleased to declare the
L. T. K. College
Azad, North Lakhimpur, affiliated to Dibrugarh University, Assam as
Accredited
with CGPA of 2.52 on seven point scale
at B+ grade
valid up to November 04, 2021

Date : November 05, 2016

Director

EC(SC)/18/A&A/64.2

# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া

# মহাবিদ্যালয় আলোচনী

২০১৭-২০১৮ আৰু ২০১৮-২০১৯ বৰ্ষ

প্ৰতি,

ড°/ শ্ৰীযুত/শ্ৰীযুতা ............................................................

............................................................


তত্ত্বাৱধায়ক
ড° বিনীতা চহৰীয়া

সম্পাদক
তন্ময় জ্যোতি ফুকন

# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আলোচনী

# LAKHIMPUR TELAHI KAMALABARIA COLLEGE MAGAZINE

The biannual Magazine of Student's Union, L. T. K. College Edited by Tanmoy Jyoti Phukan, Published by L.T.K. College Student's Union, 2017-18 & 2018-2019, Printed at Gargi dot com, North Lakhimpur-787001, 2018-19.




প্ৰচ্ছদ কথা ঃ
চকুত নতুন সপোন।
হাজাৰটা সুৰুজৰ ৰঙেৰে
দীপ্ত নতুন পথেৰে নৱ প্ৰজন্মৰ
যাত্ৰা।



| | | |
|---|---|---|
| **সম্পাদনা সমিতি** | ঃ | **Editorial Board** |
| **মুখ্য উপদেষ্টা** | ঃ | **Chief Adviser** |
| ড° বুবুল কুমাৰ শইকীয়া | ঃ | Dr. Bubul Kr. Saikia |
| **উপদেষ্টা মণ্ডলী** | ঃ | **Advisers** |
| বাহাৰুল ইছলাম | ঃ | Baharul Islam |
| ড° ৰমেশ কুমাৰ কাকতি | ঃ | Dr. Ramesh Kr. Kakoti |
| বিজু কুমাৰ সোণোৱাল | ঃ | Biju Kr. Sonowal |
| জুলি গোহাঁই নেওগ | ঃ | Juli Gohain Neog |
| মানস প্ৰতিম বৰা | ঃ | Manash Pratim Borah |
| প্ৰভাত শইকীয়া | ঃ | Prabhat Saikia |
| ড° ভাস্কৰজিৎ বৰা | ঃ | Dr. Bhaskarjit Borah |
| লিচামণি বৰুৱা গগৈ | ঃ | Lichamoni Baruah Gogoi |
| **তত্ত্বাৱধায়ক** | ঃ | **Prof-in-Charge** |
| ড° বিনীতা চহৰীয়া | ঃ | Dr. Binita Saharia |
| **সম্পাদক** | ঃ | **Secretary** |
| তন্ময় জ্যোতি ফুকন | ঃ | Tanmoy Jyoti Phukan |
| **ছাত্ৰ সদস্য** | ঃ | **Student Member** |
| আকাশ নাথ | ঃ | Akash Nath |
| সুভাষ শইকীয়া | ঃ | Subhash Saikia |
| পিন্টু মণ্ডল | ঃ | Pintu Mandal |


প্ৰকাশক ঃ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
অংগসজ্জা ঃ ড° ভাস্কৰজিৎ বৰা, তন্ময় জ্যোতি ফুকন
বেটুপাত ঃ ড° সঞ্জীৱ বৰা
অক্ষৰ বিন্যাস ঃ গাৰ্গী
ছপাশাল ঃ গাৰ্গী ডট কম, লক্ষীমপুৰ।

L.T.K. College Library
Estd 1977
Date
Azad, North Lakhimpur




মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়া




মহাবিদ্যালয়ৰ উপাধ্যক্ষ বাহাৰুল ইছলাম




মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ সম্পূৰ্ণা চলিহা

# সম্পাদনা সমিতি



ড° বুবুল কুমাৰ শইকীয়া
মুখ্য উপদেষ্টা



বাহাৰুল ইছলাম
উপদেষ্টা



ড° ৰমেশ কুমাৰ কাকতি
উপদেষ্টা



বিজু কুমাৰ সোণোৱাল
উপদেষ্টা



মানস প্ৰতীম বৰা
উপদেষ্টা



প্ৰভাত শইকীয়া
উপদেষ্টা



জুলি গোহাঁই নেওগ
উপদেষ্টা



লিচামণি বৰুৱা গগৈ
উপদেষ্টা



ড° ভাস্কৰজিৎ বৰা
উপদেষ্টা



ড° বিনীতা চহৰীয়া
তত্ত্বাৱধায়ক



তন্ময় জ্যোতি ফুকন
সম্পাদক



আকাশ নাথ
ছাত্ৰ সদস্য





সুভাষ শইকীয়া
ছাত্ৰ সদস্য



পিন্টু মণ্ডল
ছাত্ৰ সদস্য



# উচৰ্গা

এই সংখ্যাৰ মহাবিদ্যালয় আলোচনীখন মহাবিদ্যালয়ত কৰ্মৰত অৱস্থাত স্বৰ্গগামী হোৱা অসমীয়া বিভাগৰ অধ্যাপিকা তথা সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰাক্তন তত্ত্বাৱধায়ক মীনা বৰাৰ নামত উচৰ্গা কৰা হ'ল।

- সম্পাদনা সমিতি


# শ্ৰদ্ধাঞ্জলি



অঞ্জলিকা ৰাজখোৱা, অৱসৰপ্ৰাপ্ত অধ্যাপিকা
অসমীয়া বিভাগ, এল. টি. কে. মহাবিদ্যালয়



ভোলানাথ মহন্ত, প্ৰাক্তন সম্পাদক
পৰিচালনা সমিতি, এল. টি. কে. মহাবিদ্যালয়



অটল বিহাৰী বাজপেয়ী
প্ৰাক্তন প্ৰধানমন্ত্ৰী



দীপালী বৰঠাকুৰ, বিশিষ্ট কণ্ঠশিল্পী



পূৰবী বৰমুদৈ, বিশিষ্ট সাহিত্যিক



সুষমা স্বৰাজ, ভূতপূৰ্ব বৈদেশিক মন্ত্ৰী

লগতে বানপানীত অকালতে প্ৰাণহেৰুৱা আৰু সন্ত্ৰাসবাদীৰ হাতত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি জনালোঁ।

- সম্পাদনা সমিতি

# অভিনন্দন



ড° উদ্ধৱ ভৰালী
লক্ষীমপুৰৰ বিশিষ্ট বিজ্ঞানী, পদ্মশ্ৰী সন্মান, ২০১৯ বৰ্ষ



ডাঃ ইলিয়াছ আলী
পদ্মশ্ৰী সন্মান, ২০১৯ বৰ্ষ




হৃদয় হাজৰিকা
জুনিয়ৰ বিশ্বকাপ শ্যুটিঙত স্বৰ্ণ পদক প্ৰাপক, ২০১৮ বৰ্ষ



হিমা দাস
বিশ্ব ট্ৰেক আৰু ফিল্ড ইভেন্টত পদক
লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ



ৰীমা দাস
অসমীয়া কথাছবি 'ভিলেজ ৰকষ্টাৰ'ৰ বাবে
স্বৰ্ণকমল বঁটা প্ৰাপক, ২০১৮ বৰ্ষ



অংকুশিতা বড়ো
বিশ্ব যুৱ মহিলা বক্সিং প্ৰতিযোগিতাত
স্বৰ্ণ পদক প্ৰাপক, ২০১৭ বৰ্ষ



সঞ্জীৱ পল ডেকা
সাহিত্য অকাডেমী যুৱ বঁটা (অসমীয়া, ২০১৯ বৰ্ষ)



সনন্ত তাঁতি
সাহিত্য অকাডেমী বঁটা প্ৰাপক, ২০১৮ বৰ্ষ



ৰুজৱ মুছাহাৰী
সাহিত্য অকাডেমী যুৱ বঁটা (বড়ো, ২০১৯ বৰ্ষ)



যতীন গোস্বামী
'একাডেমী ৰত্ন' সন্মান, ২০১৮ বৰ্ষ



টঙ্কেশ্বৰ হাজৰিকা বৰবায়ন
সংগীত-নাটক একাডেমী বঁটা, ২০১৮ বৰ্ষ



হেমচন্দ্ৰ গোস্বামী
সংগীত-নাটক একাডেমী বঁটা, ২০১৮ বৰ্ষ

*Professor Ranjit Tamuli*
Vice Chancellor
**DIBRUGARH UNIVERSITY**
Dibrugarh, PIN 786004, Assam

Phone : 0373-2370239 (O), 0373-2328557 (R)
Mobile : +91 94350 06038, Fax : 0373-2370323
E-mail : vc@dibru.ac.in
rtamuli@rediffmail.com



## Message

It gives me immense pleasure to pen a few words as prologue for the L.T.K. College annual magazine for the session 2018-19. The annual magazine of an academic institution is a living testimony about the various facets of life in the institution. It is an epitaph depicting the creative mosaic of the students, teachers and the staff members creating a single source of expression for the college community. Today education means acquisition of knowledge and skills, building character and improving employability of students and augmenting the future leadership of the society. I am sure that the students of your estemmed college shall inherit a strong foundation to march ahead and achieve expertise in different arena for a stronger and brighter future for themselves as well as for the institution.

To conclude, I would like to congratulate all the contributors and the editorial board for bringing out the annual magazine of the college. May their collective effort for intellectual and creative distinctions reach a new height in the days to come.

With best wishes,

Tamuli
12.06.19

**(Prof. Ranjit Tamuli)**
Vice Chancellor
Dibrugarh University

**ড° বন্তি গগৈ হাওবৰা**
সভাপতি
পৰিচালনা সমিতি
লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়



## শুভাঞ্জলি

ঐতিহ্যমণ্ডিত লক্ষীমপুৰ জিলাৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষাৰ কেন্দ্ৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ মুখপত্ৰ প্ৰকাশৰ প্ৰস্তুতিৰ বিষয়ে জানিবলৈ পাই আনন্দিত হৈছোঁ। মহাবিদ্যালয়খনৰ সৰ্বতোপ্ৰকাৰৰ অগ্ৰগতিয়ে লক্ষীমপুৰীয়া শিক্ষানুৰাগী ৰাইজক উৎসাহিত কৰাৰ বিষয়ে জানিব পাৰি গৌৰব অনুভৱ কৰিছোঁ। মহাবিদ্যালয়খনে হাতত লোৱা প্ৰতিটো আঁচনিয়েই সফলতা লাভ কৰা পৰিলক্ষিত হৈছে। প্ৰকাশ কৰিবলৈ লোৱা মুখপত্ৰখনেও মহাবিদ্যালয়ৰ সকলো দিশ পাঠকৰ আগত দাঙি ধৰিবলৈ সক্ষম হ'ব, এই কামনাৰে শুভাঞ্জলি জ্ঞাপন কৰিলোঁ।

বন্তিহাওবৰা ২৭/৭/২০১৯

**ড° বন্তি গগৈ হাওবৰা**
সভাপতি
পৰিচালনা সমিতি
লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

"সুন্দৰ যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰ মাতে
সেয়ে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে"

— জ্যোতিপ্ৰসাদ আগৰৱালা



# সূচীপত্ৰ




• অধ্যক্ষৰ একলম • ৫

• সম্পাদকীয় • ৬


## প্ৰবন্ধ শিতান


ঃ ভাৰতীয় শাস্ত্ৰীয় সংগীতত তবলা ঃ এক বিশ্লেষণ ● ৰুমী দত্ত ● ১১

ঃ উত্তৰ পূব ভাৰতৰ বন্যপ্ৰাণীৰ সংৰক্ষণৰ প্ৰথা ● কৃষ্ণা বৰপাত্ৰগোহাঁই ● ১৬

ঃ চৰিত্ৰ গঠনত আধ্যাত্মিক তত্ত্বৰ প্ৰভাৱ ● নীহাৰিকা বৰা ● ১৮

ঃ অসমীয়া সংস্কৃতিত ঢেঁকী ● মনিকা শইকীয়া ● ১৯

ঃ নীলমণি ফুকনৰ কবিতাত চিত্ৰকল্প ● জাহ্নৱী বৰা ● ২১

ঃ ছ'চিয়েল মিডিয়াৰ প্ৰভাৱ ● কল্যাণ শইকীয়া ● ২৩

ঃ মাধৈমালতীৰ সুবাস ● জুলি গোহাঁই নেওগ ● ২৪

ঃ এক স্মৰণীয় ভ্ৰমণ কাহিনী ● দেৱযানী গগৈ ● ২৭

ঃ Guru Ghasidas Vishwavidyalaya Bilaspur ● মৰমী গোহাঁই ● ২৯

ঃ বৌদ্ধিক উৎকৰ্ষ সাধনত গ্ৰন্থ অধ্যয়নৰ গুৰুত্ব ● জাহ্নৱী বৰা ● ৩৩

ঃ গণিতৰ প্ৰয়োজনীয়তা আৰু আন আন বিষয়ৰ লগত ইয়াৰ সম্বন্ধ ● স্বপ্নালী বৰগোহাঁই ● ৩৬

ঃ সেউজ গ্ৰন্থাগাৰ আৰু ইয়াৰ প্ৰাসংগিকতা ● চন্দ্ৰনাথ বৰুৱা ● ৩৯

ঃ নাৰীবাদৰ ইতিহাস আৰু অসমীয়া সাহিত্যৰ উপন্যাসত নাৰীবাদী চিন্তাৰ প্ৰতিফলন ● দীনেশ বৰা ● ৪৩

ঃ SOLITARY MUSINGS OF A YOUNG MIND ● Kasturi Saikia ● ৫০

ঃ বিশ্বৰ বিখ্যাত ব্যক্তিসকলৰ দৃষ্টিত ভাৰতবৰ্ষ ● সংগ্ৰাহক ঃ দিগন্ত কুমাৰ শইকীয়া ● ৫২

ঃ Religion and Society ● Baharul Islam ● ৫৪

ঃ শিশুৰ মানসিকতাত পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ ● মুনমী শইকীয়া ● ৫৮

ঃ অসমীয়া সমাজলৈ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান ● দিপজ্যোতি হাজৰিকা ● ৫৯

ঃ মিচিং জনগোষ্ঠী ঃ এক পৰিচয় ● সুভাষ শইকীয়া ● ৬০

ঃ কেন্সাৰ ৰোগৰ প্ৰতিযেধক আৱিষ্কাৰ ● নৱজ্যোতি শইকীয়া ● ৬১

ঃ ছুঁচৰিৰ প্ৰসঙ্গত একাষাৰ ● তৰুণ হাজৰিকা ● ৬২

ঃ নাৰী ● ৰূপালী শইকীয়া ● ৬৭

ঃ The Assam Movement : A theoretical viewpoint ● B. K. Sonowal ● ৭০

ঃ বাঘধেনু ● নাৰায়ণ বৰুৱা ● ৭৫

ঃ কাৰ্বহাইড্ৰেটৰ বিষয়ে জানো আহক ● ড° দীপালী দাস ● ৭৭

ঃ অটল বিহাৰী বাজপেয়ী ঃ এক মহান সত্তা ● দেৱযানী গগৈ ● ৭৯

ঃ এল. টি. কে. কলেজৰ অতীত আৰু বৰ্তমানৰ এক প্ৰতিচ্ছবি ● ড° হামিদুৰ ৰহমান ● ৮২

ঃ এল. টি. কে. মহাবিদ্যালয় ঃ অনুভৱৰ দুৱাৰ দলিত ● সম্পূৰ্ণা চলিহা ● ৮৪




## ■ অতিথি চ'ৰা


ঃ ৰামায়ণ আৰু বয়ছম ● ড° মালিনী গোস্বামী ।। ৮৯
ঃ অসমীয়া লোকভাষা আৰু লোকসাহিত্যত লিংগ বৈষম্যৰ প্ৰতিফলন ● ড° উপেন ৰাভা হাকাচাম ।। ৯৭
ঃ সাংবাদিকতাৰ সংকট আৰু সাংবাদিকৰ দিনলিপি ● কুমুদ বৰুৱা ।। ১০৯
ঃ ৰোমাঞ্চকৰ- জনপ্ৰিয় সামাজিক মাধ্যম আৰু ছাত্ৰ সমাজ ● শৈলেন বৰুৱা ।। ১১২


## ■ গ্ৰন্থ সমালোচনা


ঃ ড° ৰীতা চৌধুৰীৰ 'বিভ্ৰান্ত বাস্তৱ' গ্ৰন্থখনৰ এক চমু আলোচনা ● বুলবুলি বৰা ● ১১৯
ঃ হোমেন বৰগোহাঞিৰ 'চিন্তাৰ খোৰাক' ঃ এক আলোচনা ● জয়প্ৰভা দত্ত ● ১২৪
ঃ মণিকুন্তলা ভট্টাচাৰ্যৰ 'বৰদোৱানী' ● নীহাৰিকা বৰা ● ১৩০
ঃ মিছন্ ইণ্ডিয়া ঃ যুৱ প্ৰজন্মৰ এক সপোন ● জাহ্নৱী বৰা ● ১৩৩
ঃ 'পথ প্ৰদৰ্শক আত্মা' গ্ৰন্থখনৰ এক অৱলোকন ● দিপ্তী শইকীয়া ● ১৩৬


## ■ গল্প শিতান


ঃ ৰ'দালি ● ডিম্পী বৰা // ১৪১ ঃ আত্ম পৰিচয় ● দুলুমণি শইকীয়া // ১৪২ ঃ মৰীচিকা ● গোমেশ্বৰ টাইদ // ১৪৩
ঃ এনাজৰী ● সুকন্যা প্ৰিয়া দেৱী // ১৪৫ ঃ অকৃতজ্ঞ পুত্ৰ ● আশাৰাণী নাথ // ১৪৭ ঃ আত্মবিশ্বাস ● দিপজ্যোতি হাজৰিকা // ১৫০
ঃ মানুহে মানুহৰ বাবে ● বিষ্ণু দত্ত // ১৫২


## ■ কবিতা শিতান — ১৫৯—১৭২


সহযাত্ৰী / বিশ্বজ্যোতি দাস ● মা / মুনমী শইকীয়া ● নাহৰৰ পাতত খেলা এটা পাটবাউসীৰ জোন / কনক দত্ত ● আইৰ হিয়াভঙা বিননি / নীহাৰিকা বৰা ● সন্ধিয়া / নয়নমণি দলে ● মৃত্যু / নিৰ্মালী দাস ● প্ৰকৃতিৰ আহ্বান / জানমণি গগৈ ● জীৱন তৃষ্ণা / ড° ৰমেশ কুমাৰ কাকতি ● যন্ত্ৰ / প্ৰণালী চুতীয়া ● সংগ্ৰামী / হিমাংশু বৰা ● মনালিচা / শিল্পী গগৈ ● কবিৰ স্বপ্ন / দিপাংকৰজ্যোতি নাথ ● সৰাপাত / মুনমী শইকীয়া ● ভটিয়াই যোৱা সপোনটো / নিমিষা কোঁৱৰ ● লিমাৰিক / বৰ্ণালী বৰুৱা ● লিমাৰিক / জয়প্ৰভা দত্ত ● অশ্ৰুসিক্ত দুচকু / ৰুবুল দাস ● আকৌ আহিবানে তুমি / জ্যোতিষ চেতিয়া ● মনৰ আশা / জয়প্ৰভা দত্ত ● লিমাৰিক / ডলী বৰা ● মা / জয়প্ৰভা দত্ত ● আশাৰ সপোন / নিমিষা কোঁৱৰ ● মানৱতাৰ অৱক্ষয় / পিতাম্বৰ দেৱগোস্বামী ● ফাগুন / ৰুবী বৰা ● সংগ্ৰাম / কৰুণা খনিকৰ ● অস্তিত্ব / দেবব্ৰত শইকীয়া ● ভগ্ন হৃদয় / মুনমী শইকীয়া ● এয়া মোৰ দুপৰ ৰাতি / জাণমনি গগৈ ● এসাগৰ নীলাত বন্দী মই / মায়াশ্ৰী দাস ● ভালপোৱা এনেকৈয়ে / হিমাংশু বৰা ● শৈশৱ / বিশ্বজ্যোতি দাস ● My Books / Miss Tarali Gogoi ● Examination / Sanjay Mohan Gogoi






■ সম্পাদকৰ প্ৰতিবেদন — ১৭৫ ■
■ ক্ৰীড়া সপ্তাহৰ ফলাফল — ১৯৩ ■
■ অধ্যক্ষৰ একলম — ২০০ ■
■ তত্ত্বাৱধায়কৰ চিন্তন — ২০১ ■

# অধ্যক্ষৰ

## একলম



সাহিত্য হৈছে এটা জাতিৰ পৰিচয়। সাহিত্যিক সমাজৰ দাপোণ বুলি অভিহিত কৰা হয়। সাহিত্যৰ মাজেৰেই বিশ্বৰ বিভিন্ন জাতিসমূহে জাতীয় বৈশিষ্ট্য সংস্কৃতি আৰু জাতীয় চেতনাক বিকশিত কৰি তুলিছে। এইক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে জাতিটোৰ ভাষা-সাহিত্য-সংস্কৃতিৰ বিভিন্ন গ্ৰন্থ আৰু আলোচনীয়ে। মহাবিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে মহাবিদ্যালয়ৰ আলোচনীখন ভাষা-সাহিত্য-সংস্কৃতিৰ চৰ্চাৰ বাবে এক উত্তম কঠীয়াতলী। ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল সুপ্ত প্ৰতিভা বিকশিত হোৱাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ আলোচনীখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

ছাত্ৰ জীৱনেই হৈছে জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সময়। এই সময়খিনিতে নিজস্ব সম্ভাৱনাময় প্ৰতিভাসমূহক বিকাশ কৰিব পাৰিলেহে ভৱিষ্যতৰ এক সম্পদৰূপে আশা কৰিব পাৰি। সৃষ্টিৰ প্ৰেৰণাই মানুহক আশা আৰু নতুনত্বক আকোঁৱালি ল'বলৈ শিকায়। সৃষ্টিশীলতাই মানুহক সৌন্দৰ্যৰ পূজাৰী হোৱাৰ পৰিৱৰ্তে সুন্দৰৰ পূজাৰী হ'বলৈ অনুপ্ৰেৰণা যোগায়।


এনে কিছুমান উদ্দেশ্য সাৱোগত কৰি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক উত্তৰণৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো বিভাগতে একোখনকৈ প্ৰাচীৰ পত্ৰিকাৰ লগতে মহাবিদ্যালয়ৰ তৰফৰ পৰা মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰা হয়। আশা কৰিছোঁ মহাবিদ্যালয়ৰ আলোচনীখনে এক বিশেষ ভূমিকা লৈ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব। আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনো যে বহুমুখী প্ৰতিভা বিকশিত কৰাত ব্ৰতী হয়। শেষত আলোচনীখন প্ৰকাশৰ লগত জড়িত সকলোলৈকে আন্তৰিক ধন্যবাদ আৰু শুভকামনা যাচিছোঁ। শেষত মহাবিদ্যালয়ৰ আলোচনীখনৰ দীৰ্ঘায়ু কামনাৰে...।

**(ড° বুবুল কুমাৰ শইকীয়া)**
অধ্যক্ষ, এল.টি.কে. মহাবিদ্যালয়
আজাদ, উত্তৰ লক্ষীমপুৰ



তন্ময় জ্যোতি ফুকন
স্নাতক তৃতীয় ষাণ্মাসিক





# সম্পাদকীয়

বৰ্তমান বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত প্ৰসাৰে নিতৌ ন-ন আৱিস্কাৰ কৰি আছে। মুদ্ৰিত মাধ্যম সমূহ হৈছে আটাইতকৈ প্ৰাচীন গণমাধ্যম। গতিকে গ্ৰন্থ সমূহ বৰ্তমানৰ আন তথ্য প্ৰযুক্তিৰ পূৰ্বৰ সৃষ্টি। গ্ৰন্থ সমূহে মানৱ জীৱনৰ বহুক্ষেত্ৰত অৰিহণা যোগাই আহিছে। প্ৰত্যেক জীৱনত গ্ৰন্থৰ প্ৰভাৱ বেলেগ-বেলেগ, কাৰোবাৰ জীৱনত হয়তো বেছি আৰু কাৰোবাৰ জীৱনত কম। কিন্তু ব্যক্তিজীৱনত গ্ৰন্থ অধ্যয়নৰ ইতিবাচক প্ৰভাৱেই বেছি। বিজ্ঞান প্ৰযুক্তিয়ে যিমানেই তথ্যৰ যোগান নধৰক কিয়, তাৰ সৰহ সংখ্যক মুদ্ৰিত মাধ্যমৰ ওপৰতেই নিৰ্ভৰশীল। গতিকে, নিৰ্ভৰযোগ্য তথ্য প্ৰাপ্তিৰ বাবে গ্ৰন্থ হৈছে উপযুক্ত গণমাধ্যম।

বৰ্তমান যুৱ প্ৰজন্মৰ সৰহ সংখ্যক প্ৰতিনিধিয়েই সামাজিক যোগসূত্ৰৰ মাধ্যম (Socil Networking Site) তে বেছি সময় অতিবাহিত কৰা দেখা যায়। ফলত নিয়মীয়াকৈ কিতাপ পঢ়া বা কিতাপ পঢ়ি আনন্দ পোৱা লোকৰ সংখ্যা তুলনামূলকভাৱে কমি অহা দেখা গৈছে।

আজিৰ পৰা কিছু বছৰ আগলৈকে আজৰি সময় কটোৱাৰ ক্ষেত্ৰতে হওক বা অন্যান্য ক্ষেত্ৰতে হওক মানুহে কিতাপৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। কিতাপকে সাৰথি হিচাপে গ্ৰহণ কৰিছিল। কিন্তু বৰ্তমান সময়ত কিতাপৰ সলনি সৃষ্টি হোৱা অন্য মাধ্যম সমূহে বহুতৰ বাবে কিতাপৰ মূল্য কমাই আনিছে। বহুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্ক কেৱল শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমৰ মাজতে সীমাবদ্ধ। কিতাপৰ বিচিত্ৰ জগতখনৰ লগত বহুতৰে

পৰিচয় নাই। তেওঁলোকে আজৰি সময় পাৰ কৰে অন্যান্য মাধ্যমসমূহ ব্যৱহাৰ কৰি।

কিতাপৰ পৰা আমি বিভিন্ন ধৰণৰ জ্ঞান অৰ্জন কৰিব পাৰোঁ। অন্য মাধ্যম সমূহেও জ্ঞান আহৰণৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে অৰিহণা যোগাই আহিছে। কিন্তু কিতাপ পঢ়াৰ এক সুকীয়া মাদকতা আছে। কিতাপ পঢ়ি যি আনন্দ পোৱা যায়, আন মাধ্যমসমূহৰ পৰা নিশ্চিতভাৱে সেই আনন্দ পোৱা নাযায়। আন মাধ্যমসমূহে তথ্যৰ যোগানহে ধৰে। কিন্তু কিতাপৰ পাতত আমি কোনো এটা বিষয়ৰ বিস্তৃত ব্যাখ্যা পাওঁ।

কাহিনীধৰ্মী গ্ৰন্থ সমূহত একোখন সমাজৰ ছবি প্ৰতিবিম্বিত হয়, ফলত এনেধৰণৰ গ্ৰন্থসমূহৰ জৰিয়তে পাঠকসমাজে একোখন সমাজৰ বিভিন্ন উপাদানৰ আভাস পাব পাৰে। এনেধৰণৰ গ্ৰন্থ সমূহ বহুসময়ত সমাজৰ পথ প্ৰদৰ্শকো হ'ব পাৰে। গ্ৰন্থ সমূহ বহুক্ষেত্ৰত ব্যক্তিজীৱনৰ অনুপ্ৰেৰণাৰ উৎস হ'ব পাৰে। বৌদ্ধিক উৎকৰ্ষ সাধন তথা সৃষ্টিশীলতাৰ বিকাশৰ ক্ষেত্ৰতো গ্ৰন্থৰ ভূমিকা গুৰুত্বপূৰ্ণ। এজন ব্যক্তিৰ অধ্যয়ন যিমানেই গভীৰ হ'ব, তেওঁৰ সৃষ্টিৰাজিত অধ্যয়নৰ পৰিপক্কতা ফুটি উঠিব। অধ্যয়নে ব্যক্তিৰ চিন্তাক পৰিপক্কতা প্ৰদান কৰে।

ফৰাচী দাৰ্শনিক ভলটেয়াৰে কৈছিল— "কিতাপেই আধুনিক পৃথিৱীখন শাসন কৰি আছে। যি সমাজত কিতাপৰ স্থান নাই, সেই সমাজ থকা বা নথকা একেই কথা।" গতিকে এই মন্তব্যটিৰ আধাৰতে ক'ব পাৰি যে, কিতাপ আধুনিক সমাজ ব্যৱস্থাৰ এক মূল্যবান তথা গুৰুত্বপূৰ্ণ সম্পদ। এই মূল্যৱান সম্পদক ভৱিষ্যতৰ বাবে বৰ্তাই ৰখাৰ দায়িত্ব মানৱ সমাজৰ। গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি মানৱ সমাজে যদি নিজৰ উপযোগী কিতাপসমূহ পৰ্যাপ্ত পৰিমাণে অধ্যয়ন কৰিবলৈ লয়, তেন্তে নিজৰ লগতে সমাজৰো উপকাৰ হ'ব। নিয়মীয়াকৈ গ্ৰন্থ অধ্যয়নৰ অভ্যাস কৰাৰ ফলত কোনো এজন ব্যক্তিৰ স্বকীয় দৃষ্টিভংগী গঢ়ি উঠিব পাৰে। অৱশ্যে সেয়া ব্যক্তিজনৰ গ্ৰন্থ নিৰ্বাচন তথা পচন্দৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰিব।

বহুসংখ্যক কিতাপে মানৱ মনৰ অন্তৰ্নিহিত ভাৱ-অনুভূতি সমূহ জাগ্ৰত কৰিব পাৰে, ফলত পাঠকে তাৰ পৰা নতুন সৃষ্টিৰ কাৰণে প্ৰেৰণা লাভ কৰিব পাৰে। বহুসময়ত কিতাপে মানুহক ছাঁৰ দৰে সংগ দিয়ে। ব্যক্তিমনৰ হতাশা দূৰ কৰিবলৈও বহু সময়ত গ্ৰন্থ অধ্যয়নে সহায় কৰে।

মুঠৰ ওপৰত, গ্ৰন্থ অবিহনে মানৱ জীৱন সম্পূৰ্ণ বুলি ক'ব নোৱাৰি। শেষত বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিদেৱৰ ভাষাৰেই ক'ব পাৰি—

"কিতাপ জীৱনৰ সঞ্জীৱনী সুধা"।

◆◆◆

# প্রবন্ধ

# শিতান

# ভাৰতীয় শাস্ত্ৰীয় সংগীতত তবলা : এক বিশ্লেষণ

ৰুমী দত্ত, সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ



x ধিক্রেধিন্না ধাধিন্না ধাতি ধাতি ধাধাধিন্না।

২ তকঘিনানধা ধিন্নাধাতিট্ ধাক্রেধাতি ধাধাধিন্না।

0 কিততকতিক্রে তিন্নাকিড়নক তিগতিনাগিনতাকে ত্ৰকতিনতিনাকিনা।

৩ তকঘিনানাধা ধিন্নাধাতিট্ ধাক্রেধাতি ধাধাধিন্না।।ধা x

যেতিয়া কোনো বাদ্যত এনে ধৰণৰ বোল বা বাণীয়ে প্ৰাণ পাই উঠে তেতিয়া প্ৰত্যেকজন সংগীত প্ৰেমীৰ অন্তৰত আলোড়নৰ সৃষ্টি হয়। যেতিয়া চাম্ৰাৰ ওপৰত হাতৰ পৰশ পৰি মধুৰ ধ্বনিৰ উৎপত্তি হয়, তেতিয়া বাস্তৱিকতেই মনত প্ৰশ্ন উদয় হয়— কোন সেই সৃষ্টিকৰ্তা- যাৰ বিজ্ঞানসন্মত চিন্তাৰ ফল এই তবলাবাদ্য।

সংস্কৃত 'তল' ধাতুৰ পৰা তাল শব্দৰ উৎপত্তি। সেয়ে হয়তো সংগীতত তাল প্ৰতিষ্ঠা কৰিবৰ বাবে ব্যৱহৃত এক মুখ্য শাস্ত্ৰীয় বাদ্য 'তবলা' নামটো তল ধাতুৰ পৰা আহিছে বুলি বহুতো সংগীত পণ্ডিতে অনুমান কৰে।

ভৰতৰ 'নাট্যশাস্ত্ৰ'ত (সম্ভৱতঃ খৃঃপূঃ ৩০০ খৃঃ ২০০) উল্লেখ থকা মতে-

ততং টেকাবনদ্ধং চ মনং সুৰিৰমেব চ।
চতুৰ্বিধং চ বিজ্ঞেয় মাতোদ্যং লক্ষণান্বিতম।।
তত তন্ত্ৰীগতং জ্ঞেয়মবনদ্ধং তু গৌষ্কৰম।
ঘনস্তু তালো বিজ্ঞেয়ঃ সুষিৰো বংশ এব চ।।

অৰ্থাৎ ভাৰতৰ বাদ্যসমূহক অতীজকেই তত, অৱনদ্ধ, ঘণ আৰু সুষিৰ— এই চাৰিভাগত বিভক্ত কৰিছিল। পিছত ত্ৰয়োদশ শতাব্দীত শাৰঙ্গদেৱৰ ৰচিত 'সংগীত ৰত্নাকৰ' পুথিতো ভৰতৰ মতৰ ওপৰত ভিত্তি কৰিয়েই ভাৰতৰ বাদ্য সমূহক একে ধৰণেই শ্ৰেণীকৰণ কৰে।

**তত বাদ্য ঃ** যি বাদ্যযন্ত্ৰ তন্ত্ৰত (তাঁৰত) আঘাত কৰি ধ্বনি বা স্বৰ উৎপন্ন কৰা হয় তেনে বাদ্যক তত বাদ্য বোলা হয়। চেতাৰ, সৰোদ, বেহেলা আদি এই শ্ৰেণীৰ বাদ্যৰ অন্তৰ্ভুক্ত। বৰ্তমান কালত তত বাদ্যক তত আৰু বিতত এই দুই শ্ৰেণীত বিভক্ত কৰিছে। মিজৰাব বা আঙুলি বা অন্য পদাৰ্থৰ দ্বাৰা বজোৱা বাদ্যক তত বাদ্য বোলাৰ বিপৰীতে ব'ৰ (গঁজ) দ্বাৰা বজোৱা তাঁৰৰ বাদ্যক বিতত বাদ্য বোলা হয়। চেতাৰ, সৰোদ, তানপুৰা আদি তত বাদ্যৰ অন্তৰ্গত আৰু বেহেলা, সাৰেঙ্গী আদি বিতত বাদ্যৰ ভিতৰত ধৰা হয়।

**সুষিৰ বাদ্য ঃ** যি বাদ্যযন্ত্ৰ বায়ুৰ সহায়ত বা মুখেৰে ফুঁৱাই শব্দ উৎপন্ন কৰা হয় তেনে বাদ্যক সুষিৰ বাদ্য বোলা হয়। যেনে- বাঁহী, শিঙা, হাৰমনিয়াম ইত্যাদি।

**অৱনদ্ধ বাদ্য ঃ** যি বাদ্যযন্ত্ৰৰ চামৰাৰে মুখখন আবৃত হৈ থাকে আৰু হাতৰ আঙুলি, কাঠ, বা বাঁহৰ মাৰিৰ দ্বাৰা আঘাত কৰি শব্দ উৎপন্ন কৰা হয় তেনে বাদ্যক অৱনদ্ধ বাদ্য বোলা হয়। তবলা, পাখোৱাজ, ঢোল, খোল, নাগাৰা আদি এই শ্ৰেণী বাদ্যৰ অন্তৰ্ভুক্ত।

**ঘণবাদ্য ঃ** যিবোৰ বাদ্য কাঠ, ধাতু আদিৰে নিৰ্মিত আৰু পৰস্পৰ অথবা অন্য ধাতুৰে নিৰ্মিত বস্তুৰ আঘাতৰ দ্বাৰা বজোৱা হয় তেনে বাদ্যক ঘণবাদ্য বোলা হয়। যেনে- কাঁহ, ভোৰতাল, মন্দিৰা, টকা, জলতৰঙ্গ আদি।

ভাৰতীয় বাদ্যসমূহক এইদৰে বিভিন্ন ভাগত ভাগ কৰা হৈছে। এই বাদ্যসমূহৰ ভিতৰত উত্তৰ ভাৰতীয় সংগীত পৰম্পৰাত আলোড়নৰ সৃষ্টি কৰা, হাতৰ আঙুলি আৰু তলুৱাৰ দ্বাৰা বজাব পৰা এক অতি জনপ্ৰিয় আৰু সন্মানীয় উৰ্দ্ধমুখী আৰু জোৰাৰূপী অৱনদ্ধ শাস্ত্ৰীয় বাদ্যৰূপে তবলা অতীজৰে পৰা সমাদৃত হৈ আহিছে। প্ৰশ্ন হয় শাস্ত্ৰীয় বাদ্যনো কি? শাস্ত্ৰৰ নিয়ম মানি যি বাদ্য বজোৱা হয় সেয়ে শাস্ত্ৰীয় বাদ্য। শাস্ত্ৰীয় ৰূপত প্ৰাচীন ভাৰতত দুটা বাদ্য মৃদঙ্গ আৰু পাখোৱাজক মানিছিল। আধুনিক যুগতো অবনদ্ধ বাদ্য তবলা প্ৰাচীন কালৰ দৰেই প্ৰমুখ বাদ্য। শাস্ত্ৰীয় তথা লঘু উভয় সংগীততে তবলা হ'ল মুখ্য তাল বাদ্য। অকল সংগতৰ বাবেই নহয়, স্বতন্ত্ৰ বাদনৰ ক্ষেত্ৰতো এই বাদ্যই বিশ্বৰ সকলো অবনদ্ধ বাদ্যৰ মাজত এক সুকীয়া স্থান দখল কৰিছে। কিন্তু এনে এটি গুৰুত্বপূৰ্ণ বাদ্যৰ উৎপত্তি, বিকাশ আৰু প্ৰসাৰ সম্পৰ্কত সংগীত পণ্ডিত সকলৰ মাজত

মতানৈক্য আজিও বৰ্তমান।

ভাৰতীয় সংগীতত তবলাৰ ইতিহাস বিচাৰ কৰি চালে তবলাৰ সৃষ্টি তথা আৱিষ্কাৰ সম্পৰ্কত এক নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হোৱাটো সম্ভৱ নহয়। তবলাৰ সৃষ্টি প্ৰকৃততে বিভিন্ন অৱনদ্ধ বাদ্যৰ ক্ৰমবিকাশৰ ফল বুলিবও পাৰি। সেয়েহে কেনে ধৰণৰ বাদ্যৰ প্ৰভাৱত কেতিয়াৰ পৰা এই বাদ্যই উচ্চ স্তৰৰ বাদ্যৰ শাৰীত স্থান লাভ কৰিলে তাৰ কিছু উমানহে পাব পাৰি। তবলাৰ উৎপত্তি সম্পৰ্কত থকা মতবাদসমূহ এনে ধৰণৰ—

কোনো কোনো সংগীত পণ্ডিতৰ মতে প্ৰাচীন কালত পঞ্জাৱ আৰু ইয়াৰ দাঁতি-কাষৰীয়া কিছুমান অঞ্চলত 'দুক্কড়' নামৰ এবিধ লোকবাদ্যৰ প্ৰচলন আছিল। দেখাত সামঞ্জস্য থকা এই 'দুক্কড়'ৰেই পৰৱৰ্তী সময়ত তবলা নামেৰে পৰিচিত হয় বুলি তেওঁলোকে অনুমান কৰে। আনহাতে আন এচাম পণ্ডিতে মহাৰাষ্ট্ৰত প্ৰচলন থকা 'নৰ' আৰু 'মাদা'ক একেলগে 'সম্বল' নামাকৰণ কৰি বজোৱা লোকবাদ্যৰ পৰা তবলাবাদ্যৰ উৎপত্তি হৈছে বুলি ক'ব বিচাৰে।

তাল প্ৰকাশ নামৰ পুথিত শ্ৰী ভগৱত শৰণ শৰ্মাই লিখিছে— পাশ্চাত্যৰ বিদ্যান ষ্টেবী চাহাবে তেওঁৰ লিখনিত এচিয়া খণ্ডত জঙঘলী লোকৰ মাজত প্ৰাচীন কালত 'নবলা' নামৰ এক বাদ্যযন্ত্ৰ প্ৰচলন থকাৰ কথা উল্লেখ আছে। হয়তো আজিৰ তবলা এই নবলাৰেই নতুন ৰূপ।

ভাৰতীয় সংগীতৰ ইতিহাসত অতি উল্লেখনীয় সময় আছিল সংগীতপ্ৰেমী সুলতান আলাউদ্দিন খিলিজীৰ ৰাজত্বকাল (১২৯৬-১৩১৬)। এই সময়ছোৱাত সংগীত জগতলৈ অৱৰ্ণনীয় অৱদান আগবঢ়োৱা সংগীতজ্ঞ আৰু কবি হজৰত আমীৰ খুচৰু (১২৭৩-১৩২৫)ৰ পিতৃ পিতামহ আছিল সুদূৰ পাৰস্য দেশৰ। ভাৰতীয় কোনো ভাষাতে 'তবলা' বা Tabla শব্দৰ কোনো অৰ্থ বিচাৰি পোৱা নাযায়, যদিও পাৰ্চী ভাষাত 'তব্ল', 'তবল' বা Tabla এই শব্দ অতি জনপ্ৰিয় হোৱালৈ লক্ষ্য কৰিলে পাৰ্চী 'তব্ল'ৰ অনুকৰণত আমীৰ খুচ্‌ৰুৱেহে, সমসাময়িক কালত প্ৰয়োজন সাপেক্ষে তবলাৰ সৃষ্টি কৰিছিল বুলি ভবাৰ থল আছে। কোনো ভাৰতীয়ই তবলাৰ আৱিষ্কাৰ ক'ৰাহেতেন এই বাদ্যযন্ত্ৰৰ নামাকৰণতো কোনো ভাৰতীয় শব্দইহে প্ৰাধান্য পালেহেতেন। এই দিশৰ পৰা আমিৰ খুচ্‌ৰুকেই তবলাৰ উদ্ভাৱক বুলি কোনো কোনো সংগীত পণ্ডিতে মানি ল'ব বিচাৰে।

দশম-একাদশ শতাব্দিৰ নৃত্যৰত গণপতিৰ মূৰ্ত্তিৰ নৃত্যৰ লগত তবলাৰ অনুৰূপ বাদ্যৰ সংগত কৰাৰ ছবি খোদিত আছে। পাহাৰপুৰৰ খোদিত চিত্ৰতো তবলাৰ লগত সাদৃশ্য থকা বাদ্য দেখা যায়। কোনো কোনো অতি পুৰণি মঠ মন্দিৰতো তবলাৰ দৰে জোৰাৰূপে থকা নানা বাদ্য দেখা যায়। গতিকে এই দিশৰ পৰাও তবলাৰ সৃষ্টি সম্পৰ্কত নিৰ্দিষ্ট আৰু নিৰ্দ্ধাৰিত সংজ্ঞা দিয়াটো কঠিন হয়।

ফাৰ্চী ভাষাত তব্লতুৰ্কী, তব্লজংগ, তব্লসামী, তব্লমিগতি আদি তব্ল শব্দ সংযোগ থকা অনেক অৱনদ্ধ বাদ্যৰ উল্লেখ

...দশম-একাদশ শতাব্দিৰ নৃত্যৰত গণপতিৰ মূৰ্ত্তিৰ নৃত্যৰ লগত তবলাৰ অনুৰূপ বাদ্যৰ সংগত কৰাৰ ছবি খোদিত আছে। পাহাৰপুৰৰ খোদিত চিত্ৰতো তবলাৰ লগত সাদৃশ্য থকা বাদ্য দেখা যায়। কোনো কোনো অতি পুৰণি মঠ মন্দিৰতো তবলাৰ দৰে জোৰাৰূপে থকা নানা বাদ্য দেখা যায়...

...তবলাৰ আৱিষ্কাৰ, ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগত জড়িত আন দুটা বিষয় হৈছে তবলাৰ ঘাৰাণা আৰু বাজ। ঘাৰাণা শব্দৰ অৰ্থ হৈছে বংশ বা খান্দান। তবলাৰ ঘাৰাণা হৈছে যিবিলাক বংশত তবলাৰ চৰ্চ্চা এক উচ্চ পৰ্যায়ৰ ৰীতি-নীতিত পুৰুষ-পুৰুষানুক্ৰমে চলি আহিছে সেই বংশবিলাকক তবলাৰ ঘাৰণা বোলা হয়...

আছে। এই বাদ্যসমূহ উদ্ধমুখীৰূপে ৰাখি বজোৱা হৈছিল। গতিকে তবলা তাৰেই ৰূপান্তৰ হ'ব পাৰে বুলি ধাৰণা কৰা হয়।

আৰবৰ এক শ্ৰেণী পণ্ডিতৰ মতে লেটিন ভাষাৰ তবুল শব্দৰ পৰাহে 'তব্ল' শব্দৰ উৎপত্তি। তেওঁলোকৰ ধাৰণামতে আৰব, পাৰস্য, তুৰ্কীস্থান ইত্যাদিৰ ইছলাম অধিবাসী ধৰ্মীয় লোকসকলে ভাৰতলৈ অহাত ভাৰতৰ উদ্ধমুৰ্খীভাৱে বজোৱা নিসান, নাগাড়া, জাতীয় অৱনদ্ধ বাদ্যবোৰক হয়তো তবুল, তব্ল বা তবল নামাকৰণ কৰিলে। এই শব্দই হয়তো শেষত তবলা নামেৰে পৰিচয় লাভ কৰে। ড° যোগমায়া শুক্লাই তেখেতৰ গৱেষণা পত্ৰত উল্লেখ কৰা মতে আৰবৰ সংগীতজ্ঞ আৰবৰ সংগীতজ্ঞ লমকৰ পুত্ৰ টুবুল হ'ল তবলাবাদ্যৰ আৱিষ্কাৰক আৰু সেইবাবেই এই বাদ্যৰ অনুৰূপ বাদ্যবোৰক তব্লযুক্ত কৰি বুজোৱা হয়।

সংস্কৃত 'তল' ধাতুৰ পৰা তাল শব্দৰ উৎপত্তি। সেয়ে হয়তো সংগীতত তাল প্ৰতিষ্ঠা কৰিবৰ বাবে ব্যৱহৃত এক মুখ্য শাস্ত্ৰীয় বাদ্য 'তবলা' নামটো তল ধাতুৰ পৰা আহিছে বুলি বহুতো সংগীত পণ্ডিতে অনুমান কৰে।

অনেকৰ মতে আকৌ ষোড়শ শতাব্দীৰ সম্ৰাট আকবৰৰ সময়ৰ তবলাবাদক দিল্লীৰ সিদ্ধাৰ খাঁ ঢাড়ি তবলাৰ জন্মদাতা। প্ৰবাদ মতে তবলাৰ প্ৰথম প্ৰচাৰক সিদ্ধাৰ খাঁৰ দিনত দিল্লীত ভগবান দাস নামেৰে তেওঁৰ সমকক্ষৰ এজন পাখোৱাজ বাদকৰ মাজত প্ৰায়ে প্ৰতিযোগিতা চলিছিল। এবাৰ এনে প্ৰতিযোগিতাত পৰাস্ত হৈ সিদ্ধাৰ খাঁয়ে খং আৰু বেজাৰত পাখোৱাটোক দ্বি-খণ্ডিত কৰে। কিন্তু তাৰ পিছতো সেই বিভাজিত অংশৰ পৰা শব্দ উৎপন্ন হোৱাত তেওঁ কৈ উঠিল 'তবভী বলা' আৰু তেতিয়াৰ পৰাই দ্বি-খণ্ডিত এই বাদ্য যন্ত্ৰৰ নাম হ'ল তবলা।

এইদৰে দেখা যায় যে তবলাৰ সৃষ্টি সম্পৰ্কত বিভিন্ন পণ্ডিতে বিভিন্ন মতামত আগবঢ়াইছে যদিও এটা সৰ্বসন্মত বিজ্ঞানভিত্তিক দৃঢ় মত এটিৰ আজিও অভাৱ। তথাপিও সিদ্ধাৰ খাঁ ঢ়াড়ী যে তবলা বাদনৰ কৌশল আৰু বিভিন্ন অলংকাৰ আদিৰ প্ৰৱৰ্ত্তক এই ধাৰণা নিৰ্ভূল যেন প্ৰতীয়মান হয়। মূলতঃ পাখোৱাজবাদক সিদ্ধাৰ খাঁ ঢ়াড়ীয়েই যে তবলাৰ প্ৰথম আৰু প্ৰধান প্ৰচাৰক আৰু সংশোধক সেই কথা সুধী সমাজত স্বীকৃত। তেওঁৰ দ্বাৰা সৃষ্ট দিল্লী ঘাৰাণাৰ পৰাই পঞ্জাৱ ঘাৰাণাৰ বাদে বাকী সকলো ঘাৰাণাৰ উৎপত্তি সম্ভৱ হৈছে।

তবলাৰ আৱিষ্কাৰ, ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগত জড়িত আন দুটা বিষয় হৈছে তবলাৰ ঘাৰাণা আৰু বাজ। ঘাৰাণা শব্দৰ অৰ্থ হৈছে বংশ বা খান্দান। তবলাৰ ঘাৰাণা হৈছে যিবিলাক বংশত তবলাৰ চৰ্চ্চা এক উচ্চ পৰ্যায়ৰ ৰীতি-নীতিত পুৰুষ-পুৰুষানুক্ৰমে চলি আহিছে সেই বংশবিলাকক তবলাৰ ঘাৰণা বোলা হয়। অৱশ্যে নিজ বংশৰ বাহিৰেও আন লোককো ঘাৰাণাৰ অন্তৰ্ভুক্ত কৰিব পাৰি যদিহে ঘাৰাণাৰ ৰীতি-নীতি সম্পূৰ্ণ আয়ত্বাধীন হয় আৰু নিজকে সেই ঘাৰাণাৰ প্ৰকৃত উত্তৰাধিকাৰী হিচাবে চিনাকী দিবলৈ সমৰ্থবান হয়। ঘাৰাণাৰ সৃষ্টিকৰ্তাসকল বিলাক ঠাইত বাস কৰিছিল সেই ঠাইবিলাকৰ নামেৰে ঘাৰাণাবিলাকৰ নামাকৰণ কৰা হৈছিল। তবলাৰ ঘাৰাণা মুখত ৬ টা। সেয়া হৈছে— দিল্লী ঘাৰাণা, লক্ষ্ণৌ ঘাৰাণা, বেনাৰস ঘাৰাণা, পঞ্জাৱ ঘাৰাণা, ফৰুক্কাবাদ ঘাৰাণা আৰু আজৰাড়া ঘাৰাণা। দিল্লী ঘাৰাণাৰ প্ৰতিষ্ঠাপক দিল্লীৰ বাসিন্দা হোৱা হেতুকে এই ঘাৰাণাক দিল্লী ঘাৰাণা বোলা হয়। ঠিক সেইদৰে প্ৰতিটো ঘাৰাণাৰ প্ৰতিষ্ঠাপকসকল যি ঠাইৰ সেই ঠাই বিশেষৰ নামক কেন্দ্ৰ কৰি ঘাৰাণা সমূহৰ নামাকৰণ কৰা হৈছে। শ্ৰী বিমলাকান্ত ৰায় চৌধুৰীয়ে 'ভাৰতীয় সংগীত কোষ'ত ঘাৰাণা সম্পৰ্কত অতি চমুকৈ এনেদৰে

মন্তব্য কৰিছে— "সংগীত জগতত ঘাৰাণা বোলোতে গুণী বংশ পৰম্পৰা বুজায়"।

আনহাতে বাজ হৈছে ঘাৰাণা বিলাকৰ বাদন প্ৰণালীৰ নিৰ্দিষ্ট ৰীতি-নীতি আৰু বৈশিষ্টতা। তবলা বজোৱা মূল পদ্ধতি একে যদিও কোনো কোনো লব্ধ-প্ৰতিষ্ঠ তবলাবাদকে বজোৱাৰ ধৰণ নিজৰ কৌশলেৰে নতুন ৰূপত ৰূপায়িত কৰি বিভিন্ন উচ্চস্তৰৰ বোলৰ ৰচনাৰে বাদন প্ৰণালীৰ জেউতি চৰাই ঠাইত বিশেষত শিষ্যসকলক শিক্ষা প্ৰদান কৰে। পিছত শিষ্য পৰম্পৰাক্ৰমে সেইবোৰ ঠাইত সেই সংগীত গুৰুসকলৰ বজোৱাৰ ধৰণ গ্ৰহণ কৰাত তবলা বাদনৰ বেলেগ বেলেগ শৈলী বা ধৰণ প্ৰচাৰিত হৈছিল। তবলা বজোৱা এই নিৰ্দিষ্ট ৰীতি-নীতিয়েই হৈছে বাজ। বিভিন্ন ঘাৰাণাৰ বজোৱা বাদন প্ৰণালীক সেই ঘাৰাণাৰ নামেৰে নামাকৰণ কৰা হয়। যেনে— দিল্লী ঘাৰাণাৰ বাজক দিল্লী বাজ, লক্ষ্ণৌ ঘাৰাণাৰ বাজক লক্ষ্ণৌ বাজ, বেনাৰস ঘাৰাণাৰ বাজক বেনাৰস বাজ ইত্যাদি। উল্লেখযোগ্য যে তবলাৰ মুখ্য ছয় ঘাৰাণাৰ পাঁচোটা ঘাৰাণাই দিল্লী ঘাৰাণাৰ পৰা সৃষ্ট যদিও প্ৰতিটো ঘাৰাণাৰ বাদকসকলে আৱশ্যক অনুযায়ী বোলৰ সংশোধন কৰি, স্থানীয় সংগীতৰ প্ৰভাৱ বা সাধনাৰ বলত নতুন নতুন ধৰণৰ গৎ, কায়দা ৰেলা, টুকুড়া, আদি ৰচনা কৰি, বজোৱাৰ ৰীতি-নীতিৰ তাৰতম্য ঘটাই তবলাবাদনৰ ভৰাঁলটি সমৃদ্ধ কৰি তুলিছে।

ঘাৰাণাসমূহৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট হৈছে 'গুৰু শিষ্য পৰম্পৰা'। এই গুৰু শিষ্য পৰম্পৰাত গুৰুৰ লগত শিষ্যৰ সম্পৰ্ক অতি নিবিড়, ভক্তিপূৰ্ণ ও দৃঢ় হয়। শিষ্যসকল সকলো সময়তে গুৰুৰ সান্নিধ্যত থাকিবলগীয়া হোৱাত গুৰুৱে কৰা সাধনা (ৰিয়াজ) আৰু পৰিবেশন দেখি শিষ্যসকলে নিখুঁতভাৱে সেয়া আয়ত্ব কৰিবলৈ সুবিধা পায়। তদুপৰি ঘাৰাণাৰ শিক্ষা পদ্ধতিত থকা নিয়মানুবৰ্তিতাই শিষ্যসকলক প্ৰতিদিনে অসীম সাধনাত মগ্ন হ'বলৈ প্ৰেৰণা যোগায়।

সামৰণিত ক'ব পাৰি যে বৈদিক কালৰ পৰা এতিয়ালৈকে চলি অহা ডম্বৰু, ডিমডিম, ঢোলক, নিসান, নাগাড়া, তাসা আদি বিভিন্ন অৱনদ্ধ বাদ্যৰ গুণ সম্বন্বয়ৰে নিৰ্মিত গৰিমা মণ্ডিত ইতিহাস থকা এই তবলা নামৰ বাদ্যই আজি বিশ্বত এক উচ্চ আৰু সন্মানিত বাদ্যৰূপে পৰিচয় লাভ কৰিছে। শতিকাজুৰি সু-শৃংখলভাৱে শিষ্য প্ৰশিষ্য সকলে পৰম্পৰাগতভাৱে তবলাৰ চৰ্চা কৰি অহাৰ ফলত আজিৰ তবলাবাদ্যই শাস্ত্ৰীয় বাদ্যৰূপে সমগ্ৰ বিশ্বতে সংগত ও স্বতন্ত্ৰ বাদন উভয়তে উচ্চস্তৰীয় জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে।

তবলাৰ ইতিহাস অধ্যয়নে দেখুৱায় যে একোজন লব্ধ-প্ৰতিষ্ঠ তবলাবাদকে দিনটোৰ প্ৰায় ১৮ ঘন্টা পৰ্যন্ত ৰেয়াজ কৰিছিল। যিহেতু তেওঁলোকে সাধাৰণ শিক্ষাক গৌণ হিচাবে গ্ৰহণ কৰি সংগীত শিক্ষাত নিজকে আত্মনিয়োগ কৰি কঠোৰ সাধনাৰে প্ৰকৃত জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছিল। — যাৰবাবে সেইসকল তবলাবাদক সদায়েই সংগীতজগতত ধ্ৰুৱতৰাৰ দৰে জিলিকি থাকিব। কিন্তু বৰ্তমান সময়ত শিক্ষাৰ্থীসকলে সংগীত শিক্ষা আৰু সাধাৰণ শিক্ষা একেলগে আহৰণ কৰিবলগীয়া হোৱাত সংগীতত পূৰ্বৰ দৰে জ্ঞান অৰ্জন কৰাটো কঠিন হৈ পৰিছে। ইয়াৰ মাজতো অৱশ্যে সংগীত সাধনাত সুফল লাভ কৰি ভাৰতত প্ৰতিষ্ঠিত সংগীতজ্ঞ হোৱা লোকৰ সংখ্যাও একেবাৰে নগন্য নহয়। যিসকল ছাত্ৰ-ছাত্ৰী বৰ্তমান শাস্ত্ৰীয় বাদ্যৰূপে তবলা শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰহী তেওঁলোকে তবলা বজোৱাৰ নিয়মসমূহ মানি চলাটো বাধ্যতামূলক। লগতে গুণী তবলাবাদকৰূপে প্ৰতিষ্ঠিত হ'বলৈ হ'লে গুৰু শিষ্যৰ পৰম্পৰাক সন্মান জনাই ভক্তিভাৱেৰে শিক্ষা গ্ৰহণ কৰিব লাগিব, তেতিয়াহে শ্ৰেষ্ঠ তবলাবাদকৰ আসন শুৱনি কৰিবলৈ সমৰ্থ হ'ব।

■■

# উত্তৰ পূব ভাৰতৰ বন্যপ্ৰাণীৰ সংৰক্ষণৰ প্ৰথা

কৃষ্ণা বৰপাত্ৰগোহাঁই



বন্যপ্ৰাণী বুলিলে আমাৰ মনলৈ আহে সাধাৰণতে বাঘ, সিংহ, হৰিণ, ভালুক, শিয়াল আদি। কিন্তু বৈজ্ঞানিক দৃষ্টিৰে যিবোৰ প্ৰাণীয়ে জীৱন-ধাৰণ আৰু বংশবৃদ্ধিৰ বাবে মানুহতকৈ প্ৰকৃতি আৰু পৰিৱেশৰ ওপৰত বেছিকৈ নিৰ্ভৰ কৰে, সেই সকলো বিলাককে বন্যপ্ৰাণী বোলে। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল এই বৈচিত্ৰ্যময় প্ৰাণীসমূহ কিন্তু বৰ্তমান মানুহে কৰা ধ্বংসৰ বাবে প্ৰকৃতিৰ বুকুৰ পৰা বিলুপ্ত হৈছে বা বিলুপ্ত হ'বলৈ ধৰিছে। আজি আমি বহুতো বৈচিত্ৰ্যময় প্ৰাণীক হেৰুৱাইছোঁ। উদাহৰণস্বৰূপে, আজিৰ পৰা কেইবা বছৰৰ আগতে পৃথিৱীত দপ্‌দপাই থকা ডাইন'ছৰ আজিৰ প্ৰকৃতিত একেবাৰে বিলুপ্ত হৈছে। আন বিপন্নপ্ৰায় প্ৰাণীবোৰ হৈছে-সোণালী বান্দৰ, নল গাহৰি, সিংহ, বাঘ, দেওহাঁহ, শিহু, হাড়গিলা আদি।

এই বন্যপ্ৰাণী বিলাকৰ বিলুপ্তিৰ সাধাৰণ কাৰণ হ'ল- বিদেশী উদ্ভিদ আৰু প্ৰাণীৰ প্ৰব্ৰজন, অসুস্থ কৃষিকৰ্ম, নদীৰ বান্ধ, বনাঞ্চল ধ্বংস আদিৰ ফলত হোৱা বানপানী আৰু খৰাং বতৰ আদিয়ে প্ৰাণী জগতত বিয়পোৱা বিধ্বংসী পৰিৱেশ, চোৰাং চিকাৰীৰ প্ৰতি চৰকাৰে নোলোৱা কঠিন আইন-কানুন আদি।

**উত্তৰ-পূব ভাৰতৰ বন্যপ্ৰাণীসমূহ সংৰক্ষণৰ সমস্যাসমূহ ঃ**

উত্তৰ-পূব ভাৰত বুলিলে মেঘালয়, নাগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা, মণিপুৰ এই কেইখন

ৰাজ্যই পৰে। ভাৰতবৰ্ষৰ সকলো অঞ্চলতকৈ উত্তৰ পূব ভাৰততে বন্যপ্ৰাণীৰ সংখ্যা অধিক। কিন্তু দুখৰ কথা এয়ে যে অসম, অৰুণাচল, মেঘালয় আদিত প্ৰতি বছৰেই একোটাকৈ বন্যপ্ৰাণী প্ৰজাতিৰ বিলুপ্তি ঘটে। বাঘ, সিংহ, শিয়াল, শগুণ, চিলনী আদি প্ৰাণীবোৰ বিভিন্ন প্ৰজাতিৰ শেষ চিহ্ন বুলিহে ক'ব পাৰি। আমাৰ প্ৰকৃতিৰ অপূৰ্ব সৃষ্টি তথা মানুহৰ সহায়ক বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহ হৈছে-

**বন্যপ্ৰাণীৰ বাসভূমি বিনাশ ঃ**

বাসভূমি ধ্বংসৰ ফলত বন্যপ্ৰাণীৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়া চলে। খাদ্য আৰু বংশবৃদ্ধিৰ বাবে প্ৰজনন ভূমি নথকাৰ কাৰণে সিহঁতৰ মাজত এক অভূতপূৰ্ব সমস্যাৰ সৃষ্টি হয়। যোৱা বিশ বছৰৰ ভিতৰত কাজিৰঙাতেই ৪০৪০০০০ হেক্টৰ, নামেৰি ৰাষ্ট্ৰীয় উদ্যানত ৫০০০০০ হেক্টৰ, ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত ১০৭০০০০ হেক্টৰ মাটি বনাঞ্চল ধ্বংস হৈছে বেদখলকাৰীৰ হাতত।

**প্ৰাকৃতিক দুৰ্যোগ ঃ**

দুৰ্যোগৰ ভিতৰত পৰে প্ৰধানকৈ বানপানী, গৰাখহনীয়া, ধুমুহা আদি। জধে-মধে মথাউৰি নিৰ্মাণ, নদীৰ কাষৰ গছ-গছনি কটাৰ ফলত হোৱা গৰাখহনীয়া, পাহাৰৰ গছ কাটি তহিলং কৰাৰ ফলত হোৱা বাৰিষাৰ বানপানীৰ বাবে বন্যপ্ৰাণীবোৰ কেনেবাকৈ মুকলিলৈ ওলাই আহিলে একশ্ৰেণী ধ্বংসকাৰী মানুহৰ বৰভোজ হয়।

**চোৰাং চিকাৰী ঃ**

বন্যপ্ৰাণীৰ চোৰাং চিকাৰ হ'ল বন্যপ্ৰাণী কমি অহাৰ এক অন্যতম কাৰক। এই চিকাৰীসকলে বন্যপ্ৰাণীৰ চিকাৰ কৰি বজাৰত তাৰ অংগ-প্ৰত্যংগ বেচাকিনা কৰে। কাৰণ বেছিভাগ বন্যপ্ৰাণীৰ বিদেশী বা দেশীয় বজাৰ মূল্য অধিক। আমেৰিকাৰ বজাৰত এখন বাঘৰ ছালৰ দাম ২৯ ৰ পৰা ৩০ লাখ টকা, এডাল অজগৰ সাপৰ দাম ২১ হাজাৰ টকা, দেশীয় বজাৰত গঁড়ৰ খড়গৰ মূল্য ৪ লাখৰ পৰা ৭ লাখ পৰ্যন্ত, আন্তৰ্জাতিক বজাৰত ইয়াৰ মূল্য ১২ৰ পৰা ২০ লাখ টকা। হাতী দাঁতৰ মূল্য ৩০ হাজাৰৰ পৰা ৪০ হাজাৰৰ ভিতৰত। আমাৰ দেশত এনে ধ্বংসকাৰী ব্যৱস্থা ৰোধৰ বাবে আইন আছে, কিন্তু এনে আইন উলংঘা কৰে দুষ্কৃতিকাৰী বেপাৰীসকলে, ৰপ্তানী কৰোঁতাসকলে। কেৱল বাঘ, গঁড়, হাতীয়েই নহয়, চোৰাংচিকাৰীসকলে কাছ, পখিলা, চৰাই একোৱেই এৰি নিদিয়ে। কাৰণ সজোৱা বস্তু সাজিবলৈ 'কাছৰ চলং' যৌন উত্তেজক দৰৱৰ বাবে 'বামুন ভেকুলী' আদি চোৰাং ব্যৱসায়ীসকলে এফালৰ পৰা নিঃশেষ কৰি আহিছে। বিনোদন আৰু খাদ্যৰ বাবেও বন্যপ্ৰাণীৰ হত্যা এটা সাধাৰণ কথাৰ দৰে হৈছে। ওপৰত উল্লেখ কৰা সমস্যাসমূহ যদি সোনকালে ৰোধ কৰা নাযায়, তেতিয়া হয়তো আমি প্ৰকৃতিৰ এই আপুৰুগীয়া সম্পদবিলাক হেৰুৱাব লাগিব। সময় থাকোঁতেই যদি জনসাধাৰণ আৰু চৰকাৰে যুটীয়াভাৱে আন্তৰিক প্ৰচেষ্টা নচলায়, তেন্তে বন্যপ্ৰাণী সংৰক্ষণৰ সমস্যা সমস্যা হৈয়ে ৰ'ব, ইয়াৰ সমাধান নহ'ব। অৱশ্যে বহুতেই এই সমস্যা সমাধানৰ প্ৰতি সজাগ হৈছে। যেনে-নেচাৰ্চ বেকনৰ দৰে প্ৰকৃতিপ্ৰেমী সংগঠনে অৰণ্য ধবংসৰ ওপৰত মাত মাতিছে।

শেষত বন্যপ্ৰাণীসমূহ যাতে লুপ্ত হৈ নাযায়, তাৰবাবে সংৰক্ষণৰ ব্যৱস্থা হাতত ল'বলৈ চৰকাৰৰ লগতে জনসাধাৰণৰ ওচৰত অনুৰোধ জনালোঁ।

■■

# চৰিত্ৰ গঠনত আধ্যাত্মিক তত্ত্বৰ প্ৰভাৱ

নীহাৰিকা বৰা

চৰিত্ৰ হ'ল এজন ব্যক্তিৰ মূল মেৰুদণ্ডস্বৰূপ। চৰিত্ৰৰ বলতে ব্যক্তিয়ে জগতত সুখ্যাতি অৰ্জন কৰিব পাৰে আৰু চৰিত্ৰৰ দোষতে মান-সন্মান, সু-খ্যাতি আদি সকলোবোৰ হেৰুৱাব পাৰে। এজন দৰিদ্ৰ লোকেও সৎ চৰিত্ৰৰ বাবে সমাজত আদৰ, শ্ৰদ্ধা পাব পাৰে, কিন্তু ধনী বা গুণীলোকেও অসৎ চৰিত্ৰৰ বাবেও সমাজত মান-সন্মান হেৰুৱাবলগীয়া হ'ব পাৰে।

চৰিত্ৰ গঠনত মানুহৰ দুটা দিশত জ্ঞান থাকে। বস্তুবাদী জ্ঞান আৰু আধ্যাত্মিক জ্ঞান। সু-চৰিত্ৰ গঠনত বস্তুবাদী জ্ঞানতকৈ আধ্যাত্মিক জ্ঞানৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ। এনে আধ্যাত্মিক জ্ঞান লাভ কৰিবলৈ হ'লে তেনে কোনো জ্ঞানী মানৱৰ কাষ চাপিব লাগিব, নহ'লে সেই দিশৰ পুথি অধ্যয়ন কৰি আধ্যাত্মিক জ্ঞান আহৰণ কৰিব লাগিব। আধ্যাত্মিক দিশটো ব্যক্তিৰ জীৱনত উপযুক্ত কৰি ল'ব নোৱাৰিলে তেওঁৰ জীৱনৰ লক্ষ্যপথত কণ্টকহে হ'ব। আধ্যাত্মিকতাত শৰীৰ ৰূপ মন্দিৰ হ'ব লাগিব; ৰক্ষণাবেক্ষণযুক্ত, পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু মনৰূপা পূজাৰী হ'ব লাগিব; তেতিয়াহে সৎ চৰিত্ৰৰ লগতে নিয়মানুৱৰ্তিতাসম্পন্ন হ'ব।

উদাহৰণস্বৰূপে, প্ৰহ্লাদে মাতৃৰ গৰ্ভতে নাৰদৰ মুখৰ পৰা, শিশু অৱস্থাতেই শ্ৰীকৃষ্ণই সন্দিপণি মুনিৰ পৰা, অৰ্জুনে শ্ৰীকৃষ্ণৰ পৰা আৰু শ্ৰীমন্ত শংকৰদেৱে গুৰু মহেন্দ্ৰ কন্দলীৰ পৰা তেনে আধ্যাত্মিক জ্ঞান লাভ কৰিছিল। আধ্যাত্মিক তত্ত্বটো পাবৰ বাবেই এজন ব্যক্তিয়ে প্ৰথমতে 'যোগ সাধন' আৰু 'শৰীৰ চৰ্চা' কৰিব লাগিব। শৰীৰ, মন আৰু আত্মাৰ মাজত ঐক্য আৰু সমতা স্থাপনৰ এক প্ৰণালীবদ্ধ প্ৰশিক্ষণেই হ'ল যোগ। যোগক্ৰিয়া সূক্ষ্ম ব্যক্তিসত্ত্বাত আৰম্ভ হয় আৰু ই লাহে লাহে ব্যাপ্ত হৈ চৈতন্য সত্ত্বাত লীন হৈ যায়। এই অৱস্থাত মানুহে আত্মজ্ঞান আৰু পৰমজ্ঞান লাভ কৰে। যোগৰ অভ্যাসে ব্যক্তিক শাৰীৰিক, সুস্থতা, সৰলতা, সহনশীলতা, মানসিক স্থিৰতা, একাগ্ৰতা, দৃঢ়তা, ধৈৰ্য আৰু সূক্ষ্ম বিশ্লেষণৰ শক্তি প্ৰদান কৰে। ইয়াৰ পৰাই একাগ্ৰ মনেৰে আধ্যাত্মিকতা লাভ কৰিব পাৰে আৰু চৰিত্ৰ গঠনত দৃঢ় প্ৰতিজ্ঞ হয়।

ব্যক্তিগত জীৱনক নৈতিকভাৱে গঢ় দিবলৈ মানুহে কিছুমান নিয়ম পালন কৰিব লাগে। স্নান কৰা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আদিয়ে যিদৰে শৰীৰৰ বাহ্যভাগ নিকা কৰে ঠিক তেনেকৈ শৌচ শুদ্ধিৰ দ্বাৰা শৰীৰৰ আভ্যন্তৰীণভাগো নিকা কৰি ৰাখিব লাগে। তদুপৰি খাদ্যও শৰীৰ মন শুদ্ধি কৰে। সাত্ত্বিক, ৰাজসিক আৰু তামসিক এই তিনিবিধ আহাৰে মানুহৰ কৰ্ম নিৰ্ধাৰণ কৰে। সাত্ত্বিক আহাৰে মগজু আৰু ৰক্ত শীতল কৰি ৰাখে। ৰাজসিক খাদ্যই ব্যক্তিক বিলাসী উগ্ৰ প্ৰকৃতিৰ নিচিনা কৰি তোলে আৰু এনে ব্যক্তিৰ শেষৰ পৰিণাম ভয়াবহ হ'ব পাৰে। তামসিক খাদ্যই উদ্বেগ, খং, হতাশা বৃদ্ধি কৰি জীৱনটো অশান্তিময় কৰি তোলে।

যিজনে এনে সৎ জ্ঞান অৰ্জন কৰিছে, তেওঁৱেই সৎ চৰিত্ৰৰ অধিকাৰী হৈ জগতত সুনাম অৰ্জন কৰিছে। আধ্যাত্মিকতা লাভ কৰিবৰ হেতুকে বিভিন্ন পুথি অধ্যয়নৰ যোগেদি বা তেনে কোনো জ্ঞানী মানৱৰ আশ্ৰয় লৈ সৎ জ্ঞানৰ দ্বাৰা সৎ চৰিত্ৰ গঠন কৰিব পাৰিব লাগিব। তেতিয়াহে এজন ব্যক্তিয়ে জাতি, ধৰ্ম, বৰ্ণ, লিংগ সকলোকে পাহৰি নিজকে প্ৰকৃত মানৱ হিচাপে আগুৱাই নিব পাৰিব।

# অসমীয়া সংস্কৃতিত ঢেঁকী

মনিকা শইকীয়া

প্ৰকৃতিৰ অনবদ্য লীলা বৈচিত্ৰ্যৰে উপচি পৰা মোহময়ী অসমৰ জাতি-উপজাতি মিলিয়েই অসমীয়া সংস্কৃতিৰ ৰূপ ধাৰণ কৰা দেখা যায়। দিন বাগৰি যোৱাৰ লগে-লগে সংস্কৃতিৰো ৰূপ সলনি নোহোৱা বুলি ক'ব নোৱাৰি। অসমৰ কৃষ্টিৰ পাতনিত ভিন্নগোষ্ঠীৰ সৃষ্টিৰ খেলা নিগৰিত হৈ আছে। ই কেৱল এটা জাতিৰ সৃষ্টি বুলি কোনেও ক'ব নোৱাৰে। আছে প্ৰতিটোৰে ধৰ্ম-কৰ্ম, আচাৰ-ব্যৱহাৰ, লোক-কথা, বিশ্বাস, পূজা-পাৰ্বনত বিশ্বাস ইত্যাদি। কৃষ্টিৰ দলিচাত সৃষ্টিৰ পাতনি মেলে সংস্কৃতিয়ে। সময়ৰ গতিত সংস্কৃতিৰ গতি সাল-সলনি হৈ নতুন কৃষ্টিৰ জন্ম হয়। লোক কথা, কৃষ্টি, বিশ্বাসৰ মাজত সৃষ্টি হয় জাতিটোৰ ধ্যান-ধাৰণা, মানসিকতা আৰু জীৱন ধাৰণৰ আদৰ্শ।

গ্ৰাম্য জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত অসমীয়া সংস্কৃতিৰ এবিধ আপুৰুগীয়া সম্পদ— ঢেঁকী। বৰ্তমান অসমীয়া সমাজত আধুনিক বিজ্ঞানৰ দানে অসমীয়া আপুৰুগীয়া ঢেঁকীশাল নোহোৱাৰ দৰেই কৰিছে। গাঁৱলীয়া সমাজত ঢেঁকীশাল বৰ্তমানে মৃতপ্ৰায় অৱস্থাত আছে। ইয়াক কাঠৰ শিলাত্ৰেতা, মিৰিটেঙা, বেলগছ, কৰছ গছ, গহেৰা গছ, কঁঠাল গছ আদিৰে বনাই লয়। ঢেঁকীথোৱা কাঠ আৰু বাঁহ দুয়োটাৰে বনাব পাৰি। মাত্ৰ খুবলি



থাকে শিলৰ। থোৱাত লোহাৰ শাখ বা বেৰি লগোৱা হয়। আগৰ দিনত প্ৰতিখন গাঁও প্ৰতিদিনে পুৱা সাৰপাই উঠিছিল ঢেঁকীৰ শব্দত। দুবেলা দুসাঁজৰ বাবে ৰাতিপুৱাই ধান বানি চাউল উলিয়াব লাগে, সেইবাবে ঘৰৰ জীয়ৰী-বোৱাৰীৰ দিনটোৰ প্ৰথম কাম হ'ল ঢেঁকীত ধান বনা। কোনোবা এঘৰত ঢেঁকী দিবলৈ আৰম্ভ কৰাৰ কেই মুহূৰ্তমানৰ ভিতৰতে গোটেই গাঁৱৰে ঢেঁকীবোৰ সৰৱ হৈ উঠি এটা নতুন দিনৰ আৰম্ভণি ঘোষণা কৰে। খেতিৰ বতৰত গাঁৱৰে জীয়ৰী-বোৱাৰীয়ে ঢেঁকী দিবলৈ ৰাতিপুৱা হ'বৰ কাৰণে বাট চাই নাথাকে। গধূলিতে ধান বানি পিছদিনাৰ কাৰণে চাউল উলিয়াই থয়। বিয়া-সবাহৰ সময়তো দিনৰ দিনটো, ৰাতিৰ ৰাতিটো ঢেঁকীৰ শব্দই গাঁৱৰ আকাশ-বতাহ তালফাল লগাই থাকে। কাৰণ এখন বিয়া বা এটা সবাহৰ বাবে জলপান তৈয়াৰ কৰা

...পূৰ্বতে বিহু বুলি ক'লেই ঢেঁকীৰ শব্দ। প্ৰতিঘৰৰ ঢেঁকীৰ শব্দই কঢ়িয়াই আনে বিভিন্ন উৎসৱৰ বতৰা। উৎসৱত গাঁৱৰ মহিলাই দিনে-ৰাতি সান্দহ, পিঠাগুৰি খুন্দাৰ জোৱাৰ তোলে...

হয়। কেৱল বিয়া-সবাহৰ বাবেই নহয় অসমীয়া মানুহে ৰাতিপুৱাৰ আহাৰ হিচাপে জলপানেই গ্ৰহণ কৰে। মেঘৰ গাজনি, গৰুৰ হেম্বেলনী, তাঁতৰ মাঁকোৰ খিট্‌খিটনি, গধূলি নামঘৰত দবা কোবোৱাৰ শব্দৰ দৰেই ঢেঁকীৰ শব্দও গাঁৱৰ মানুহৰ কাৰণে আছিল নিজৰ হৃদস্পন্দনৰ দৰেই চিৰ পৰিচিত, জীৱনৰ ছন্দৰ এটি অবিচ্ছেদ্য অংগ।

পূৰ্বতে বিহু বুলি ক'লেই ঢেঁকীৰ শব্দ। প্ৰতিঘৰৰ ঢেঁকীৰ শব্দই কঢ়িয়াই আনে বিভিন্ন উৎসৱৰ বতৰা। উৎসৱত গাঁৱৰ মহিলাই দিনে-ৰাতি সান্দহ, পিঠাগুৰি খুন্দাৰ জোৱাৰ তোলে। আগতে গাঁৱৰ কিছুমান লোকবিশ্বাসো পৰিলক্ষিত হয়। হয়তো পূব নতুবা দক্ষিণমুৱাকৈ ঢেঁকী পাতিছিল। প্ৰতিঘৰতে ঢেঁকী আছিল। উজনি অসমৰ লগতে জনজাতিসকলে ঢেঁকীত দিনত একো নকৰে বুলি বিশ্বাস আছিল আৰু আজিও আছে। ঢেঁকীত বনোৱা বস্তুৰ প্ৰকৃত সোৱাদ পোৱা যায়। আজিকালি ঢেঁকীৰ পৰিৱৰ্তে মেচিনৰ ব্যৱহাৰেই ৰোগৰ লক্ষণ বুলি মতপোষণ কৰে।

যাত্ৰাকালত ঢেঁকীৰ শব্দ বেয়া আৰু ভৰ দুপৰীয়া ঢেঁকীক জিৰণি দিয়া উচিত। দুপৰীয়া ঢেঁকীৰ শব্দই যমৰ মূৰত আঘাত দিয়া বুলি কয়। পুৰণি কামৰূপত মাঘবিহুত বৰষুণ দিয়াৰ বাবে উৰুকাৰ ৰাতি ঢেঁকী চুৰি কৰি ৰাস্তাত পুতিছিল। এই প্ৰথা এতিয়াও আছে। ফকৰা যোজনাত উল্লেখ আছে যে—

'বুঢ়া কঁঠালৰ মূঢ়া, জাকৰুৱা ঘৰলৈ ছোৱালী নিদিবা ঢেঁকীয়ে কৰিব বুঢ়া।'

মহাভাৰতৰ আদি ধৰ্মগুৰু নাৰদ মুনিৰ বাহন ঢেঁকী আছিল। আধুনিক প্ৰযুক্তিবিজ্ঞানে পুৰণি ককাদেউতাৰ কৃষ্টিৰ সলনি যি বস্তুৰ সৃষ্টি কৰিছে সেয়া যেন জনসমাজৰ ৰোগৰ ক্ষেত্ৰত বাহক হিচাপেহে পৰিলক্ষিত হৈছে। পিঠাগুৰি, সান্দহ, চিৰা আদি খুন্দিবলৈ বিভিন্নধৰণৰ মেচিন হ'বৰ বাবে মানুহে ঢেঁকীত পিঠা, চিৰা খুন্দিবলৈ এৰিলে। ঢেঁকীয়ে চিৰকাললৈ বিদায় ল'বলৈ ওলাইছে। তাৰ ঠাই ল'লে— ধানকলে।

# নীলমণি ফুকনৰ কবিতাত চিত্ৰকল্প

জাহ্নৱী বৰা

কবিতাত চিত্ৰকল্পৰ প্ৰয়োগে কবিতাসমূহক এক স্বকীয় ৰূপ প্ৰদান কৰে। কোনো-কোনো কবিৰ বেলিকা চিত্ৰকল্পৰ প্ৰয়োগ অতি বৈচিত্ৰ্যময়। তেনে কবিৰ বাবে চিত্ৰকল্পই কবিতাৰ ভাষা।

নীলমণি ফুকন যুদ্ধোত্তৰ কালৰ এগৰাকী অসাধাৰণ সাৰ্থক চিত্ৰকল্পবাদী কবি। ফুকনৰ কবিতাত চিত্ৰকল্পৰ প্ৰয়োগ বৈচিত্ৰ্যই এক বিশেষত্ব লাভ কৰিছে। ফুকনৰ সামগ্ৰিক কাব্য প্ৰকাশ যে চিত্ৰকল্প প্ৰধান আৰু চিত্ৰকল্পই যে তেওঁৰ কবি ব্যক্তিত্বক মহিমামণ্ডিত কৰি তুলিছে, ১৯৯৪ চনত সেই কথা তেওঁ স্বীকাৰ কৰিছিল এনেদৰে—'মোৰ কবিতা চিত্ৰকল্প প্ৰধান। ... চিত্ৰকল্পই মোৰ ভাষা, মোৰ ভাৱৰ বাহন।'

ফুকনৰ কবি কল্পনা যি চিত্ৰৰে অংকিত হয়, সি নানান উপাদানৰ সংযোগৰ কাৰণে তীব্ৰ ব্যঞ্জনাময় হোৱাৰ লগতে অসমীয়া জাতীয় চেতনাৰেও সি উদ্বেলিত। ফুকনৰ স্থিৰ চিত্ৰকল্পসমূহ নিথৰ, ক্ষয়হীন শিলৰ দৰে ৰৈ থাকে। প্ৰতিটো চিত্ৰকল্পৰ অনুষংগ আৰু সূচনা বেলেগ বেলেগ। এটা কবিতাৰ এনেকুৱা চিত্ৰকল্পৰ মাজত কোনো যোগসূত্ৰ নাথাকিলেও তাৰ আন্তঃধ্বনিয়ে গোটেই কবিতাটোকে মেৰাই মেৰাই বান্ধি ৰাখে। উদাহৰণস্বৰূপে ফুকনৰ এটা বহুচৰ্চিত কবিতালৈ আঙুলিয়াই দেখুৱাব পাৰি—

'কাহানিও নিনাদিত হৈ নুঠা কিছুমান শব্দৰ
হাতৰ এটা মুদ্ৰা
হে হৃদয়ৰ ভগা ডালত ওলমি থকা
গোলামী জামুৰ লগ্ন।' (আৰু কি নৈশব্দ)

নীলমণি ফুকনৰ চিত্ৰকল্পৰ প্ৰধান আধাৰ প্ৰকৃতি। প্ৰকৃতি আৰু নৈসৰ্গিক সত্ত্বাৰ আচল ৰূপটোৱে ফুকনৰ কবিতাৰ চিত্ৰকল্পসমূহৰ অধিকাংশক পোহৰাই ৰাখিছে। ফুকনৰ কবিতাৰ চিত্ৰকল্পত প্ৰাকৃতিক উপাদান সৰহ হোৱা হেতু কবিতাত বৰ্ণ বৈচিত্ৰ্যৰ পৰিমাণ লেখত ল'ব লগা বিধৰ। কবিৰ মানস চিত্ৰত ৰঙৰ প্ৰয়োগে পোহৰ আন্ধাৰ, চেঁচা-তপত, কোমল-কঠিন, হ্ৰস্ব-দীৰ্ঘ, জন্ম-মৃত্যু আৰু আনন্দ-বেদনাৰ অনুভূতিৰ সঞ্চাৰ কৰে।

'নীলা নীলা বুকু ভঙা গান', 'সময়ৰ অন্ধ বিবৰ্ণ নদী', 'আন্ধাৰ পাগলাদিয়া', 'কিন কিন হেঙুলীয়া' আদি ফুকনৰ অসাধাৰণ ৰঙানুভূতিৰ চিত্ৰকল্প।

নীলমণি ফুকনৰ আৰু কিছুমান চিত্ৰকল্প আছে, যিবোৰত বিমূৰ্ত অনুভূতিক চেতনাক মূৰ্ত ৰূপ দিয়াৰ প্ৰয়াস লক্ষ্য কৰা যায়। সাকাৰ ৰূপৰ স'তে অনুভূতিৰ কোনো সম্পৰ্ক নথকাকৈয়ে কবিয়ে প্ৰত্যয়দীপ্তভাৱে তাক প্ৰতিষ্ঠা কৰিব পাৰে। উদাহৰণস্বৰূপে-

'হাতত খোলা তৰোৱাল লৈ আহিবা

বেদনা যি তৰোৱালৰ ধাৰ।'


—ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে

ইয়াত বেদনাক তৰোৱালৰ ধাৰলৈ পৰ্যবসিত কৰি বেদনাৰ মাত্ৰা নিৰ্ধাৰণ কৰাই নহয়, গোটেই কবিতাটোৰ কেন্দ্ৰীয় ভাৱ হিচাপে সি পৰিগণিত হৈছে।

আধুনিক অসমীয়া কবিতাৰ বিকাশৰ কালত চিত্ৰকল্পই বিশেষ ভূমিকা লোৱা পৰিলক্ষিত হয়। চিত্ৰকল্পৰ দ্বাৰা আধুনিক কবিতাত জীৱন, জগত আৰু প্ৰকৃতিৰ বিচিত্ৰ ৰূপৰ প্ৰাঞ্জল প্ৰকাশ সম্ভৱ হৈ উঠে।

নীলমণি ফুকন যি সময়ত কবিৰূপে প্ৰতিষ্ঠিত হৈছিল, সেই সময়ত অসমীয়া কাব্য-সাহিত্যত চিত্ৰকল্পবাদৰ প্ৰাচুৰ্য নাছিল, জনপ্ৰিয়তা নাছিল। ফুকন আধুনিক অসমীয়া কবিতাৰ চিত্ৰকল্পবাদী আন্দোলনটোৰ গুৰি ধৰোঁতা আছিল। ড° মহেন্দ্ৰ বৰাই এজৰা পাউণ্ডৰ কাব্যাদৰ্শত প্ৰতিফলিত চাকনৈয়াবাদৰ প্ৰভাৱ ফুকনৰ কবিতাত আছে বুলি মন্তব্য কৰিছে। কিন্তু নৃত্যৰতা পৃথিৱীৰ পিছত ৰচিত কবিতাসমূহৰ চিত্ৰকল্প অতি বেছি স্বাভাৱিক আৰু সাৱলীল। ফুকনৰ শেহতীয়া কাব্যগ্ৰন্থ 'অলপ আগতে আমি কি কথা পাতি আছিলোঁ' শিৰোনামতে আৰু আংগিক প্ৰকাশতে এই কথা প্ৰতিপন্ন হৈছে।

■■



# ছ'চিয়েল মিডিয়াৰ প্ৰভাৱ



কল্যাণ শইকীয়া

সময় পৰিৱৰ্তনশীল। তাৰ লগে-লগে আমাৰ মন আৰু মাধ্যম পৰিৱৰ্তন হৈছে। আগতে যিকোনো খবৰ ৰেডিঅ', টেলিভিচন আৰু বাতৰি কাকতৰ যোগেদি পাওঁ। কিন্তু আমাৰ মাধ্যম পৰিৱৰ্তন হোৱাৰ পৰা আমি ছ'চিয়েল মিডিয়াৰ পৰাহে খবৰ পাওঁ। আমাৰ হাতে হাতে ম'বাইল ফোন হোৱাৰ পৰা, যিকোনো ঘটনা অতি কম সময়ৰ ভিতৰত ছ'চিয়েল মিডিয়াৰ সহায়ত জানিব পাৰোঁ। ফেচবুক, হোৱাট্চএপ, টুইটাৰ আদিৰ জৰিয়তে সোনকালে আমি খবৰবোৰ পাওঁ। যিকোনো সময়ত ইয়াক ব্যৱহাৰ কৰিব পাৰোঁ।

ছ'চিয়েল মিডিয়াৰ ভাল আৰু বেয়া দুটা দিশ দেখা পোৱা যায়। ইয়াৰ ব্যৱহাৰে আমাক বহুতো ক্ষেত্ৰত ভাল কৰিছে আৰু বহু ক্ষেত্ৰত বেয়া কৰিছে। ছ'চিয়েল মিডিয়াৰ জৰিয়তে আমি ভাল দিশবোৰ ব্যৱহাৰ কৰিব লাগে আৰু সঠিকভাৱে প্ৰয়োগ কৰি উন্নতি আনিব লাগে। বৰ্তমান নৱ প্ৰজন্মই ইয়াৰ ব্যৱহাৰৰ প্ৰতি অতি আকৰ্ষিত হোৱা দেখা যায়। ইয়াৰ অবিহনে বেছি সময় অতিবাহিত কৰিব নোৱাৰা হৈছে। আমি অতি কম সময়ৰ ভিতৰতে ভিডিঅ', অডিঅ' পঠিয়াই সকলো লোককে দিব পাৰোঁ। হোৱাট্চএপ আৰু ফেচবুকৰ দ্বাৰা ভিডিঅ' বিলাক কম সময়ৰ ভিতৰতে ভাইৰেল কৰি বিশ্বৰ সকলো ঠাইলৈ পঠিয়াব পাৰি আৰু এই ভিডিঅ'বোৰে কেতিয়াবা ব্যাপক প্ৰভাৱ পেলোৱা দেখা যায়।

ছ'চিয়েল মিডিয়াৰ নেতিবাচক আৰু ইতিবাচক দুটা দিশ আছে। ইয়াৰ ব্যৱহাৰৰ ওপৰত পুলিচ প্ৰশাসনে কঠোৰ দৃষ্টি ৰাখিছে যদিও আমি কেনেকৈ ইয়াক ব্যৱহাৰ কৰোঁ সেইটো লক্ষণীয় হ'ব। কিছুসংখ্যক লোকে ইয়াৰ বেয়া ব্যৱহাৰ কৰিলেও, কিছুমান লোকে ইয়াক ভাল দিশ আৰু জ্ঞানৰ বাবে ব্যৱহাৰ কৰা দেখা যায়। প্ৰায় ৮৫% মানুহে এই ছ'চিয়েল মিডিয়াৰ পৰা লাভান্বিত হৈছে।

প্ৰধানকৈ ফেচবুক আৰু হোৱাট্চএপে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। ২০০৮ চনৰ পৰাই অৰ্থাৎ ফেচবুক জন্ম পোৱাৰ পৰা গাঁও-চহৰ আদিত ইয়াক প্ৰচাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰি আহিছে। কিছুবছৰৰ পৰা বেছিভাগ খবৰ ছ'চিয়েল মিডিয়াৰ যোগেদিহে লাভ কৰিছোঁ। সংবাদ মাধ্যমসমূহে ছ'চিয়েল মিডিয়াৰ পৰাহে খবৰ লাভ কৰে। ছ'চিয়েল মিডিয়া বৰ্তমান যুৱ প্ৰজন্মৰ এক অন্তৰংগ বন্ধুৰ দৰে হৈ যেন পৰিছে। ইয়াৰ অবিহনে জীয়াই থকা কঠিন, তাক বিভিন্ন দিশৰ পৰা দেখা যায়। ছ'চিয়েল মিডিয়াৰ যোগেদি দূৰত থকা পুতেক-জীয়েকৰ খবৰ পিতৃ-মাতৃয়ে সংযোগ স্থাপন কৰিব পাৰে। ৰাজনৈতিক নেতাবোৰে ভিডিঅ'ৰ যোগেদি সভা-সমিতিৰ ভাষণ দেখুৱায়। বৰ্তমান কিছুমান দুষ্টচক্ৰই ইয়াৰ বেয়া ব্যৱহাৰ কৰি সমস্যা সৃষ্টি কৰা দেখা যায়। গতিকে প্ৰশাসনে কঠোৰ দৃষ্টি ৰাখিব লাগে যাতে ইয়াৰ পৰা কোনো সমস্যাৰ সৃষ্টি নহয়।

কিছুমান লোকে ছ'চিয়েল মিডিয়াৰ যোগেদি ভুৱা তথ্য দি জনসাধাৰণক বিপথে পৰিচালিত কৰিছে। সেই বাবে আমি সকলোৱে সচেতন হোৱা উচিত আৰু ভাল ব্যৱহাৰৰ যোগেদি প্ৰতিযোগিতামূলক ক্ষেত্ৰখনত আগবাঢ়ি যাব লাগে।

# মাধৈমালতীৰ সুবাস

জুলি গোঁহাই নেওগ, সহকাৰী অধ্যাপিকা, উদ্ভিদ বিজ্ঞান বিভাগ
প্লাবিতা বৰা, ডি.বি.টি. হাব



(ক) 'কাৰ জানো পৰশত ফুলি উঠে মোৰ
মাধৈমালতীৰ পাহি।'
(খ) "হালিছে জালিছে মাধৈমালতী
বতাহে চুমিছে পাহি।'

আজি প্ৰায় দুবছৰৰ আগৰ কথা। কোমল বৰদৰ মাজতে ফাগুনৰ পছোৱা বতাহে হঠাৎ তীব্ৰ সুগন্ধি বিলাই দিলে। কলেজৰ ব্যস্ততাৰ মাজতে মনটো পুলকিত হৈ পৰিল। আমি কেইজনমান ছাত্ৰ-ছাত্ৰীৰ সৈতে অনুসন্ধান কৰিলোঁ, এই সুবাস ক'ৰ পৰা আহিল তেনেতে সোণোৱাল দাদাই ক'লে— "বাইদেউ এইয়া মাধৈমালতী গোন্ধাইছে। সৌ জোপা, এইবাৰ প্ৰথম ফুলিছে, আমি সৰুতে হাবিত গৰু চৰাঁওতে মাধৈমালতীৰ গুটিবোৰ শিলত ভাঙি খাইছিলোঁ", তেতিয়াহে কলেজ চৌহদৰ বাগিছাত থকা মাধৈমালতী গছজোপালৈ আমাৰ দৃষ্টি নিবন্ধ হ'ল। দেখিলোঁ গছজোপাত ডাল ভৰি ভৰি বগা মাখন-হালধীয়া ৰঙী অনেক ফুলৰ থোপা। তাতে আকৌ চিত্ৰ-বিচিত্ৰ ৰঙৰ পখিলা, নানা প্ৰজাতিৰ কীট-পতঙ্গৰ অহা যোৱা, অতি ব্যস্ত, কাৰো কালৈকো চাবৰ সময় নাই। এটা ফুলৰ থোপাৰ পৰা আন এটা থোপালৈ খৰখেদাকৈ উৰিছে আৰু পাৰে মানে মৌ চুহিছে যেন সিহঁতৰ অৱস্থা 'অধিক মাছত বগলী কণা'। কি যে আমোদজনক পৰিবেশ, অপূৰ্ব দৃশ্য। আমি আমোলমোল গোন্ধকে ল'ম নে, পখিলাকে চাম, নে মৌমাখি আৰু ভোমোৰাৰ গুণগুননি শুনিম। ছাত্ৰ-ছাত্ৰী সকল আলোকচিত্ৰ তোলাত ব্যস্ত হৈ পৰিল, আমিও অনুভৱ কৰিলোঁ মাধৈমালতীৰ সুবাসে কীট-পতঙ্গৰ বৈচিত্ৰ্যতাক কেনেদৰে একগোট কৰিব পাৰে।

অতীজত অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ হাবি বননিত যথেষ্ট পৰিমানে মাধৈমালতীৰ গছ পোৱা গৈছিল। বৰ্তমান সময়ছোৱাত উজনি অসমৰ গোলাঘাট, মৰাণহাট, ডিব্ৰুগড়, ধেমাজি, লক্ষীমপুৰ আদি ঠাইত চেগা- চোৰোকৈহে পোৱা যায় বুলি জানিব পাৰিছোঁ যদিও বনাঞ্চল ধ্বংসযজ্ঞৰ ফলত অদূৰ ভৱিষ্যতে এই সুগন্ধি উদ্ভিদ প্ৰজাতিটো লুপ্তপ্ৰায় উদ্ভিদ ৰূপে পৰিগণিত হ'ব পাৰে।

তাহানিৰে পৰা অসমৰ লোকসংস্কৃতিত মাধৈমালতী ফুলে বিশেষভাৱে স্থান পাই আহিছে—

'মাধৈতেল ঘহিলোঁ
সেওঁতা ফালিলোঁ,
মোলান দৈ, আহা যাওঁ
বিহু মাৰোঁগৈ।'



পুৰণি দিনত অসমীয়া গাভৰুৱে বিহুনামত উল্লেখ কৰাৰ দৰে মাধৈমালতী ফুলৰ পৰা সুগন্ধি 'মাধৈতেল' তৈয়াৰ কৰিছিল। ঘৰতে নাৰিকলৰ পৰা তেল উলিয়াই, সেই তেলত ১০-১২ দিনমান মাধৈমালতীৰ ফুলবোৰ ডুবাই থৈছিল। এনেদৰে থোৱা তেল সুগন্ধি হোৱাৰ পাছত চেকি লৈ চুলিত ঘহিছিল। এই তেল একমাত্র বিহু মাৰিবলৈ যাওঁতে ব্যৱহাৰ কৰাই নহয়, বিয়া সবাহলৈ যাওঁতেও এই গোন্ধতেল ঘঁহি পৰম সন্তোষ লভিছিল বুলি জনা যায়।

হুচৰি পদত মাধৈমালতীৰ উল্লেখ এনেকৈ পোৱা যায়—

'মাধৈমালতী ফুল চালত শুকায়
হুঁচৰি গাঁওতে ৰাতি পুৱায়'।

শুনামতে আগৰ দিনত অসমৰ ঠাইবিশেষে মনমতলীয়া কৰা সুগন্ধিৰ বাবেই মাধৈমালতী ফুল ঘৰৰ চালত থৈছিল। আধুনিক গীতত মাধৈমালতীৰ সুগন্ধিৰ বিষয়ে উল্লেখ আছে।


'মাধৈমালতী খৰিকাজাঁই
কেতেকী, যুতি মলেমলাই।'

মোৰ আয়ে হেনো লক্ষীপথাৰৰ হাবিতলীয়া পথেৰে পঢ়াশালি লৈ যাঁওতে পথৰ দাঁতিৰ মাধৈমালতী এজোপাৰ ওচৰত লাহে লাহে খোজ দিছিল, কাৰণ মাথো এটাই আছিল 'মাধৈমালতীৰ সুবাস'।

বিহুগীতটো মাধৈমালতী ফুলে এক সৌন্দৰ্যময়ী ৰূপত ধৰা দিছে। কোনোৱা বিহুৱা প্ৰেমিকে তেওঁৰ প্ৰেমিকা মাধৈমালতীক লৈ এইদৰে গাইছে—

'মা.... ধৈ......... মালতী
আহা নাচি নাচি........ মাধৈ........ মালতী
নাচা ঘূৰি ঘূৰি মাধৈ........... মালতী
..............................................
..............................................
..............................................
যেনেবা বাঁহীৰ মাত মাধৈমালতী
যেনেবা পেঁপাৰ মাত মাধৈমালতী
মোৰ হিয়াৰ পথাৰত বাজে মাধৈমালতী।

প্ৰণালীবদ্ধ উদ্ভিদবিজ্ঞান (taxonomy) অনুসৰি মাধৈমালতীৰ বৈজ্ঞানিক নাম হ'ল *Stixis suaveolens (Roxb.) pierre*, ইংৰাজীত 'fragrant capper vine' নামেৰে জনা যায়। Capparaceae গোত্ৰৰ অন্তৰ্গত ই এবিধ চিৰহৰিৎ, বহুৰ্বৰ্ষী, ডাঙৰ, কাষ্ঠল; বনৰীয়া আৰোহী লতা, শাখা প্ৰশাখা মেলি বহল হৈ আন গছত বগাই যায়। প্ৰায় ৪৪-৫৫ বছৰ জীয়াই থকা, ১০-১৭ মিটাৰ পৰ্যন্ত ওখ হোৱা লতা ডালত সৰু সৰু বগা ফুটফুটীয়া দাগ থাকে। পাত সৰল, একান্তৰ, অধোমুখ ডিম্বাকাৰ, আয়তাকাৰ বা আয়তাকাৰ-বল্লমাকাৰ, গুৰি অংশ অৰ্ধ-সুক্ষ্মাগ্ৰ, আগ অংশ অৰ্ধ-কুশাগ্ৰ, চৰ্মযুক্ত নিমজ, ফলকত ১০-১২ ডাল সিৰা থাকে। পাতৰ জোখ প্ৰায় ২৩x১০ ছেঃ মিঃ। পুস্পবিন্যাস কাক্ষিক বা অধিকাক্ষিক, ৰেচিম বা অগ্ৰিম পেনিকল। ফুল মখমলৰ দৰে কোমল, সমানে দীঘল-বহল, গোলাকাৰ, প্ৰায় ১.৩-২.১ ছেঃমিঃ, তীব্ৰ সুগন্ধি, প্ৰায় ৫-৮ দিনলৈকে সজীৱ হৈ থকা ফুলবোৰ ফেব্ৰুৱাৰী মাহৰ তৃতীয় সপ্তাহৰ পৰা এপ্ৰিল মাহৰ প্ৰথম সপ্তাহটোলৈকে ফুলে। ফল দীৰ্ঘবৃত্তজ বা অধোমুখ ডিম্বাকৃতিৰ, খহটা, সেউজীয়া-বগা ফুটফুটীয়া, প্ৰায় ৩.৩x৩.১ ছেঃমিঃ জোখৰ ফলবোৰ চেপ্তেম্বৰ-অক্টোবৰ মাহত পৈণত হৈ কমলা মুগা বৰণৰ হয়। ফলৰ বাকলি



কণীৰ চেকোৰাৰ দৰে একৰাব পাৰি। ফলৰ শাহ অংশ খোৱাৰ বাবে উপযুক্ত, বালিয়া, মিঠা সুগন্ধিযুক্ত। চৰাই-চিৰিকতি আৰু কেৰ্কেটুৱাৰ প্ৰিয় খাদ্য। অমৰাৰ দৰে ফলৰ গুটি ডাঙৰ, শাহ অংশ কম। লমালমে লগা ফলবোৰৰ পৰা অতি সহজতে বহু সংখ্যক পুলি গজা দেখা যায়।

উদ্ভিদ ৰাসায়নিক বিশ্লেষণ (phytochemical analysis) ৰ দ্বাৰা মাধৈমালতী ফলত একালইয়দ (alkaloids), টেনিন (tannins), ফ্লেভ'নইয়দ (flavonoids), কাৰ্বহাইড্ৰেট (carbohydrates), প্ৰটিন (Proteins), গ্লাইক'চাইড্ (glycosides), কৌমাৰিন (coumarins), তেল (oil), চেপ'নিন (saponins) আদি উপাদানসমূহ পোৱা গৈছে। পুৰণি দিনৰ মাধৈতেলৰ উৎস, এনেহেন গুণবিশিষ্ট গছজোপা আমাৰ মহাবিদ্যালয়ৰ চৌহদত থাউতকে পোৱাটো আমাৰ বাবে ভাগ্যৰ কথা যেন মোৰ অনুভৱ হয়। সেয়েহে লুপ্ত প্ৰায় হ'বলৈ ধৰা এই উদ্ভিদ প্ৰজাতিটোৰ সংৰক্ষণ আৰু বংশবৃদ্ধি হোৱাত আমি নিশ্চয় অৰিহণা যোগাব পাৰো। তাৰবাবে মহাবিদ্যালয় চৌহদত থকা ওখ বহুবৰ্ষী গছসমূহৰ তলত মাধৈমালতীজোপাৰ উঠি অহা পুলিবোৰ ৰোপন কৰি অলপ সাৰপানী দিলেই লহপহকৈ বাঢ়িব আৰু প্ৰায় ৯-১০ বছৰৰ মূৰত নিশ্চয় ফুলেফলে জাতিস্কাৰ হৈ ফাগুনৰ সৈতে হাতে হাত মিলাই মহাবিদ্যালয় চৌহদত নতুন প্ৰজন্মৰ মাজত দেহ-মন শাঁত কৰা সুবাসেৰে নিজৰ পৰিচয় দাঙি ধৰিব— "মই মাধৈমালতী"এই সুবাসৰ আকৰ্ষণত দূৰৈৰ অলেখ পোক পতঙ্গ, পখিলা, ভোমোৰাই ফুলৰ থোপাত জুম বান্ধি এটা অপূৰ্ব দৃশ্যৰ অৱতাৰণা কৰিব।


সহায়ক গ্ৰন্থপঞ্জীঃ

১) **'অসমৰ গছ-গছনি দ্বিতীয় খণ্ড'**, আনন্দ চন্দ্ৰ দত্ত, অসম বিজ্ঞান সমিতি

২) **'Plant Diversity of Assam'** A checklist of Angiosperms & Gymnosperms, Dr. Chandra Barooah & Iftikher Ahmed ASTEC

৩) **'মাধৈমালতী'** ভাৰত সন্দিকৈ, আমাৰ অসম পৰিপূৰিকা, সপ্তাহান্তিক ১০ ডিচেম্বৰ, ২০১১


■■

# এক স্মৰণীয় ভ্ৰমণ কাহিনী

দেৱযানী গগৈ

অসম চৰকাৰ আৰু ৰাজস্থান চৰকাৰৰ এটি সিদ্ধান্ত মৰ্মে অসমৰ মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাজস্থানৰ জয়পুৰ আৰু ৰাজস্থানৰ মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে অসম ভ্ৰমণৰ এক সুবিধা লাভ কৰিছিল। এই ভ্ৰমণৰ বাবদ উভয় ৰাজ্যৰ ৰাজ্যিক চৰকাৰে নিজৰ ৰাজ্যৰ মহাবিদ্যালয়সমূহলৈ এক নিৰ্দিষ্ট পৰিমাণৰ পুঁজি তথা আৰ্থিক অনুদান আগবঢ়াইছিল। লক্ষীমপুৰ জিলাৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে পৰিচিত আমাৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনেও এই জয়পুৰ ভ্ৰমণত অংশ গ্ৰহণৰ সুবিধা লাভ কৰিছিল আৰু এই মহাবিদ্যালয়ৰ স্নাতকবৰ্ষৰ ৰাজনীতি বিভাগৰ এগৰাকী ছাত্ৰী হিচাপে ময়ো এই ভ্ৰমণত অংশগ্ৰহণৰ সুযোগ লাভ কৰোঁ।

যোৱা ইংৰাজী ২০১৮ বৰ্ষৰ অক্টোবৰ মাহৰ পাঁচ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক দিগন্ত শইকীয়া ছাৰ, অৰ্থনীতি বিভাগৰ অধ্যাপিকা ৰুমী দত্ত বাইদেউ আৰু গাৰ্হস্থ্য বিজ্ঞান বিভাগৰ অধ্যাপিকা স্বপ্না দত্ত বাইদেউৰ নেতৃত্বত স্নাতক বৰ্ষৰ প্ৰায় বিশজন ছাত্ৰ-ছাত্ৰীয়ে আমাৰ জিলাৰ ৰে'ল ষ্টেচন নকাড়ীৰ পৰা ৰাতি প্ৰায় ১০-৪৫ বজাত লাচিত এক্সপ্ৰেছেৰে জয়পুৰ শিক্ষামূলক ভ্ৰমণ যাত্ৰা আৰম্ভ কৰোঁ। ৬ অক্টোবৰ, ২০১৮ তাৰিখে পুৱা প্ৰায় ৫-১৫ বজাত আমি ৰঙিয়া জংচনত উপস্থিত হওঁ। ৰঙিয়াৰ জংচনতেই আমি প্ৰাতঃকৰ্ম কৰি পুৱাৰ আহাৰ গ্ৰহণ কৰিলোঁ। প্ৰায় ১১-৪৫ বজাত পুনৰ বিকানেৰী এক্সপ্ৰেছেৰে জয়পুৰ অভিমুখে ৰাওনা হ'লোঁ। ৮ অক্টোবৰ, ২০১৮ তাৰিখে পুৱা প্ৰায় ৩-০০ বজাত আমি জয়পুৰত উপস্থিত হ'লোঁগৈ। সকলো জিৰণি ল'বৰ বাবে জয়পুৰৰ পঞ্চতাৰকা হোটেল মংগললৈ গ'লোঁ। তাৰ পিছত এখন হোটেলত খাদ্য গ্ৰহণ কৰি জয়পুৰ অৰ্থাৎ পিংক চিটি ভ্ৰমণৰ উদ্দেশ্যে এখন বাছত উঠি আমি জয়পুৰ অভিমুখে যাত্ৰা আৰম্ভ কৰিলোঁ। এই ভ্ৰমণত আন এজন ব্যক্তি আমাৰ এই ভ্ৰমণকাৰী দলৰ সদস্য হৈ পৰিছিল। তেওঁৰ

নাম আছিল ধাৰা গুজৰাল। তেওঁ অতি সহজে আমাৰ হিন্দীভাষাত পিংক চিটিৰ সকলোবোৰ ঐতিহ্যমণ্ডিত স্থানৰ যথাৰ্থ জ্ঞান দিছিল। আমি পিংক চিটি দৰ্শন কৰা ঐতিহ্যমণ্ডিত স্থানবোৰ আছিল-বিখ্যাত বিৰলা মন্দিৰ, হনুমান মন্দিৰ, চিটিগেট, চিটি পেলেচ, হাৱামহল, জল মহল, যন্তৰ-মন্তৰ, চীজমহল, জয়পুৰ মিউজিয়াম ইত্যাদি। এই স্থানসমূহ দৰ্শনৰ পাছত এখন হোটেলত আমি সকলোৰে আহাৰ গ্ৰহণ কৰিলোঁ আৰু তাৰ পাছত সকলোৰে বজাৰ কৰিলোঁ। জয়পুৰৰ বজাৰৰ এক আকৰ্ষণীয় বস্তু আছিল এশ গ্ৰাম ওজনৰ লেপ। এই লেপখনে ৰাজস্থান ৰাজ্যখনৰ লগতে সমগ্ৰ দেশতে অতি সমাদৰ লাভ কৰিছিল। এই লেপখন ৰজাদিনীয়া লেপ হিচাপে ৰাজ্যবাসীৰ মাজত বেছিকৈ সমাদৰ তথা মানুহৰ মাজত অতিকৈ প্ৰচলন হৈ আহিছে। ১০ অক্টোবৰ, ২০১৮ তাৰিখে পুৱা প্ৰায় পাঁচ বজাত আমাৰ দেশৰ ৰাজধানী নতুন দিল্লীলৈ এখন বাছেৰে ৰাওনা হ'লোঁ আৰু প্ৰায় ১০-১৫ বজাত আমি নতুন দিল্লীত উপস্থিত হ'লোঁ। উল্লেখনীয় যে আমাৰ এই ভ্ৰমণকালত কেৱল জয়পুৰলৈকেহে আছিল। কিন্তু ভ্ৰমণযাত্ৰাত অংশ গ্ৰহণ কৰা সমূহ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ পৰা সংগৃহীত অতি সামান্য পুঁজিৰে এই দিল্লী ভ্ৰমণৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। নতুন দিল্লীত উপস্থিত হোৱাৰ ঠিক অলপ সময়ৰ পাছতেই প্ৰায় ১২-০০ বজাত আমি নতুন দিল্লী ভ্ৰমণৰ বাবে ৰাওনা হ'লোঁ। নতুন দিল্লীত আমি দৰ্শন কৰা বিখ্যাত কীৰ্তি চিহ্নসমূহ আছিল-বিখ্যাত পদুম ফুলৰ মন্দিৰ, ইন্দিৰা গান্ধী সংগ্ৰহালয়, ইণ্ডিয়া গেট, কুটুবমিনাৰ ইত্যাদি আৰু এই সমূহ কীৰ্তি চিহ্ন তথা ঐতিহ্যমণ্ডিত ঠাই দৰ্শন কৰি আহি সকলোৰে অলপ সময় বিশ্ৰাম লৈ, মেট্ৰ' ট্ৰেইনেৰে বিখ্যাত সৰোজিনী বজাৰলৈ গ'লোঁ। এই সৰোজিনী বজাৰতেই সকলোৰে ঘৰলৈ বুলি দুই-এপদ বস্তু কিনিলোঁ।

পিছদিনা পুৱা প্ৰায় ৫-০০ বজাত আমি নতুন দিল্লীৰ ৰে'ল ষ্টেচন পালোহি আৰু নিৰ্দিষ্ট সময় অনুসৰি ৰাজধানী এক্সপ্ৰেছেৰে অসম অভিমুখে আমাৰ উভতনি যাত্ৰা আৰম্ভ কৰিলোঁ। ১১ অক্টোবৰ, ২০১৮ তাৰিখে নিশা আমি পুনৰ ৰঙিয়াত উপস্থিত হ'লোঁহি। তাৰ পিছদিনা ১২ অক্টোবৰ, ২০১৮ তাৰিখে পুৱা প্ৰায় ৫-০০ বজাত আমি লক্ষীমপুৰৰ ৰে'ল ষ্টেচন পালোহি। এনেদৰেই ভিন্নধৰণৰ বাস্তৱ অভিজ্ঞতাৰ অন্তত আমাৰ জয়পুৰ ভ্ৰমণৰ কাৰ্যসূচীৰ অন্ত পৰিল।

এই ভ্ৰমণযাত্ৰাত আমাৰ সঘনে দৃষ্টিগোচৰ হোৱা নতুন দিল্লীৰ অৰ্থাৎ দেশৰ ৰাজধানীৰ ৰাজপথৰ এক কৰুণময় তথা অতিকৈ দুখলগা দৃশ্য যি আজিও মোৰ দৃশ্যপটত ভাঁহি আছে। সেয়া নহয় কোনো দুৰ্ঘটনাৰ দৃশ্য, সেয়া আছিল ৰাজপথত ভীক্ষাৰ পাত্ৰ লৈ দুই-এটকাৰ ভীক্ষা মাগি ফুৰা বহুতো কমবয়সীয়া শিশু। আমাৰ দেশৰ সংবিধানে দেশৰ সকলো জনগণকে প্ৰাথমিক শিক্ষাৰ অধিকাৰ প্ৰদান কৰিছে। ছয়ৰ পৰা চৌধ্য বছৰ বয়সৰ সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদানৰ বিধান দিছে। তৎস্বত্ত্বেও দেশখনৰ ৰাজধানীৰ ৰাজপথত এনে দৃশ্য সঁচাই দুখজনক। এই কণমানি দৰিদ্ৰ, গৃহহীন, পিতৃ-মাতৃহাৰা শিশুসকলৰ সুৰক্ষাৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা হাতত লোৱা উচিত। কিয়নো তেওঁলোক একোজন দেশৰ বৰ্তমান সময়ৰ শিশু আৰু ভৱিষ্যতে দেশৰ হ'বলগা একো একোজন নাগৰিক।

সি যি কি নহওক, এই জয়পুৰ ভ্ৰমণযাত্ৰা আমাৰ বাবে সদায় স্মৰণীয় হৈ থাকিব। এই যাত্ৰাই আমাক বহুতো জ্ঞান-অভিজ্ঞতা প্ৰদান কৰিলে। আমাৰ সকলোৰে মনত সহজতে উদ্ভৱ হৈছিল এক ভ্ৰান্ত ধাৰণা, যিটো আছিল ৰাজস্থান মানে মৰুভূমি। এই ধাৰণাক মনৰ পৰা আঁতৰ কৰিছিল-এই জয়পুৰ শিক্ষামূলক ভ্ৰমণে। অসম চৰকাৰ আৰু ৰাজস্থান চৰকাৰক এনেধৰণৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ বাবে অত্যন্ত ধন্যবাদ জনাইছোঁ। সদৌ শেষত এই ভ্ৰমণযাত্ৰাত মোক অংশ গ্ৰহণৰ যি সুবিধা এই লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ে প্ৰদান কৰিলে, তাৰবাবে মই সদায় এই মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

■■

# Guru Ghasidas Vishwavidyalaya Bilaspur, India-495009

*(A central university established under the central Universities Act, 2009 No 25 of 2009)*

মৰমী গোহাঁই, সহকাৰী অধ্যাপিকা, ৰসায়ন বিজ্ঞান বিভাগ



ইংৰাজী ২০১৪ চনৰ নৱেম্বৰ মাহত চত্তীশগড় জিলাৰ বিলাসপুৰৰ, কৌনীত অৱস্থিত গুৰু ঘাচীদাস কেন্দ্ৰীয় বিশ্ববিদ্যালয়লৈ Academic Staff College য়ে অনুষ্ঠিত কৰা 12th Orientation Programme ত অংশ গ্ৰহণ কৰিবলৈ আমাৰ মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত দিগন্ত গগৈ আৰু মই ৰাওনা হওঁ। পুৱা ৫ বজাত চত্তীশগড় ৰেলষ্টেচনৰ পৰা এখন অ'ট ভাড়া কৰি গুৰু ঘাচীদাস বিশ্ববিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰত উপস্থিত হওঁ। সকলো নথি পত্ৰ পৰ্যালোচনা কৰাৰ পাচত চালকজনক সকলোখিনি বুজাই Academic Staff College লৈ যাবলৈ অনুমতি প্ৰদান কৰে। মূলপ্ৰৱেশদ্বাৰত সুমাই মনত বৰ আনন্দ আৰু নিৰ্ভয় অনুভৱ কৰিলো কিয় জানো? প্ৰৱেশদ্বাৰৰ পৰা বগা আইনাৰ ভিতৰত এজন ধ্যানমগ্ন আধ্যাত্মিক গুৰুৰ প্ৰতিমূৰ্তি বিজুলী বাতিৰ পোহৰত উজ্বল কৈ জিলিকি আছে আমি মোৰ দোঁৱাই সেঁৱা জনালো ক'ব নোৱাৰাকৈ। নিৰ্দিষ্ট স্থানত উপস্থিত হোৱাৰ পাছত অকলশৰীয়াকৈ সকলো সুবিধাৰে আটক ধুনীয়া এটা কোঠাত সোমালো। লগে লগে অন্য প্ৰশিক্ষাৰ্থী সকলে চিনাকী হ'বলৈ আগবাঢ়ি আহিল। মনত দুখ লাগিবলৈ সময়েই নাপালে। পুনৰ একে লগে সকলে পুৱাৰ আহাৰ গ্ৰহণ কৰিবলৈ গ'লো। তাৰ পাছত ৭ বজাৰ পৰা Registration আৰম্ভ হ'ল। ৪০ জন প্ৰশিক্ষাৰ্থী গোট খাই চিনা পৰিচয় হ'লো।

চত্তীশগড় জিলাৰ পৰা প্ৰায় ৫ কিলোমিটাৰ দূৰত্বত বিলাসপুৰৰ কৌনীত

গাঁৱৰ পৰিবেশত গুৰু ঘাচীদাস কেন্দ্ৰীয় বিশ্ববিদ্যালয়খন অৱস্থিত। ১৭শ শতিকাৰ (১৭০৬-১৮৫০) এজন বৈষ্ণৱ সন্ত গুৰুৰ প্ৰতিভক্তি জনাই বিশ্ববিদ্যালয়খনিৰ নামকৰণ কৰা হয়। সাধাৰণ জনতাই তেখেতক ভগৱান ৰূপে জ্ঞান কৰে। দেখাত আমাৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰ গুৰুৰ লগত মিল দেখা যায়। পিন্ধনত বগা ধুতি, গাত বগা চেলেং চাদৰ, চুলি মেলা আৰু অলপ দীঘল দাড়িৰে ধ্যানমগ্ন এক প্ৰতিমূৰ্তি। প্ৰতিমূৰ্তিৰ পৰাই চাৰিওফালে চাৰিটা পথ বিভক্ত হৈ বিশ্ববিদ্যালয়ৰ চৌপাশ পৰ্যন্ত বিয়পি আছে। মূলপ্ৰৱেশদ্বাৰত এখন ফলক ডাঙৰকৈ লিখা আছে— "নিৰামিষ আহাৰ", ৰাগিয়াল বস্তু, তামোল-পান আদি সকলো কেম্পাচৰ ভিতৰত বন্ধ।

GGU Chancellor- Dr Ashok Ganjanan Modak

Vive Chancellor- Anjila Gupta

Campus- Rural

Affilation- UGC

Website- www.ggu.ac.in

Area- 700 acres (2.8 km²), 5 Kilometers from main Bilaspur Town. River Arpa runs parallel to the university campus.

Location : Bilaspur, Chhattisgarh, India

Year- 16th June 1983

NAAC- +B

Total faculty- 232; Total enrollment 3,511 (2019)

Rank- 151-200

The Main Academic Divisions of GGU

1. Anthropology & Tribal Development, 2. Biotechnology, 3. Botany, 4. Chemistry, 5. Commerce, 6. Computer Science and IT, 7. Economics, 8. Edudaction, 9. English, 10. Forensic Science, 11. Forestry, Wild life & Environment Science, 12. Hindi, 13. History, 14. Institute of Technology, 15. Journalism & Mass Communication, 16. Law, 17. Library & information science, 18. Management, 19. Pharmacy, 20. Physical Education, 21. Pure and applied Mathematics, 22. Pure and applied physics, 23. Political science and public administration, 24. Rural Technology, 25. Social Work, 26. Zoology.

Residential Students Halls : GGV is a non residential Institution. 2 hostels for boys and 1 (one) for girl. Hostels have facilities as vegetarian mess, gymnasium, play ground, reading room, T.V. room etc. There is internet facility room. They have a good academic environment of students faculty members of university act as warden for supervision.

Library :

Central library of GGV have 10,5000- books, 3950- back volume of journals, 1100- Ph. D. thesis.

Well wi-fi system & sufficient number computer for free access.

Institute of Technology : Guru Ghasidas University (IT-GGV) is a constituent institution of GGU. It was established in 1997. Currently, Institute offers Bachelor of Technology, Master of Technology and Ph.D various engineering disciplines. Admission to B.Tech is done on the basis of merit obtained by candidate in JEE main.

Academic staff college ৰ Director আছিল Prof. S. L. Swami. চাৰৰ কপালত এটা ৰঙা ফুট দেখা পাইছিলো। চুটি-চাপৰ মানুহজন বৰ তীক্ষ্ণ বুদ্ধি সম্পন্ন আৰু অতিশয় উদ্যমী। তাৰ মানুহ বিলাকে (প্ৰায় সংখ্যক) ৰঙা ফুট লোৱা দেখিছিলো আৰু প্ৰায় মানুহৰ ঘৰৰ আগত এটা সৰু মন্দিৰ দেখা পাইছিলো। ঠাইখনত আধ্যাত্মিকতা বিশ্বাস যথেষ্ট পৰিলক্ষিত হৈছিল। চৌহদৰ ভিতৰত এটা আটকধুনীয়া দেৱ-দেৱীৰ মন্দিৰ লগত এটা

...বিশ্ববিদ্যালয়খনৰ পৰিবেশ সম্পূৰ্ণ সেউজীয়া, এটা শান্ত পঢ়াৰ পৰিবেশ। প্ৰত্যেকেই নিজক লৈ ব্যস্ত, কাৰো ক'তো চাবলৈ সময় নাই। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলক কোম্পানীয়ে তদাৰক কৰাৰ নিয়ম। পুৰুষ কৰ্মীসকলে পুৱা ৫-৩০ বজাৰ পৰা আবেলি ছয় বজালৈকে দায়িত্ব পালন কৰাৰ নিয়ম। পুৱা আধা ঘন্টা ব্যায়াম কৰাৰ পাছত তেওঁলোকৰ উপস্থিতি লোৱা হয়...

...বিশ্ববিদ্যালয়ৰ সমীপৰ গাঁওবিলাক আদিবাসীলোকৰ বসতি। জন-বসতি সেৰেঙা। সহজ-সৰল কৰ্মীলোক, উগ্ৰপন্থী সকলে সাধাৰণ জনতাৰ কল্যাণৰ হকে কাম কৰে। মাত্ৰ পুলিচ আৰু ডাঙৰ ব্যৱসায়ীসকলৰ লগতহে মতৰ অমিল...

পদুম পুখুৰী; আশ্ৰম সদৃশ।

বিশ্ববিদ্যালয়খনৰ পৰিবেশ সম্পূৰ্ণ সেউজীয়া, এটা শান্ত পঢ়াৰ পৰিবেশ। প্ৰত্যেকেই নিজক লৈ ব্যস্ত, কাৰো ক'তো চাবলৈ সময় নাই। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলক কোম্পানীয়ে তদাৰক কৰাৰ নিয়ম। পুৰুষ কৰ্মীসকলে পুৱা ৫-৩০ বজাৰ পৰা আবেলি ছয় বজালৈকে দায়িত্ব পালন কৰাৰ নিয়ম। পুৱা আধা ঘন্টা ব্যায়াম কৰাৰ পাছত তেওঁলোকৰ উপস্থিতি লোৱা হয়।

এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ দায়িত্ব বহুত বেছি- ফুলৰ টাব তদাৰক কৰা, টেঙ্কীত পানী উঠোৱা, খোৱাপানী যোগান ধৰা, আবাসিৰ হিচাপ ৰখা, কোঠাবিলাক ছাফা কৰোৱা, গাড়ী, মটৰ চাইকেল আদি পাৰ্কিংত ৰখা, ইলেক্ট্ৰিছিটি তদাৰক কৰা, আবাসী সকলৰ কোঠাৰ চোৰা চিতা কৰা ইত্যাদি ইত্যাদি। এওঁলোক বৰ অমায়িক আৰু বিশ্বাসী। পুহমহীয়া ঠাণ্ডাৰ দিনত মুকলি আকাশৰ তলত গছৰ ডাল পাত জ্বলাই পহৰা দিয়ে। কিন্তু বাৰাণ্ডা বা গাড়ী পাৰ্কিং কৰা ছালিৰ তলত নহয়। কৰ্তব্যত ফাঁকি নিদিয়ে। আবাসী গৃহৰ বাহিৰ ফালে গ্ৰীলত তলা লগাই এটা টৰ্চ আৰু লাঠি লৈ গোটেই ৰাতি পহৰা দিয়ে। মাজে মাজে হুইচেল মাৰি থকাৰ নিয়ম আৰু মেনেজাৰে দুভাগ ৰাতি পৰ্যবেক্ষণত আছে, তেতিয়া উপস্থিতিৰ বহীত স্বাক্ষৰ কৰাই ল'ব নোৱাৰিলে উজাগৰী ৰাতিৰ বেতনৰ পৰা বঞ্চিত হ'ব। মহিলা কৰ্মচাৰী সকলো অত্যন্ত বিশ্বাসী আৰু পৰিশ্ৰমী। পুৱা ৫-৩০ ৰ পৰা চাফাই আৰম্ভ কৰে আবেলি ৩ বজালৈ। আজৰি সময়ত সৰু সৰু মাটিৰ চৌকা বনায় ৰ'দত শুকোৱা দেখিছিলো। চৌকাবিলাক ঠাণ্ডাদিনত তেওঁলোকৰ ল'ৰা ছোৱালীবিলাকক পঢ়াৰ কোঠাত ব্যৱহাৰ কৰিব পৰাকৈ বনায়। আবৰ্ত ভৱনত আহাৰ গ্ৰহণ কৰোতে এদিন লগৰ এজনে খাদ্য বেছিকৈ ল'লে আৰু আহাৰ নষ্ট কৰিলে (বুফে পদ্ধতি), এগৰাকী কৰ্মীয়ে আহি আহাৰ নষ্ট কৰা কাৰণে বেয়া পাইছে বুলি কৈ গ'লহি।

ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়াৰ প্ৰতি অত্যন্ত হেঁপাহ। আমাৰ আবাস গৃহৰ দুয়োফালে ল'ৰা-ছোৱালীৰ হোষ্টেল (মাজত আমাৰ হোষ্টেল), প্ৰথমে ভাবিলো দুটা হোষ্টেল নিশ্চয় চিঞৰ বাখৰ হ'ব। কিন্তু মোৰ ধাৰণা সম্পূৰ্ণ বিপৰীত। এক নিৰ্জন পৰিবেশ, মাত্ৰ পঢ়াটো হে যেন তেওঁলোকৰ কৰ্তব্য। আমি এদিন ৰাতি আহাৰ গ্ৰহণ কৰি অহাৰ পাছত ছোৱালী হোষ্টেল চোৱাৰ কৌতুহল সামৰিব নোঁৱাৰি সোমালো। যিখন প্ৰতিচ্ছবি দেখিলো কল্পনাই কৰিব নোঁৱাৰি। কোনোৱে ফুলনি মাজৰ পকী বেঞ্চত, কোনোৱে আকৌ গছৰ তলত মেট পাৰি, বাৰন্দাত, খটখটিত, বেলকনিত, বহি, খোজকাঢ়ি পঢ়াত ব্যস্ত, কাৰোবৈলে চোৱাৰ সময় নাই। ল'ৰাৰ হোষ্টেলত ও সেই একেই দৃশ্য। হোষ্টেলৰ পৰা শ্ৰেণী কোঠালৈ খোজকাঢ়ি যাওঁতেও পঢ়ি যায়। ধুন পেচ মাৰিবলৈ, ম'বাইল টিপিবলৈ সময় নাই মাত্ৰ পঢ়িব লাগে। এদিন আমি ৰাতিৰ আহাৰ গ্ৰহণ কৰাৰ সময়ত আৱৰ্ত্ত ভৱনত ৪ জন মান ছাত্ৰ দেখিলো ভাবিলো ৰাতিৰ আহাৰ গ্ৰহণ কৰিবলৈ আহিছে। সুধি জানিব পাৰিলো Wi-fi hostel ত নোপোৱা বাবে দিনৰ পাঠদানখিনি পঢ়িবলৈ আহিছে। ইমান নিৰিবিলি পৰিবেশ নিজকে নিজে প্ৰশ্ন কৰিছিলো ক'ত আছো। আড্ডা মৰা, ম'বাইল ব্যৱহাৰ, হেদফোনৰ ব্যৱহাৰ, কথা পাতি সময় কটোৱা, ল'ৰা-ছোৱালী একে লগে ফুৰা চকা চকুত পৰা নাছিল। তামোল পান, শিখৰ আদি ব্যৱহাৰ কল্পনাৰ বাহিৰত। ক'তো পিক দেখা নাপালো।

পুনৰ এবছৰ বিৰতিৰ পাছত বিশ্ববিদ্যালয়লৈ Refresher Course ত গ'লো। এইবাৰ মোৰ কোঠাত সহপাঠী আছিল কলিকতাস্থিত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ মহাবিদ্যালয়ৰ নৈশ্য শাখাৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা ড° দেৱলীনা বেনাৰ্জী।

ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় জনজাতি বিশ্ববিদ্যালয়, অমৰ কন্টক, মধ্যপ্ৰদেশৰ বহুকেইজন সহপাঠী পাইছিলো তাৰ ভিতৰত আমাৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছিল- Dr. Parbin Kimar, Zoology; Dr. Premkhand Debangor, Physical Chemistry; Dr. Subrata janna, Physical Chemistry; Dr. Dannarapn Venkat Prasad, Sociology & Social Anthropology; Dr. Vinay Kumar, Ancient Indian History, Culture and Archaeology, Dr. Dhananjoy Khalekar, Sanskrit, Prof. Dr. Gananjay Yadneshwarrao Kahalekar, Sanskrit, Maharastra; Prof. Shrebachha Bhay Hindi, Raipur.

অসমৰ বিষয়ে জানে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, অসমৰ এশিঙীয়া গড়, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, আৰু পাহাৰীয়া ঠাই শ্বিলং।

তেখেত সকলৰ পছন্দৰ বিশ্ববিদ্যালয় তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়। তেতিয়াৰ পৰাই মোৰ মানসপটত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ প্ৰতি আন্তৰিকতা প্ৰকট হৈ পৰিল।

আৱৰ্ত্ত ভৱনত সমল ব্যক্তি সকল আৰু ভাৰতৰ বাহিৰৰ শিক্ষানুষ্ঠানৰ পৰা শিক্ষাসম্বন্ধীয় কামত অহা ব্যক্তি সকল আৰু প্ৰশিক্ষাৰ্থী সকলে একেখন টেবুলতে আহাৰ গ্ৰহণ কৰা সৌভাগ্য হৈছিল। সৰোজবাদক USTAD BISMILLAH KHAN আৰু তেখেতৰ পৰিয়ালসহ সাংস্কৃতিক সন্ধিয়া shehnai পৰিবেশন কৰিবলৈ আহি তাতেই আহাৰ গ্ৰহণ কৰিছিল; ৰাজকীয় পৰম্পৰাৰে। আমাৰ সকলোৰে সুস্বাদু আহাৰ গ্ৰহণ কৰাৰ সৌভাগ্য হৈছিল।

গুৰু ঘাচীদাস বিশ্ববিদ্যালয়ৰ চি আই ডি বিভাগৰ মুৰব্বী অধ্যাপক Prof. P. C. Gautom চাৰে শেষৰ দিনা ৰাতি আৱৰ্ত্ত ভৱনত আমাৰ সৈতে বিশেষকৈ অসমৰ প্ৰশিক্ষাৰ্থী সকলৰ সৈতে আহাৰ গ্ৰহণ কৰিবলৈ আহিল আৰু আমাক ৰসিকতাৰে বিদায় দিছিল। দ্বিতীয়বাৰ শেষৰ দিনা ৰাতি সমল ব্যক্তি Prof. P. S. Kalsi (Writer of Inorganic Chemistry) চাৰে কফি গ্ৰহণ কৰিবলৈ নিমন্ত্ৰণ জনালে। পুহমহীয়া ঠাণ্ডা তাতে ৰাখি ১০ বজাত ঠাণ্ডা কফি খোৱাৰ অভ্যাস নাই, তথাপি চাৰৰ নিমন্ত্ৰণ সৌজন্যতা ৰক্ষা কৰি গ'লো চাৰে পৰিয়ালৰ সকলোৰে লগত আমাৰ Video calling ৰ যোগেদি চিনাকী কৰি দিছিল।

বিশ্ববিদ্যালয়ৰ সুন্দৰ প্ৰদূষণ মুক্ত পৰিবেশটো মানস পটত সজীৱ হৈ থাকিব। শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী, কাৰ্যালয়ৰ কৰ্মচাৰী, চতুৰ্থবৰ্গৰ কৰ্মচাৰী এই সকলোৰে মৰম স্নেহ পাহৰিব নোৱাঁৰো। Co-ordinator Dr. Protiva J Mishree, Dr. G.K. Gupta and Deputy Director Dr. Ratanesh Singh তেখেত সকলে শেষ মুহূৰ্তলৈকে সকলো প্ৰকাৰে সহায় সহযোগিতা আগবঢ়াইছিল।


বিশ্ববিদ্যালয়ৰ সমীপৰ গাঁওবিলাক আদিবাসীলোকৰ বসতি। জন-বসতি সেৰেঙা। সহজ-সৰল কৰ্মীলোক, উগ্ৰপন্থী সকলে সাধাৰণ জনতাৰ কল্যাণৰ হকে কাম কৰে। মাত্ৰ পুলিচ আৰু ডাঙৰ ব্যৱসায়ীসকলৰ লগতহে মতৰ অমিল।

গুৰুঘাচী দাস বিশ্ববিদ্যালয়ত এটা সুন্দৰ শৈক্ষিক পৰিবেশ বিৰাজমান। এটা নিৰিবিলি, সেউজীয়া, শান্ত-নিৰ্মল বাতাবৰণে বিশ্ববিদ্যালয়খনিলৈ হয়তু সকলোকে আকৰ্ষণ কৰিব। শিক্ষানুষ্ঠানৰ সকলো সদস্যকে ধন্যবাদ জনাব লাগিব যিহেতু এক সুন্দৰ পৰিবেশ সকলোৰে সহযোগিতাতহে সম্ভৱ হৈ উঠিছে। স্বচ্ছ ভাৰত আঁচনি বহুত বছৰৰ আগতেই শিক্ষানুষ্ঠানখনিত ফলপ্ৰসূ হৈছে। বিশ্ববিদ্যালয়খন সদায় উজ্জ্বল হৈ জিলিকি থাকক তাৰেই কামনাৰে।

■■

# বৌদ্ধিক উৎকৰ্ষ সাধনত গ্ৰন্থ অধ্যয়নৰ গুৰুত্ব

জাহ্নৱী বৰা



**অৱতৰণিকা ঃ** গ্ৰন্থই মানুহৰ মনক আনন্দ দিয়াৰ লগতে জ্ঞান অৰ্জন আৰু
সভ্যতাৰ আৰম্ভণিৰে পৰা মানুহৰ সৈতে গ্ৰন্থৰ সম্পৰ্ক নিবিড়। জ্ঞান আৰু আধ্যাত্মিক চিন্তা-চৰ্চাৰ মূল উৎস আছিল গ্ৰন্থ অধ্যয়ন।
চিন্তাধাৰাৰ উন্নতিত সহায় কৰি আহিছে। পৌৰাণিক কালত মানুহে আলোচনাৰ মাধ্যমেৰে মত প্ৰকাশ কৰিছে। যিবোৰ মত প্ৰকাশ
গ্ৰন্থ সম্পৰ্কে ইতিমধ্যেই বিভিন্ন মত, বিভিন্ন দৃষ্টিভংগীৰে পণ্ডিতসকলে সেইবোৰ গ্ৰন্থ সাহিত্যই সামৰি হৈছে। মই গ্ৰন্থ
কালজয়ী, যুগজয়ী তথা সময় সন্ধিৰ প্ৰক্ষেপণ হিচাপে ঠাৱৰ কৰাৰ যুক্তি আছে। বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে
ইতিহাস বৰ্ণনা কৰিব বিচৰা নাই। মাথোঁ বৰ্তমান যুগসন্ধিত অৰ্থাৎ বিভিন্ন যুগসন্ধিৰ স্তৰ পাৰ কৰি আধুনিক যুগত ভৰি দিছে।
অৱতাৰণা কৰিব বিচাৰিছোঁ। সাঁচিপাতৰ পুথিৰ পৰা আৰম্ভ হোৱা গ্ৰন্থৰ যাত্ৰা পৰিলক্ষিত নহয়। সেইবাবেই সমগ্ৰ বিশ্বজুৰি
অৱশ্যে বৰ্তমান যুগত গ্ৰন্থকাৰসকলৰ সংখ্যা বাঢ়িছে। কিন্তু গ্ৰন্থপ্ৰেমীৰ সংখ্যা বৃদ্ধি হোৱা গুৰুত্ব কিমান?
আজিৰ সময়ত এটা প্ৰশ্ন উদ্ৰেক হৈছে, গ্ৰন্থ অধ্যয়নৰ ভৱিষ্যৎ কি আৰু ইয়াৰ দ্বাৰাই অনুমান কৰিব পাৰি যে গ্ৰন্থ অধ্যয়নৰ
চক্ৰেটিছে কৈছিল, 'কিতাপ নথকা এটা ঘৰ, প্ৰাণবিহীন এটা শৰীৰৰ দৰে।' ইয়াৰ
প্ৰয়োজনীয়তা কিমান?

> ...আধুনিক নৱ প্ৰজন্মই গ্ৰন্থ অধ্যয়নত একেবাৰেই গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হোৱা দেখা পোৱা নাযায়। বৰ্তমান নৱ প্ৰজন্মৰ নৈতিক আৰু আধ্যাত্মিক জ্ঞানৰ অভাৱ। ইয়াৰ ফলস্বৰূপে তেওঁলোক বিপথে পৰিচালিত হোৱা দেখা যায়। গ্ৰন্থ অধ্যয়ন নকৰাৰ ফলত গ্ৰন্থৰ প্ৰতি মনোযোগ নোহোৱাৰ ফলত মাদক দ্ৰব্য সেৱন, নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্তি আৰু অনৈতিক কাৰ্যত লিপ্ত হয়...

**বৌদ্ধিক উৎকৰ্ষ সাধনত গ্ৰন্থ অধ্যয়নৰ গুৰুত্ব ঃ**

বৰ্তমান সময়ৰ বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ ব্যাপক উত্তৰণৰ প্ৰাক্‌চক্ৰত গ্ৰন্থ অধ্যয়নত নৱ প্ৰজন্মৰ গুৰুত্ব নাইকিয়া হৈ আহিছে বুলি ক'লেও ভুল কোৱা নহ'ব। বিজ্ঞানৰ এটা উত্থানৰ বাবেই সমগ্ৰ পৃথিৱীত গ্ৰন্থ অধ্যয়নৰ সম্পৰ্কে উদ্বেগ দেখা দিছে।

বৰ্তমান সময়ত গ্ৰন্থ অধ্যয়নৰ প্ৰতিদ্বন্দ্বী হিচাপে থিয় দিছে বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ ব্যাপক উদ্ভাৱন আৰু প্ৰচলন। ফলত বৰ্তমানৰ সময়ত সাহিত্য-সংস্কৃতি ধ্বংসৰ গৰাহলৈ গতি কৰিছে আৰু নৱ প্ৰজন্ম দিক্‌ভ্ৰান্ত হৈ পৰিছে। সামাজিক আধ্যাত্মিক জ্ঞানৰ অভাৱ পৰিলক্ষিত হৈছে।

আধুনিক শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ লগে লগে গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা বৰকৈ অনুভৱ কৰা দেখা পোৱা যায়। যেতিয়া এখন ভাল গ্ৰন্থ অধ্যয়ন কৰা হয়, তাৰ পৰা বহুতো নৈতিক জ্ঞান লাভ কৰাৰ লগতে নিজৰ জীৱন-প্ৰণালীৰ ধাৰাও সলনি কৰিব পাৰি। এখন মহৎ ব্যক্তিৰ জীৱনীৰ আধাৰত লিখা গ্ৰন্থই সেই মহৎ ব্যক্তিৰ মহৎ কৰ্মৰাজিৰ বাট বুলাই জীৱন যাত্ৰাত আগবাঢ়ি যোৱাত আমাৰ নৱ প্ৰজন্মক যথেষ্ট সহায় কৰে। তেওঁৰ অনুপ্ৰেৰণাই এজন সৎ ব্যক্তি হৈ সমাজ এখন সু-সংগঠিতভাৱে চলাই নিয়াতো যথেষ্ট সহায় কৰে।

এখন আধ্যাত্মিক গ্ৰন্থই মানুহক সংযত আৰু সততাৰে জীয়াই থকাৰ প্ৰেৰণা দিয়ে। বুৰঞ্জীমূলক গ্ৰন্থই আমাক ইতিহাসত হৈ যোৱা ঘটনাৰাজিৰ ওপৰত জ্ঞান আহৰণৰ সুবিধা প্ৰদান কৰে। গ্ৰন্থ অধ্যয়নৰ যোগেদি আমি চিন্তা শক্তিৰ বৃদ্ধি ঘটাব পাৰোঁ। দৈনন্দিন গ্ৰন্থ অধ্যয়নৰ দ্বাৰা গ্ৰন্থৰ প্ৰতি থকা মনোযোগ বৃদ্ধি কৰিব পাৰি। ইয়াৰ সহায়ত মগজুত শব্দ ভাণ্ডাৰ দৃঢ় কৰিব পাৰি। গ্ৰন্থৰ অধ্যয়নৰ দ্বাৰা বিশ্লেষণাত্মক ভাৱধাৰাৰ বৃদ্ধি ঘটে। ফলত কোনো এটা কাম কৰিবলৈ যোৱাৰ সময়ত সেই কামৰ ইতিবাচক আৰু নেতিবাচক দিশবোৰ ভালদৰে ফঁহিয়াই চাব পাৰি। এখন ভাল গ্ৰন্থই ধ্বংস গৰাহলৈ গতি কৰা মানুহক পুনৰ জীৱন প্ৰদান কৰি নিজকে সৃষ্টিশীল কৰি তুলিব পাৰে।

গ্ৰন্থই প্ৰায় সকলো সমস্যাৰে সমাধান প্ৰদান কৰে। সেইবাবে গ্ৰন্থ অধ্যয়ন নিয়মিতভাৱে কৰিলে বহুতো সমস্যাৰ সন্মুখীন হোৱাৰ পৰা নিজকে আঁতৰাই ৰাখিব পাৰি। এই একৈশ শতিকাতো গ্ৰন্থ অধ্যয়নৰ অভাৱৰ বাবে সমাজত নানা কু-সংস্কৃতি আৰু অন্ধবিশ্বাসৰ পৰিণতি ভোগ কৰিবলগা হৈছে। ফলত ডাইনী হত্যাৰ দৰে সমস্যাই দেখা দিছে।

আধুনিক নৱ প্ৰজন্মই গ্ৰন্থ অধ্যয়নত একেবাৰেই গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হোৱা দেখা পোৱা নাযায়। বৰ্তমান নৱ প্ৰজন্মৰ নৈতিক আৰু আধ্যাত্মিক জ্ঞানৰ অভাৱ। ইয়াৰ ফলস্বৰূপে তেওঁলোক বিপথে পৰিচালিত হোৱা দেখা যায়। গ্ৰন্থ অধ্যয়ন নকৰাৰ ফলত, গ্ৰন্থৰ প্ৰতি মনোযোগ নোহোৱাৰ ফলত মাদক দ্ৰব্য সেৱন, নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্তি আৰু অনৈতিক কাৰ্যত লিপ্ত হয়। প্ৰযুক্তিবিদ্যাৰ উত্তৰণে এফালে যিদৰে সহায় কৰিছে আনহাতে ই নৱ প্ৰজন্মক ধ্বংসৰ মুখলৈও ঠেলি দিছে। ফেচবুক, টুইটাৰ, হোৱাটছ এপৰ বহুল প্ৰচলনে নৱ প্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ পৰা বহু দূৰলৈ ঠেলি নিছে। ইয়াৰ ফলত বহু সমস্যা সৃষ্টি হ'বলৈ ধৰিছে। নৈতিকতাৰ জ্ঞান একেবাৰে নোহোৱা হৈ পৰিছে। আজিৰ প্ৰজন্মই ডাঙৰক সন্মান কৰিব নজনা হ'ল, মানুহৰ লগত কিদৰে কথা পাতিব লাগে আৰু কিদৰে ব্যৱহাৰ কৰিব লাগে, সেয়াও নজনা হ'ল। ইয়াৰ মূল কাৰণ হ'ল প্ৰযুক্তিবিদ্যাৰ বহুল প্ৰচাৰ আৰু গ্ৰন্থ অধ্যয়নৰ অভাৱ।

সেইবাবেই আজিৰ প্ৰজন্মই গ্ৰন্থ অধ্যয়নত গুৰুত্ব আৰোপ কৰাটো নিতান্তই

...গ্ৰন্থ অধ্যয়ন যি দিনালৈকে থাকিব সেই দিনালৈকে মানৱ সভ্যতা বৰ্তি থাকিব। প্ৰযুক্তিবিদ্যাৰ ব্যাপক উত্তৰণেও ইয়াক স্থবিৰ কৰিব নোৱাৰে। গ্ৰন্থৰ সলনি ই বুকে কেতিয়াও গ্ৰন্থৰ স্থান ল'ব নোৱাৰে। বৰং ই এটা আনটোৰ পৰিপূৰক হিচাপে কাম কৰিব...

প্ৰয়োজনীয়। গ্ৰন্থ অধ্যয়নে নৱ প্ৰজন্মক দিক্ দৰ্শনত সহায় কৰে। কৃত্ৰিমতাৰ পৰা আঁতৰি আহি মানুহৰ পৃথিৱীত জীয়াই থকাৰ আনন্দ লাভ কৰিব। দৈনিক সময় উলিয়াই এখন হ'লেও ভাল গ্ৰন্থ অধ্যয়ন কৰিলে নিজক চিনি উলিওৱাত সহায়ক হ'ব। ফেচবুক, টুইটাৰ আদি চলাই যিমান সময়ৰ নষ্ট কৰা হয়, তাৰ সলনি কিছু সময় এখন ভাল কিতাপ পঢ়িলে আজিৰ প্ৰজন্মই যথেষ্ট উপকৃত হ'ব। যিসকলৰ ডাঙৰ গ্ৰন্থ অধ্যয়নৰ অভ্যাস নাই, তেওঁলোকে প্ৰথম সৰু গ্ৰন্থ পঢ়ি নিজৰ পঢ়াৰ প্ৰতি হাবিয়াস তৈয়াৰ কৰিব লাগিব আৰু লাহে লাহে ইয়াক দৈনন্দিন জীৱনৰ ৰুচিলৈ পৰিণত কৰিব লাগিব। দৈনিক কিতাপ পঢ়াৰ অভ্যাসে আনন্দ প্ৰদানৰ লগতে জীৱন-যাপনৰ আনন্দ-বেদনাৰ অনুভৱ কৰিবলৈ শিকায়।

নৱপ্ৰজন্মৰ প্ৰতিনিধি হিচাপে ক'ব বিচাৰোঁ যে, আধুনিকতাৰ লগত ফেৰ মাৰিবলৈ হ'লে প্ৰথমে মনৰ চিন্তা-চেতনা আধুনিক কৰি তুলিব লাগিব। চিন্তা-চেতনা আধুনিক কৰাৰ মূল উপায় হ'ল বৰ্তমান গ্ৰন্থ অধ্যয়ন। বৰ্তমান সময়ত লেখকৰ সংখ্যা বৃদ্ধি পাইছে। এয়া এক ভাল লক্ষণ। কিন্তু পাঠকৰ সংখ্যা হ্ৰাস পাবলৈ ধৰিছে। গ্ৰন্থ মহোৎসৱবোৰত গ্ৰন্থপ্ৰেমিকৰ সংখ্যা তেনেই নগণ্য। যদি এজন ছাত্ৰই সমাজত এজন সু-নাগৰিক হিচাপে গঢ়ি তুলিব বিচাৰে, তেন্তে একমাত্ৰ উপায় হ'ল গ্ৰন্থ অধ্যয়ন কৰা। গ্ৰন্থ অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। মানুহৰ চিন্তা শক্তি বৃদ্ধি কৰাত গ্ৰন্থ অধ্যয়নে যথেষ্ট সহায় কৰে। গ্ৰন্থ অধ্যয়নে হেৰাই যাবলৈ ধৰা মানৱীয় সম্পৰ্ক দৃঢ় কৰি ৰখাৰ প্ৰেৰণা দিয়ে। অনুবাদিত গ্ৰন্থই এখন দেশৰ মানুহৰ লগত আন এখন দেশৰ মানুহৰ আন্তৰিকতা বঢ়ায়। তদুপৰি দয়া, মায়া, আনন্দ, বিষাদ, আৱেগ-অনুভূতি আদিৰ যথাযথ প্ৰকাশ কৰি তোলে। মানুহক সহৃদয়ৰ অধিকাৰী হোৱাটো ইণ্টাৰনেটৰ জৰিয়তে কোনো দিনে আশা কৰিব নোৱাৰি। সেয়ে প্ৰযুক্তিবিদ্যা উন্নতিৰ শীৰ্ষ মুহূৰ্ততো গ্ৰন্থ অধ্যয়নৰ মৃত্যু নহয়, বৰং থাকিব অনন্ত কাললৈ।

**উপসংহাৰ ঃ**

অৱশেষত ক'ব পাৰি যে, গ্ৰন্থ অধ্যয়ন যিদিনালৈকে থাকিব সেই দিনালৈকে মানৱ সভ্যতা বৰ্তি থাকিব। প্ৰযুক্তিবিদ্যাৰ ব্যাপক উত্তৰণেও ইয়াক স্থবিৰ কৰিব নোৱাৰে। গ্ৰন্থৰ সলনি ই বুকে কেতিয়াও গ্ৰন্থৰ স্থান ল'ব নোৱাৰে। বৰং ই এটা আনটোৰ পৰিপূৰক হিচাপে কাম কৰিব।

'যিজনে গ্ৰন্থ অধ্যয়ন কৰে তেওঁ মৃত্যুৰ আগতে কেইবাটাও জীৱন নিৰ্বাহ কৰে।' গতিকে গ্ৰন্থ অধ্যয়ন কৰি মনোৰঞ্জনৰ লগতে নিজকে ভাল ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ সকলোকে অনুৰোধ জনালোঁ।

# গণিতৰ প্ৰয়োজনীয়তা আৰু আন আন বিষয়ৰ লগত ইয়াৰ সম্বন্ধ

স্বপ্নালী বৰগোহাঁই
সহকাৰী অধ্যাপিকা, গণিত বিভাগ

**গণিতৰ ব্যৱহাৰ ঃ**

বেকনে কৈছিল 'গণিতে দুৱাৰ মুকলি কৰে সকলো বিজ্ঞানৰ, সকলো শাখাৰ।' বিজ্ঞানত এনে এটি শাখা নাই য'ত গণিতৰ প্ৰয়োগ নাই। সকলো বিজ্ঞানক পৰিপুষ্ট কৰে গণিতেই। দৃশ্যমান বস্তুসমূহৰ গঢ় আৰু আকাৰ গণিতেহে থিৰাং কৰে। দীঘল-বহল, চুটি-চাপৰ, সৰু-ডাঙৰ আদি কথাবোৰ গণিতৰ ৰূপসজ্জাত সাজি কাচি ওলাই আহি মানৱ সমাজক নিৰ্দিষ্টতা সম্বন্ধে থিৰাং কৰি দিছে। সাধাৰণ বজাৰ— সমাৰৰ পৰা মহাকাশলৈ ৰকেট, কৃত্ৰিম উপগ্ৰহ সংস্থাপন, বিজ্ঞানাগাৰত এট'ম বোমা, হাইড্ৰ'জেন বোমা উলিওৱালৈ এক নিৰিখ বান্ধি দিছে এই গণিতেই।

**গণিত আৰু ৰসায়ন বিজ্ঞান ঃ**

'All chemical compounds are found after enormous research and huge mathematical calculation.' অৰ্থাৎ অংকৰ প্ৰচুৰ হিচাপ-নিকাচ আৰু বিশদ গৱেষণাৰ ফলতহে সকলো ৰসায়ণিক পদাৰ্থবোৰ পোৱা গৈছে। ৰসায়ন বিজ্ঞানত যোজ্যতা আৰু ৰাসায়নিক সংযোগৰ নিয়মাৱলী, ৰাসায়নিক সমীকৰণ, ৰাসায়নিক বিক্ৰিয়াবোৰৰ বিশ্লেষণ, ঘনত্ব, আপেক্ষিক গুৰুত্ব, তুল্যাংক ভাৰ, ইলেক্ট্ৰ'নীয় বিন্যাস, ৰাসায়নিক বন্ধন, গেছৰ চাপ, আয়তন, উষ্ণতা সম্পৰ্কে বয়ল আৰু চাৰ্লচৰ নিয়ম, এভগ্ৰেড'ৰ প্ৰকল্প, গ্ৰাহামৰ বিস্তাৰণ নিয়ম, ফেৰাডেৰ বিদ্যুৎ বিশ্লেষণৰ নিয়ম, তুল্যাংক পৰিবাহিতা, কাৰ্বন যোগৰ ৰসায়ন বন্ধন আৰু বিক্ৰিয়াসমূহ এই গণিতৰ সহায়তেই বিশ্লেষণ কৰা হয়।

**গণিত আৰু পদাৰ্থ বিজ্ঞান ঃ**

গণিত অবিহনে পদাৰ্থ বিজ্ঞান অধ্যয়ন অসম্পূৰ্ণ। বলবিজ্ঞানৰ (Mechanics)

স্থিতি আৰু গতি, নিউটনৰ গতি বিষয়ক সূত্ৰসমূহ, বৃত্তীয় গতি, ঘৰ্ষণ, দৃঢ়বস্তুৰ ঘূৰ্ণন, কাৰ্য, শক্তি আৰু ক্ষমতা, কম্পন গতি আৰু দোলক, মহাকৰ্ষণ আৰু মধ্যাকৰ্ষণ, প্ৰক্ষেপ্য বিজ্ঞান, স্থিতিস্থাপকতা আৰু পৃষ্ঠটান, আৰ্কিমিডিছৰ সূত্ৰ, বায়ুমণ্ডলৰ চাপ, তাপবিজ্ঞানৰ উষ্ণমিতি, কঠিন পদাৰ্থৰ প্ৰসাৰণ, জুলীয়া পদাৰ্থৰ প্ৰসাৰণ, গেছীয় পদাৰ্থৰ প্ৰসাৰণ, শব্দবিজ্ঞানৰ তৰংগ, শব্দৰ বেগ, তাঁৰৰ কঁপনি, স্বৰকম্পন, বায়ুস্তম্ভৰ কঁপনি, চুম্বকীয় বল, পোহৰৰ ঋজুৰেখা আৰু সমতল পৃষ্ঠত ইয়াৰ প্ৰতিফলন, ফ'টমিতি, গোলাকাৰ দাপোনত প্ৰতিফলন, সমতল পৃষ্ঠত পোহৰৰ প্ৰতিসৰণ, গোলাকাৰ পৃষ্ঠত প্ৰতিসৰণ, লেন্স, আলোকযন্ত্ৰ বিদ্যুৎ প্ৰৱাহৰ চৌম্বক ক্ৰিয়াৰোধ, স্থিতি বিদ্যুৎ, বিদ্যুৎ প্ৰৱাহৰ ৰাসায়নিক ক্ৰিয়া আৰু পদাৰ্থ বিজ্ঞানৰ এই সকলোবোৰ মাপ অংকই নিৰ্ণয় কৰে।

**গণিত আৰু জীৱবিদ্যা ঃ**

জীৱবিদ্যা চৰ্চাতো গণিতৰ প্ৰয়োজন আছে। জীৱ-জন্তু, গছ-গছনি সকলোবোৰৰ জীৱকোষ বা কোষ অধ্যয়ন কৰিলে দেখা যায় যে তাৰ মাজতো অংকৰ হিচাপ এটা আছে। গণিতৰ সঁজুলি আৰু কৌশল লগাই আৰ্হি প্ৰস্তুত কৰি জীৱবিদ্যা অনুসন্ধান কৰি পোৱা জীৱৰ নীতি, গঠন, বৃদ্ধি, আচৰণসমূহ দৰ্শোৱা হয়। বৈজ্ঞানিক চাৰ ফ্ৰেন্সিছ গেল্টনে শিশুৰ বংশানুক্ৰম স্থিৰ কৰোঁতেও অংকৰ সহায়কেই প্ৰধান কৰি লৈছিল।

**গণিত আৰু দৰ্শন ঃ**

দৰ্শনৰ যিকোনো ছাত্ৰই বুজে যে, দৰ্শন বস্তুৰ সঠিক খবৰ পাবলৈ হ'লে অংকশাস্ত্ৰৰ বাহিৰে আন কোনো উপায় নাই। পৃথিৱীৰ বেছিভাগ খ্যাতনামা দাৰ্শনিকেই গণিতজ্ঞ। অংকৰ সৃষ্টিত দাৰ্শনিক তথা গণিতজ্ঞবোৰেই মূল। বিশ্ববিখ্যাত বাট্ৰাণ্ড ৰাছেল, ডেকাৰ্ট, এ.এন. হুৱাইটহেড বা পাস্কেল গণিতজ্ঞ লগতে দাৰ্শনিকো। এজন দাৰ্শনিকে কৈছিল, 'The history of Philosophy shows that every advance in Mathematics was followed almost as a direct consequence by a corresponding advance in Philosophical thought. Mathematics is a subject that keeps Philosophy pinned down to earth and provides the much needed perspective exactitude.'

**গণিত আৰু অৰ্থবিজ্ঞান ঃ**

গাণিতিক সূত্ৰ, উপপাদ্য বিধি প্ৰয়োগ কৰি অৰ্থনৈতিক সমস্যাসমূহ ব্যাখ্যা কৰাৰ প্ৰৱণতা বহু পুৰণি। মধ্যযুগৰ প্ৰকৃতিবাদ নামৰ ভাৱধাৰাৰ সমৰ্থকসকলে অৰ্থনৈতিক ব্যাখ্যাত পোন প্ৰথমবাৰৰ বাবে গাণিতিক কৌশল প্ৰয়োগ কৰে। ১৬৯০ চনত প্ৰকাশ পোৱা 'Political Arithmatics' নামৰ গ্ৰন্থখনৰ জৰিয়তে উইলিয়াম পেট্ৰিয়ে অৰ্থনৈতিক যুক্তিসমূহ গাণিতিকভাৱে উপস্থাপন কৰাৰ কৌশল ব্যাখ্যা কৰে। অৰ্থবিজ্ঞানত গণিত আৰু গাণিতিক কৌশল প্ৰয়োগ কৰাত অৰ্থবিজ্ঞানৰ বিশ্লেষণৰ পথ প্ৰশস্ত হৈ উঠিছে। সেয়েহে কাৰ্ল মেঞ্জাৰ, জেভন আৰু লিঅ'ন ৱালৰাছকে ধৰি নব্য সংস্থাপনবাদী অৰ্থনীতিবিদসকলে অৰ্থনৈতিক বিশ্লেষণত গণিত শাস্ত্ৰৰ বহুল প্ৰয়োগ ঘটাইছে। গাণিতিক অৰ্থবিজ্ঞানত অন্তৰ্ভুক্ত গাণিতিক কৌশলে কম সময়ত সংক্ষেপে বৰঞ্চ যুক্তিসংগতভাৱে অৰ্থনৈতিক সমস্যাৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰে। ইয়াৰ উপৰিও গাণিতিক অৰ্থবিজ্ঞানে অৰ্থনৈতিক সমস্যাসমূহৰ বিশ্লেষণ অধিক বিজ্ঞানসন্মত কৰি তোলে। অৰ্থবিজ্ঞান ভাৰসাম্য, গতিশীলতা, স্থিতিস্থাপকতা, স্থিতিশীলতা, প্ৰান্তিক অৱস্থা আদি বিভিন্ন ধাৰণাৰ সঠিক জ্ঞান-গাণিতিক কৌশল প্ৰয়োগৰ যোগেদিহে সম্ভৱ হ'ব পাৰিছে।

**গণিত আৰু কাৰিকৰী বিদ্যা ঃ**

'Mathematics is the foundation of Engineering' এখন দেশ প্ৰগতিৰ পথত আগুৱাই নিবৰ বাবে প্ৰকৃতিত নিহিত হৈ থকা শক্তিসমূহক কৌশলেৰে বাহিৰ কৰি আনি মানুহৰ কামত খটাব পাৰিব লাগিব। এই কৌশল বা বিদ্যাই হ'ল কাৰিকৰী বিদ্যা অৰ্থাৎ Engineering Education. এই কাৰিকৰী বিদ্যাত এনে এটি শাখা নাই য'ত গণিত ব্যৱহাৰ নকৰি শিকিব পাৰি। যেনে- মাপ কৰা, জৰীপ কৰা, সজা আৰু সজোৱাৰ উপায় আদি। যেতিয়ালৈকে ছাত্ৰ-ছাত্ৰীয়ে গণিত নাজানিব অৰ্থাৎ গণিতৰ আদৰ যি পৰ্যন্ত বহুলভাৱে নহ'ব তেতিয়ালৈকে সমগ্ৰ বিশ্বৰে প্ৰগতি হ'ব নোৱাৰিব। আমি জনা বিশ্বৰ প্ৰগতিশীল দেশসমূহৰ প্ৰগতিৰ ঘাই কাৰণ তেওঁলোক কাৰিকৰী বিদ্যাত সুনিপুণ, আন কথাত গণিত শাস্ত্ৰত পাৰ্গত।

ইয়াৰ জ্বলন্ত উদাহৰণ চীন দেশ।

**গণিত আৰু কলাশাস্ত্ৰ ঃ**

সুকুমাৰ কলা সাধন কৰা ছাত্ৰসকলৰ বাবে গণিতৰ প্ৰয়োজন অধিক। জ্যামিতি হ'ল যুক্তিবাদৰ চৰম নিদৰ্শন। সহজ-সৰল অথচ বোধগম্য যুক্তি দৰ্শোৱা জ্যামিতিয়ে সুকুমাৰ কলা অধ্যয়নত গ্ৰীকসকলক বিশেষভাৱে সহায় কৰিছিল। আনকি ভাস্কৰ্য বিদ্যাতো এই জ্যামিতিৰ বৰঙণি আছিল অধিক। প্ৰকৃততে ক'বলৈ গ'লে-'Music is a modern hidden exercise in Arithmatic of a mind unconscious of dealing with numbers.'

ইয়াৰ উপৰিও গণিতৰ কিছুমান শব্দ সাহিত্যৰো সৌষ্ঠব। বাতৰি কাকত আদিত প্ৰায়ে 'variation', 'average', 'ration', 'conjugate', 'percentage', 'constant', 'variable', 'formula' আদি শব্দৰ প্ৰাচুৰ্য পৰিলক্ষিত হয়।

**গণিত আৰু বাণিজ্য ঃ**

গণিত অবিহনে বাণিজ্য অসম্পূৰ্ণ। জোখ-মাপৰ মেট্ৰিক পদ্ধতি যেনে-দৈৰ্ঘ্যৰ জোখৰ একক মিটাৰ, ওজনৰ জোখৰ একক গ্ৰাম, পনীয়া বস্তুৰ জোখৰ একক লিটাৰ, ঠিক সেইদৰে ক্ষেত্ৰফল জুখিবলৈ বৰ্গমিটাৰ আৰু আয়তন জুখিবলৈ ঘনমিটাৰ ব্যৱহাৰ কৰা হয়। সেইদৰে ইঞ্চি, ফুট, গজ, মাইল, হেক্টৰ, একৰ, গেলন, বেৰেল, তোলা, সেৰ আদি একক ব্যৱসায়ত ব্যৱহাৰ কৰা হয়। অনুপাত-সমানুপাত, লাভ-ক্ষতি, মিশ্ৰণ আদি উলিয়াবলৈও গণিত ব্যৱহাৰ কৰা হয়। আকৌ পৰিমিতি বিভিন্ন আকৃতিৰ বস্তুৰ পৰিসীমা, কালি উলিয়াবলৈ, আয়তন আৰু পৃষ্ঠকালি উলিয়াবলৈও গণিতৰ প্ৰয়োজন। ইয়াৰ উপৰিও বাণিজ্যত প্ৰয়োজন হোৱা সৰলসুত, চক্ৰবৃদ্ধি সুত, বাৰ্ষিকী পৰিসংখ্যা বিজ্ঞান, সম্ভাৱিতা আদিতো গণিতৰ প্ৰয়োগ নহ'লেই নহয়।

এইদৰে বিচাৰ কৰি চালে আমি ক'বলৈ বাধ্য হ'ম যে, গণিত শাস্ত্ৰক বাদ দি আমি জগতবাসী প্ৰাণহীন ব্যক্তিৰ দৰে জঠৰ হ'ম। দৈনন্দিন জীৱনত নিজক চলাওঁতে, পৰিয়াল চলাওঁতে, সকলো কাৰ্যতে আমি গণিতৰ সহায় লওঁ। সেয়েহে গণিতৰ লগত আমাৰ সম্বন্ধ ভাতঘৰৰ দৰে হোৱা উচিত।

গণিত হৈছে মানুহৰ অন্তৰাত্মাৰ ভিতৰত লুকাই থকা এক শক্তি যি আমাক যুক্তিৰে কথা কাটিবলৈ, বুদ্ধিৰে টান কাম সহজ কৰিবলৈ, সুচিন্তিতভাৱে মনৰ ভাব প্ৰকাশ কৰিবলৈ সমৰ্থ কৰি তোলে। অৰ্থাৎ দৈনন্দিন জীৱনত মানৱজাতিৰ আটাইতকৈ প্ৰয়োজনীয় দিশটোৱেই হৈছে বিজ্ঞান আৰু গণিতৰ ব্যৱহাৰ। ৰ'জাৰ বেকনে কৈছে— 'গণিত সকলো বিজ্ঞানৰ বাবে দুৱাৰডলি আৰু সাঁচাৰ চাবি স্বৰূপ'। দাৰ্শনিক কান্তৰ মতে-'বিজ্ঞান সঠিক হয় গণিতৰ প্ৰয়োগৰ দ্বাৰাহে'। ইয়ঙৰ মতে, 'গণিত হ'ল সভ্যতাৰ ৰাজহাড়। ইয়াক আঁতৰালে আমাৰ সকলো বস্তুবাদী জগতৰ সভ্যতা পংগু হৈ পৰিব'।

সহায়ক গ্ৰন্থ ঃ
ড° বিজয়কৃষ্ণ দেৱশৰ্মা ঃ গণিত বিশ্লেষণ পদ্ধতি
লোকেশ বড়ো ঃ গাণিতিক অৰ্থবিজ্ঞান

# সেউজ গ্ৰন্থাগাৰ আৰু ইয়াৰ প্ৰাসংগিকতা

চন্দ্ৰনাথ বৰুৱা, গ্ৰন্থাগাৰিক

আধুনিক প্ৰযুক্তিবিদ্যাৰ ফলত মানৱ সমাজত জীৱন ধাৰণৰ প্ৰণালী বিকাশৰ দিশে অগ্ৰসৰ হৈছে। অতি কম সময়ৰ ভিতৰতে অবাস্তৱ কাম সম্পূৰ্ণ হৈছে। প্ৰযুক্তিবিদ্যাৰ অসাধাৰণ উদ্ভাৱনে জনসাধাৰণৰ সীমাহীন অভাৱসমূহ পূৰণ কৰিব পাৰিছে। উদ্ভাৱন আৰু অভাৱ পূৰণৰ ধাৰণা বাস্তৱায়িত কৰাৰ আগেয়ে বহনক্ষম বিকাশৰ বিষয়ে জনাটো অতি প্ৰয়োজনীয়। কাৰণ বহনক্ষম বিকাশৰ যোগেদিহে সকলো সম্ভৱ। বহনক্ষম বিকাশৰ জৰিয়তে সামগ্ৰিক বিকাশ হোৱাৰ লগতে প্ৰকৃতিৰ কু-প্ৰভাৱসমূহ কমি আহে। ই সেউজীয়া পৰিৱেশতো বিশেষভাৱে প্ৰভাৱ পেলায়। বৰ্তমান সময়ত 'সেউজ' শব্দটোৱে মানৱ সমাজত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে। আধুনিক প্ৰযুক্তিবিদ্যাৰ জৰিয়তে ধ্বংসৰ গৰাহলৈ যোৱা সমাজখনক ই এক আশাৰ ৰেঙণি হিচাপে সাহস যোগাইছে। এক সুস্থ বাতাবৰণ সৃষ্টি কৰাত ইয়াৰ অৰিহণা লেখত ল'বলগীয়া। যোৱা কিছু বছৰৰ পৰা সেউজ বিপ্লৱে বৰ্ধিত হাৰত বিভিন্ন খণ্ড আগুৰি লৈছে। এই খণ্ডসমূহৰ ভিতৰত গ্ৰন্থাগাৰো অন্যতম। ইয়াক সেউজ গ্ৰন্থাগাৰ বিপ্লৱ হিচাপে জনা যায়।

সেউজ গ্ৰন্থাগাৰ বিপ্লৱ আৰম্ভ হৈছিল ১৯৯০ চনৰ আৰম্ভণিতে আমেৰিকা যুক্তৰাষ্ট্ৰত। ই গ্ৰন্থাগাৰ বিজ্ঞানৰ লগতে অন্যান্য ক্ষেত্ৰতো অতি জনপ্ৰিয় হৈ পৰিছিল। ইয়াৰ মূলতে আছিল গ্ৰন্থাগাৰটোৰ সামগ্ৰিক বিকাশ সম্ভৱ কৰি তোলা আৰু লগতে প্ৰাকৃতিক সম্পদকেন্দ্ৰিক এক স্বাস্থ্যসন্মত পৰিৱেশ পঢ়ুৱৈসকলক প্ৰদান কৰা। সেউজ গ্ৰন্থাগাৰে প্ৰাকৃতিক পৰিৱেশৰ স'তে সম্পৰ্ক স্থাপন কৰা, বিদ্যুৎ শক্তি ভৱিষ্যৎ প্ৰজন্মলৈ সঞ্চয় কৰা, অন্যান্য সম্পদসমূহ সহজলভ্য ইত্যাদি কৰাৰ এক প্ৰয়াস কৰে। বৰ্তমান সময়ত সেউজ গ্ৰন্থাগাৰ ধাৰণাটো অতি জনপ্ৰিয় যদিও সকলো গ্ৰন্থাগাৰতে ইয়াৰ ব্যৱহাৰ হোৱা নাই। সেউজ গ্ৰন্থাগাৰ কিছু লোকৰ ঐক্যবদ্ধভাৱে কৰা এনে এক প্ৰচেষ্টা, যি গ্ৰন্থাগাৰটোক গোলকীয় উষ্ণতাৰ প্ৰভাৱৰ পৰা ৰক্ষা কৰিব পাৰে। ইয়াৰ নিৰ্মাণৰ মূল উদ্দেশ্য হৈছে প্ৰাকৃতিক পৰিৱেশৰ ওপৰত হোৱা ঋণাত্মক প্ৰভাৱবোৰ কমাই তোলা আৰু আভ্যন্তৰীণ পৰিৱেশ (গ্ৰন্থাগাৰ)ৰ গুণাগুণ, প্ৰকৃতিগত সম্পদৰ ব্যৱহাৰ ইত্যাদি বৃদ্ধি কৰা।

প্ৰাকৃতিক পৰিৱেশৰ মাজত সময় কটোৱাৰ মাদকতাই সুকীয়া। প্ৰাকৃতিক পৰিৱেশ সুস্থ জীৱনৰ মূল চাবিকাঠি। প্ৰকৃতিৰ মাজত অৰ্থাৎ প্ৰাকৃতিক সম্পদেৰে পৰিপুষ্ট সেউজ গ্ৰন্থাগাৰত গ্ৰন্থৰ লগতে পঢ়ুৱৈ, গ্ৰন্থাগাৰৰ লগত ওতঃপ্ৰোতভাৱে জড়িতসকলৰ স্বাস্থ্য সুস্থ, সবল আৰু জিজ্ঞাসু মনৰ অধিকাৰী কৰি তোলে। সেউজীয়া পৰিৱেশে যিদৰে মানুহৰ মনত অফুৰন্ত আনন্দ জগাই তোলে, ঠিক সেইদৰে সেউজ গ্ৰন্থাগাৰেও ব্যক্তিবিশিষ্টক অনাবিল শান্তি প্ৰদান কৰে। সেউজ গ্ৰন্থাগাৰে গ্ৰন্থাগাৰ বিজ্ঞানত এক নৱ জাগৰণৰ সৃষ্টি কৰিছে। সেউজ গ্ৰন্থাগাৰে একো একোটা অঞ্চল প্ৰদূষণ মুক্ত কৰি তোলে আৰু মানৱ সমাজৰ সামাজিক আৰু মানসিক দিশটোও সুস্থ কৰি তোলে। ই

...সেউজ গ্ৰন্থাগাৰে ইয়াৰ পঢ়ুৱৈসকলক আত্মসন্তুষ্টি প্ৰদান কৰে আৰু গ্ৰন্থাগাৰলৈ আকৰ্ষিত কৰে। ই অন্য গ্ৰন্থাগাৰসমূহৰ দৰেই ব্যৱহাৰকাৰীসকলৰ বৌদ্ধিক, আধ্যাত্মিক, সামাজিক বিকাশ সম্ভৱ কৰি তোলে। সেউজ গ্ৰন্থাগাৰে ব্যৱহাৰকাৰীসকলৰ অভাৱ পূৰণ কৰাৰ লগতে বৰ্তমান আৰু ভৱিষ্যতৰ বাবে এক সামগ্ৰিক পৰিৱেশ গঢ়ি তোলে...

পঢ়ুৱৈসকলৰ লগতে গ্ৰন্থাগাৰ কৰ্মচাৰীসকলৰ কৰ্মস্পৃহা বঢ়ায়। ইয়াৰ ফলস্বৰূপে দুগুণ উদ্যমেৰে কৰ্মচাৰীসকলে পঢ়ুৱৈসকলৰ বাবে কাম কৰিবলৈ অনুপ্ৰেৰণা পায়।

বৰ্তমান সময়ত নিৰ্মাণৰ ক্ষেত্ৰত গ্ৰন্থাগাৰে বিভিন্ন ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। নিখুঁত পৰিকল্পনাৰ অভাৱে গ্ৰন্থাগাৰবোৰক আৰম্ভণিতে উজুটি খুৱাইছে। কিন্তু সেউজ গ্ৰন্থাগাৰসমূহে এনে ধৰণৰ সমস্যা আৰু প্ৰত্যাহ্বানসমূহক সমূলঞ্চে নাইকিয়া কৰিছে। ইয়াৰ মূলতে সেউজ গ্ৰন্থাগাৰৰ নিৰ্মাণৰ গুৰুত্বপূৰ্ণ উপাদানসমূহ। ইয়াৰে অতি লাগতিয়াল উপাদানসমূহ হৈছে-

**১। স্থান নিৰ্বাচন ঃ** সেউজ গ্ৰন্থাগাৰৰ বাবে কোলাহলহীন ঠাই প্ৰয়োজন। ই ক্লাৱঘৰ, প্ৰেক্ষাগৃহ, ৰাজহুৱা খেলপথাৰ ইত্যাদিৰ পৰা দূৰত হ'ব লাগে। ই একো একোটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ মুখ্য আহিলা অৰ্থাৎ হৃদপিণ্ড হোৱা বাবে সকলোৰে অনায়াসে পাব পৰা স্থানত হ'ব লাগে।

**২। অঞ্চল ঃ** সেউজ গ্ৰন্থাগাৰ এনে এক অঞ্চলত হোৱা প্ৰয়োজন, যি অঞ্চল সকলো ফালৰে পৰা যাতায়াতৰ বাবে সুচল। এটা অঞ্চল বাছনি কৰাৰ পূৰ্বেই সেই অঞ্চলটোৰ সুবিধা-অসুবিধাবোৰৰ বিষয়ে অৱগত হৈ পৰিকল্পনা কৰা উচিত।

**৩। নিৰ্মিত সামগ্ৰী ঃ** নিৰ্মাণত ব্যৱহৃত সামগ্ৰীসমূহ প্ৰকৃতিৰ স'তে খাপ খোৱা হ'ব লাগিব। বাঁহ, কাঠ আদিৰ প্ৰচুৰ ব্যৱহাৰ হোৱা দৰকাৰ। নিৰ্মিত সামগ্ৰীসমূহ আৰু গ্ৰন্থাগাৰৰ ৰূপাংকন কিদৰে কৰিব লাগে তাৰ বাবে IGBC (Indian Green Building Council) আৰু LEED (Leadership in Energy and Environmental Design) নামৰ দুটা সংগঠনে প্ৰশিক্ষণ অনুষ্ঠানৰ আয়োজন কৰে।

**৪। পানী সংৰক্ষণ ঃ** সেউজ গ্ৰন্থাগাৰৰ বাবে পানী সংৰক্ষণ ব্যৱস্থা থকাটো নিত্যান্তই প্ৰয়োজনীয়। কাৰণ পানীয়ে একোটা অঞ্চল পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখে। বৰষুণৰ পানী সংৰক্ষণ কৰি গছপুলি ৰোপণ কৰা, কাষৰ অঞ্চলৰ খেতি-বাতিত প্ৰদান কৰা, শৌচাগাৰ আদিত ব্যৱহাৰ কৰা, ফিল্টাৰ কৰি খাবলৈ ব্যৱহাৰ কৰা আদি কামত লগোৱাৰ এক সুবিধা থকাৰ অতি প্ৰয়োজন।

**৫। শক্তি সংৰক্ষণ ঃ** সেউজ গ্ৰন্থাগাৰত শক্তি সংৰক্ষণ কৰা ব্যৱস্থাৰ অতিকৈ প্ৰয়োজন। কাৰণ ইয়াৰ মূল উদ্দেশ্য হৈছে সীমিত শক্তি ব্যৱহাৰ কৰি ভৱিষ্যৎ প্ৰজন্মলৈ শক্তি সংৰক্ষণ কৰা। অতিকৈ প্ৰয়োজনীয় অৱস্থাতহে বিদ্যুৎ চালিত ফেন, কম্পিউটাৰ ইত্যাদি ব্যৱহাৰ কৰিব লাগে। সৌৰশক্তিৰ যোগেদিও শক্তি আহৰণ কৰি অতিৰিক্ত শক্তি সংৰক্ষণ কৰিব পাৰি।

**৬। পোহৰ ঃ** দিনত বিজুলি শক্তিৰ ব্যৱহাৰৰ পৰা বিৰত থাকিবলৈ পোহৰৰ বাবে ডাঙৰ ডাঙৰ ভেণ্টিলেচনৰ ব্যৱস্থা হ'ব লাগে। পোহৰৰ অত্যাধিক প্ৰয়োজন হোৱা হেতুকে প্ৰকৃতিগত পোহৰ আহিব পৰা ব্যৱস্থা ৰাখিব লাগে।

**৭। বায়ু ঃ** বৰ্তমান সময়ত বায়ু এটা অতি গুৰুত্বপূৰ্ণ কাৰক। বায়ুৰ যোগেদিয়েই নানাধৰণৰ বেমাৰৰ বীজাণু মানুহৰ শৰীৰলৈ বিয়পে। গতিকে সেউজ গ্ৰন্থাগাৰত বিশুদ্ধ

বায়ুৰ বিশেষ প্ৰয়োজন থকা হেতুকে পৰিকল্পিতভাৱে বৃক্ষৰোপণ কৰিব লাগে। বৃক্ষৰোপণে একো একোটা অঞ্চল পৰিষ্কাৰ-পৰিচ্ছন্ন কৰাৰ লগতে বিশুদ্ধ বায়ুৰ যোগান ধৰি সকলোকে সুস্থ কৰি ৰাখে।

**৮। সীমিত বাজেট ঃ** সেউজ গ্ৰন্থাগাৰৰ ই এটা ধনাত্মক কাৰক। এই কাৰকৰ আলম লৈয়ে বহুজনে সেউজ গ্ৰন্থাগাৰ নিৰ্মাণ কৰিবলৈ সাহস গোটাব পাৰে। সীমিত বাজেট হোৱা বাবে প্ৰযুক্তিবিদ্যাই ইয়াত প্ৰতিবন্ধকতা দেখা দিব নোৱাৰে।

**৯। সামাজিক দায়বদ্ধতা ঃ** সামাজিক দায়বদ্ধতা অতিকে প্ৰয়োজনীয়। সেউজ গ্ৰন্থাগাৰৰ বাবে, গ্ৰন্থাগাৰ এক সমাজকেন্দ্ৰিক অনুষ্ঠান। গতিকে ইয়াৰ দায়িত্ব এক ব্যক্তিবিশেষে লোৱাতকৈ সমাজৰ সকলোৱে লোৱাতো দৰকাৰ। সেউজ গ্ৰন্থাগাৰ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাতো সকলোৰে দায়িত্ব। সেইবাবে সমাজত সামাজিক দায়বদ্ধতাবোৰ থকাতো নিতান্তই প্ৰয়োজন।

সেউজ গ্ৰন্থাগাৰে ইয়াৰ পঢুৱৈসকলক আত্মসন্তুষ্টি প্ৰদান কৰে আৰু গ্ৰন্থাগাৰলৈ আকৰ্ষিত কৰে। ই অন্য গ্ৰন্থাগাৰসমূহৰ দৰেই ব্যৱহাৰকাৰীসকলৰ বৌদ্ধিক, আধ্যাত্মিক, সামাজিক বিকাশ সম্ভৱ কৰি তোলে। সেউজ গ্ৰন্থাগাৰে ব্যৱহাৰকাৰীসকলৰ অভাৱ পূৰণ কৰাৰ লগতে বৰ্তমান আৰু ভৱিষ্যতৰ বাবে এক সামগ্ৰিক পৰিৱেশ গঢ়ি তোলে।

প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰে এক মহৎ উদ্দেশ্য থাকে। এইক্ষেত্ৰত সেউজ গ্ৰন্থাগাৰ বিৰূপ নহয়। ইয়াৰ মূল উদ্দেশ্যসমূহ হৈছে-

ক) এখন সেউজীয়া মানৱ সমাজ প্ৰতিষ্ঠা কৰা

খ) উন্নত মানদণ্ডৰ জীৱন ধাৰণৰ পৰিৱেশ সৃষ্টি কৰা

গ) সুস্থ-সবল স্বাস্থ্য গঢ়ি তোলা

ঘ) পৃথিৱীখনক ভৱিষ্যৎ প্ৰজন্মলৈ জীৱন যাপনৰ উপযোগী কৰি তোলা।

ঙ) মানসিক আৰু সামাজিক স্থিতি উন্নত কৰা

চ) প্ৰদূষণমুক্ত সমাজ প্ৰতিষ্ঠা কৰা

ছ) প্ৰাকৃতিক সম্পদসমূহক অধিক গুৰুত্ব প্ৰদান কৰা

প্ৰাকৃতিক এই দুৰ্দশাগ্ৰস্ত সময়ত সেউজ গ্ৰন্থাগাৰৰ প্ৰয়োজন আহি পৰিছে। ই পৰিৱেশৰ লগতে মানৱ সমাজৰ মনস্তাত্বিক দিশত বিশেষভাৱে প্ৰভাৱ পেলায়। ইয়াক সম্পূৰ্ণ ৰূপ দিবলৈ গ্ৰন্থাগাৰিক আৰু কৰ্মচাৰীৰ লগতে সমাজৰো দায়বদ্ধতা বহু দিশত থাকে। সেউজ গ্ৰন্থাগাৰক সজীৱ কৰি ৰাখিবলৈ সমাজত সজাগতাৰ প্ৰয়োজন। বিভিন্ন ধৰণেৰে সমাজত পঢুৱৈসকলৰ মাজত সজাগতা আনিব পাৰি। তাৰে ভিতৰত-

১। প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ চিত্ৰ বা আলোকচিত্ৰ সমাজৰ হকে গ্ৰন্থাগাৰে দাঙি ধৰিব লাগিব।

২। পৰিৱেশৰ লগত সংগতি থকা নানা অনুষ্ঠান, প্ৰতিযোগিতা আদি ৰাইজৰ হকে অনুষ্ঠিত কৰিব লাগে।

৩। গ্ৰন্থাগাৰৰ সংযোগ পৰিৱেশৰ ৱেবছাইটৰ সৈতে থাকিব লাগে।

সেউজ গ্ৰন্থাগাৰৰ ধাৰণা গোটেই বিশ্বৰ লগতে ভাৰতৰো বিভিন্ন অঞ্চল সামৰি লৈছে। আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত

...বৰ্তমান সময়ত নিৰ্মাণৰ ক্ষেত্ৰত গ্ৰন্থাগাৰে বিভিন্ন ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। নিৰ্দিষ্ট পৰিকল্পনাৰ অভাৱে গ্ৰন্থাগাৰবোৰক আৰম্ভণিতে উজুটি খুৱাইছে। কিন্তু সেউজ গ্ৰন্থাগাৰসমূহে এনে ধৰণৰ সমস্যা আৰু প্ৰত্যাহ্বানসমূহক সমূলঞ্চে নাইকিয়া কৰিছে। ইয়াৰ মূলতে সেউজ গ্ৰন্থাগাৰৰ নিৰ্মাণৰ গুৰুত্বপূৰ্ণ উপাদানসমূহ...

সেউজ গ্ৰন্থাগাৰ প্ৰকল্প সম্পূৰ্ণ কৰি সমাজৰ বৌদ্ধিক, সামাজিক বিকাশৰ হকে মুকলি কৰি উলিওৱা কেইটামান গ্ৰন্থাগাৰ হ'ল-

(a) Anythink Brington, USA
(b) Blair Library, USA
(c) Spanish Peaks Library, Walsenburg, UK
(d) The National Library, Singapore
(e) Fayetteville Public Library, U.S.

বৰ্তমান সময়ত আমাৰ দেশতো কেইবাটাও উল্লেখযোগ্য সেউজ গ্ৰন্থাগাৰ স্থাপন সম্পূৰ্ণ হৈছে। তাৰে ভিতৰত-

(a) NIT, Silchar
(b) Chennai's Green Library (Anna Centenary Library)
(c) Delhi University Library
(d) Madras University Library
(e) Perna Kerpo Library, Ladakh, H.P.
(f) Karnataka University Library

সেউজ গ্ৰন্থাগাৰ স্থাপন কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় মানবিশিষ্ট কিছুমান নিয়মক অনুসৰণ কৰিব লাগিব। এই মানবিশিষ্ট নিয়মসমূহে সেউজ গ্ৰন্থাগাৰৰ ধাৰণাতো অনায়াসে বাস্তৱত ৰূপায়িত কৰিব পাৰে। নিয়মসমূহ হৈছে-

(a) Chicago Illionois Standards
(b) Brown Green Standard
(c) IGBC Indian Green Building Standard
(d) Green Rating for Integrated Habitat Assessment (GRIHA)

সেউজ গ্ৰন্থাগাৰ ধাৰণাটো গোলকীয় উষ্ণতা, প্ৰদূষণ, বনানিকৰণ আদিৰ ফলশ্ৰুতিত সৃষ্টি হোৱা এক ধাৰণা। ই বৰ্তমান সমাজ-জীৱনত ভাবিব নোৱাৰাকৈ প্ৰভাৱ পেলাইছে। ইয়াৰ স্থাপনত কম ব্যয় হোৱা হেতুকে এটা ক্ষুদ্ৰ অনুষ্ঠানেও ই সেউজ গ্ৰন্থাগাৰ স্থাপন কৰিব পাৰে। এই ধৰণৰ গ্ৰন্থাগাৰে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ লগতে পঢুৱৈ, প্ৰকৃতিপ্ৰেমী, কৃষক আদি সকলো ধৰণৰ সমাজৰ লোকক আকৰ্ষিত কৰে। গ্ৰন্থাগাৰৰ এটা ডাঙৰ সমস্যা হৈছে ইয়াৰ বাজেট। সেউজ গ্ৰন্থাগাৰে ইয়াৰ ব্যয় সীমিত কৰি বাজেটৰ পৰিৱেশকেন্দ্ৰিক কামত লগাব পাৰে। বৰ্তমান সময়ৰ সমাজত ইয়াৰ প্ৰয়োজন তুলনাবিহীন। সেউজ গ্ৰন্থাগাৰৰ নিৰ্মাণৰ বাবে গ্ৰন্থাগাৰিকসকলে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিব লাগে। বিভিন্ন আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান-প্ৰতিষ্ঠানে সেউজ গ্ৰন্থাগাৰ স্থাপনৰ বাবে সহায়ৰ হাত আগবঢ়ায়। এনেস্থলত চৰকাৰে দেশৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহক সেউজ গ্ৰন্থাগাৰ নিৰ্মাণৰ বাবে অনুপ্ৰেৰণা যোগাব লাগে। বিভিন্ন আঁচনি তৈয়াৰ কৰি পৰিৱেশক প্ৰদূষণমুক্ত কৰিবৰ হকে সেউজ গ্ৰন্থাগাৰ স্থাপন কৰিব লাগে আৰু পৰিৱেশৰ লগতে মানৱ সমাজক দীৰ্ঘজীৱি কৰাত সহায়ৰ হাত আগবঢ়াব লাগে।

■■

*ঃ যদি কোনো মানুহে শুদ্ধ মনেৰে কয়, অথবা কাম কৰে, আনন্দ তেওঁৰ লগত ছাঁৰ দৰে থাকে আৰু কেতিয়াও লগ এৰা নিদিয়ে। — বুদ্ধ*

*ঃ সত্য আৰু অহিংসাৰ বাহিৰে আন কাকো ঈশ্বৰ বুলি ক'ব নোৱাৰা। — মহাত্মা গান্ধী*

# নাৰীবাদৰ ইতিহাস আৰু অসমীয়া সাহিত্যৰ উপন্যাসত নাৰীবাদী চিন্তাৰ প্ৰতিফলন

দীনেশ বৰা
অংশকালীন প্ৰবক্তা, অসমীয়া বিভাগ



ইংৰাজী 'Feminism' শব্দটোৰ অসমীয়া প্ৰতিশব্দৰূপে 'নাৰীবাদ' শব্দটো ব্যৱহাৰ কৰা হৈছে। নাৰীবাদ বা Feminism ৰ সংজ্ঞা কি বা নাৰীবাদ কি ? এই সম্পৰ্কে বিভিন্ন সময়ত ভিন্ন লোকে ইতিবাচক আৰু নেতিবাচকৰূপে নাৰীবাদৰ সংজ্ঞা আগবঢ়াইছে। 'Feminism' গ্ৰন্থৰ প্ৰণেতা জন চাৰ্ভেট (Jhon Charvet)ৰ মতে, 'নাৰী পুৰুষৰ সৈতে সমতাৰ ধাৰণা বা ভাৱেই নাৰীবাদ।' মূল্য আৰু গুৰুত্বৰ ফালৰ পৰা পুৰুষ আৰু নাৰীৰ মাজত কোনো প্ৰভেদ নাই। এয়ে নাৰীবাদৰ মৌলিক ধাৰণা। জে. আৰ. ৰিচাৰ্ডৰ মতে 'নাৰীবাদ হ'ল সমাজত নাৰীৰ প্ৰতি চলি থকা অন্যায়ৰ ধাৰণা বা বিশ্বাস।'

নাৰীবাদ প্ৰধানকৈ নাৰীৰ লগত জড়িত হ'লেও এই ধাৰণাৰ প্ৰথম উদ্ৰেক হয় দুগৰাকী পুৰুষ চিন্তাবিদৰ দৰ্শনত। তাৰে প্ৰথমজন হ'ল প্ৰখ্যাত ইংৰাজ দাৰ্শনিক জন ল'ক। এওঁৰ দ্বাৰা প্ৰকাশিত 'Second Treatise of Government, 1968'ত প্ৰথমতে নাৰীক পুৰুষৰ সৈতে সমান মৰ্যাদা দি পুৰুষৰ জীৱনত তেওঁলোকৰ স্থানৰ গুৰুত্ব দেখুওৱা হয়। সকলো মানুহেই সমান আৰু সকলো নাগৰিকে ৰাজনৈতিক অধিকাৰ সমানে পোৱাৰ কথা ল'কে এই গ্ৰন্থত দোহাৰে। ফৰাছী দাৰ্শনিক কঁডৰ্চে (Condoreet) জন ল'কৰ প্ৰায় এশ বছৰৰ পিছত ফ্ৰান্সত 'Admission of women to full citizenship, 1990' গ্ৰন্থত নাৰীৰ যে পুৰুষৰ দৰেই নাগৰিক আৰু তেওঁলোককো নাগৰিকৰ পূৰ্ণ স্বাধীনতা দিব লাগে তাৰ ধাৰণা প্ৰচাৰ কৰিছিল। নাৰীৰ স্বাধীনতাক দুগৰাকী পুৰুষে দোহৰাৰ দুবছৰ পিছতহে এগৰাকী মহিলাই এই বিষয়ৰ ওপৰত গ্ৰন্থ প্ৰকাশ কৰা দেখা যায়।

১৭৯২ চনত মেৰী উলষ্টোনক্ৰাফট (Marry Wollslonecraft) য়ে 'A vindication of the Right of woman, 1792' গ্ৰন্থৰ যোগেদি নাৰীবাদী চিন্তাধাৰাৰ প্ৰকাশ ঘটালে। নাৰী যে এটা যৌন সত্ত্বা নহয়— নাৰীও মানৱ সত্ত্বাহে (Human being)। মানৱসত্ত্বা হিচাপে নাৰীও পুৰুষৰ দৰেই যুক্তিবাদী মানৱ সত্ত্বা হিচাপে তেওঁ কেৱল আৱেগিক নহয়। যেনে আৱেগিক সত্ত্বা নোহোৱা বাবে, যুক্তিবাদী মানৱসত্ত্বা হোৱা বাবে নাৰীয়েও পুৰুষৰ দৰে জীৱনৰ পৰিপূৰ্ণতা বিচাৰে। নাৰীজীৱনৰ পৰিপূৰ্ণতা কেৱল বিবাহ, স্বামীৰ সেৱা আৰু সন্তানৰ উৎপাদন নহয়। পুৰুষ আৰু নাৰীৰ মাজত কোনো পাৰ্থক্য মেৰী উলষ্টোনক্ৰাফটৰ মতে নাই বাবে তেওঁ নাৰীৰ বাবে বিভিন্ন স্কুল বা শিক্ষা পদ্ধতি থকাটো নিবিচাৰে। সমাজত মতা মানুহ আৰু মাইকী



...সমাজত মতা মানুহ আৰু মাইকী মানুহ বুলি কোনো ভেদাভেদ থাকিব নালাগে, সমাজত সকলো কেৱল মানুহ। পুৰুষসত্ত্বা আৰু নাৰীসত্ত্বা বুলি কোনো ভিন্ন সত্ত্বা নাই। দুয়োটিয়ে একে মানৱ সত্ত্বা। মানুহৰ প্ৰকৃতি আৰু মূল্য লিংগৰ ভিত্তিত বিচাৰ কৰা অনুচিত। এয়েই হ'ল নাৰীবাদৰ সাৰ কথা। নাৰীও এক ব্যক্তিসত্ত্বা আৰু তেওঁৰো ব্যক্তি স্বাধীনতা আছে...

মানুহ বুলি কোনো ভেদাভেদ থাকিব নালাগে, সমাজত সকলো কেৱল মানুহ। পুৰুষসত্ত্বা আৰু নাৰীসত্ত্বা বুলি কোনো ভিন্ন সত্ত্বা নাই। দুয়োটিয়ে একে মানৱ সত্ত্বা। মানুহৰ প্ৰকৃতি আৰু মূল্য লিংগৰ ভিত্তিত বিচাৰ কৰা অনুচিত। এয়েই হ'ল নাৰীবাদৰ সাৰ কথা। নাৰীও এক ব্যক্তিসত্ত্বা আৰু তেওঁৰো ব্যক্তি স্বাধীনতা আছে। এই কথা শতাব্দীৰ শেষ ভাগলৈ এই এশ বছৰত উপৰোক্ত তিনিগৰাকী লেখকৰ ৰচনাৰ যোগে স্পষ্ট হৈ উঠাৰ পিছত এই ভাৱধাৰাই পশ্চিমীয়া দেশত এক আন্দোলনৰ ৰূপ লয়।

উনবিংশ শতিকাৰ মাজভাগত আমেৰিকাৰ মহিলাসকলে নাৰীৰ স্বাধীনতা সম্পৰ্কে সচেতন হোৱা দেখা যায়। এওঁলোকে পুৰুষৰ দৰে অধিকাৰ দাবী তুলিলে। ১৯৪৮ চনত আমেৰিকাৰ মহিলাসকলে চেনেকা ফল্চত তেওঁলোকৰ বাবে কেতবোৰ দাবী উত্থাপন কৰিলে। (Declaration of Sentiments by woman's Rights Commention) এই দাবীবোৰেই সমগ্ৰ পাশচাত্যত নাৰী মুক্তি আন্দোলন ৰূপ পৰিগ্ৰহণ কৰাত এই চিন্তাধাৰা ক্ৰমান্বয়ে সম্প্ৰসাৰিত হ'ল। (Jhon Stuat Mil) জন ষ্টুৱাট মিল নামৰ ব্যক্তিজনে 'The Subjection of Women' গ্ৰন্থখন ৰচনা কৰি নাৰীবাদী চিন্তা-চৰ্চাৰ বিকাশত সহায় কৰে।

নাৰীবাদক সাধাৰণতে তিনিভাগত ভাগ কৰিব পাৰি। ব্যক্তিবাদী নাৰীবাদ, সমাজবাদী নাৰীবাদ আৰু মৌল নাৰীবাদ। ব্যক্তি স্বাধীনতা সম্পৰ্কে যি নাৰীবাদত গুৰুত্ব দিয়ে সেই নাৰীবাদী ধাৰণাক ব্যক্তিবাদী নাৰীবাদ বোলে। সমাজবাদী নাৰীবাদৰ কথা যদি চোৱা যায় কাৰ্ল মাৰ্ক্সৰ চিন্তাতেই সমাজবাদী নাৰীবাদৰ ধাৰণা অন্তনিৰ্হিত হৈ আছে। কাৰ্লমাৰ্ক্সৰ যি সমাজবাদী ধাৰণা, তাৰ মতে প্ৰতিটো ব্যক্তিসত্ত্বাই একে সময়তে সামাজিক সত্ত্বাও। একে সময়তে তেওঁ এহাতে যেনেকৈ এজন ব্যক্তি, তেনেকৈ আনহাতে সমাজৰ এটি অংগও। গতিকে তেওঁৰ কামে-কাজে তেওঁৰ ধ্যান-ধাৰণা এহাতে যেনেকৈ তেওঁৰ নিজস্ব বা ব্যক্তিগত আনহাতে সি সমাজত সংঘটিত হয় বাবে সামাজিকো। কাৰ্লমাৰ্ক্সৰ এই ধাৰণাৰ পৰা এটা কথা ক'ব পাৰি যে নাৰীও একে সময়তে ব্যক্তিসত্ত্বা আৰু আনপিনে সামাজিক সত্ত্বা, গতিকে নাৰীৰ ওপৰত কোনোধৰণৰ আনুষ্ঠানিক, পৰম্পৰাগত বা সামাজিক বাধা নিষেধ আৰোপিত হোৱাৰ প্ৰয়োজন নাই। মাৰ্ক্সবাদী সমাজবাদত নাৰী মুক্তি স্বতঃস্ফূত। নাৰীৰ ব্যক্তিগত স্বাধীনতা ইয়াত পুৰুষৰ দৰেই সমাজমুখী।

নাৰীবাদৰ তৃতীয় ভাগটো হ'ল মৌল নাৰীবাদ। মৌল নাৰীবাদ (Radical Feminism)ৰ ধাৰণামতে নাৰীয়ে পুৰুষৰ লগত বিবাহপাশত আৱদ্ধ হোৱা মানেই নাৰীৰ সকলো স্বাধীনতা বিসৰ্জন দিয়া। পুৰুষৰ লগত থাকিলেও পুৰুষক পতি বা স্বামী হিচাপে বৰণ কৰিবলৈ মৌল নাৰীবাদীসকল নাৰাজ। সমাজত পৰম্পৰাগতভাৱে চলি অহা বিবাহে যিহেতু সদায় নাৰীৰ স্বাধীনতাকে খৰ্ব কৰে, গতিকে ধৰ্মীয় আৰু সামাজিক প্ৰথাৰ বিবাহ তেওঁলোকৰ মতে নাৰীৰ বাবে হানিকাৰক। পুৰুষৰ সংগত থাকিলেই যদি নাৰীৰ

...বিশ্বৰ সমাজ ব্যৱস্থাত প্ৰচলিত নাৰীবাদ কেৱল একোটা জীৱন পদ্ধতি বা জীৱন দৰ্শন বা ভাৱধাৰায়ে হৈ থকা নাই। এই ভাৱধাৰাই সামাজিক আন্দোলনৰ সৃষ্টিতে ক্ষান্ত থকা নাই। ই সাহিত্যজগতখনতো জোকাৰণি তুলিছে। সাহিত্যৰ ওপৰত ইয়াৰ প্ৰভাৱ এনেদৰে পৰিছে যে বিশ্বৰ বহুতো বিখ্যাত সাহিত্যিকো ইয়াৰ পৰা সাৰি যোৱা নাই...

ওপৰত আধিপত্য বিস্তাৰ কৰিব খোজে, তেন্তে সেই সংগত নাৰীয়ে ত্যাগ কৰা প্ৰয়োজন। নাৰীৰ নিজস্ব প্ৰতিভা বিকাশৰ বাবে বিবাহ, স্বামী আৰু অক্ষুণ্ণ ৰখাৰ বাবে বিবাহ, স্বামী আৰু আনকি সন্তান-সন্ততিও পৰিহাৰ কৰিবলৈ তেওঁলোক উন্মুখ। পেৰিচৰ বুদ্ধিজীৱি মহিলা চিমোন ডি বোভোৱাই (Simons de Beauvour) তেওঁৰ 'The Second Sex, 1949' গ্ৰন্থত এনে মৌলবাদৰ ধাৰণা থিয় কৰাইছিল। অস্তিত্ববাদী দৰ্শনৰ নিৰকুংশ ব্যক্তিৰ স্বাধীনতাত এওঁ বিশ্বাস কৰিছিল। গতিকে প্ৰতিগৰাকী নাৰীয়েও সমাজত কেনে হ'ব, কি কৰিব তাক নিজেই ঠিক কৰি ল'ব। পিতৃ, স্বামী, সমাজ, পৰম্পৰা-এইবোৰৰ নিৰ্দেশত নাৰীৰ জীৱন নিয়ন্ত্ৰণ কৰিবলৈ এৰি দিব নোৱাৰি। এয়াই আছিল চিমোন ডি বোভোৱাৰ অস্তিত্ববাদী দৰ্শনভিত্তিক মৌল নাৰীবাদৰ মূল ধাৰণা।

বিশ্বৰ সমাজ ব্যৱস্থাত প্ৰচলিত নাৰীবাদ কেৱল একোটা জীৱন পদ্ধতি বা জীৱন দৰ্শন বা ভাৱধাৰায়ে হৈ থকা নাই। এই ভাৱধাৰাই সামাজিক আন্দোলনৰ সৃষ্টিতে ক্ষান্ত থকা নাই। ই সাহিত্যজগতখনতো জোকাৰণি তুলিছে। সাহিত্যৰ ওপৰত ইয়াৰ প্ৰভাৱ এনেদৰে পৰিছে যে বিশ্বৰ বহুতো বিখ্যাত সাহিত্যিকো ইয়াৰ পৰা সাৰি যোৱা নাই। কেৱল মহিলা সাহিত্যিকেহে যে নাৰীবাদী সাহিত্য সৃষ্টি কৰিছে এনে নহয়। নাৰীবাদী সাহিত্য সৃষ্টিত পুৰুষ সাহিত্যিকসকলো ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। নাৰীবাদৰ ঐতিহাসিক বিচাৰৰ পৰা ক'ব পাৰি যে নাৰীবাদ কেৱল অসন্তুষ্ট নাৰী পুৰুষৰ বিৰুদ্ধে হকে-বিহকে বিষোদগাৰ আৰু বিৰুদ্ধাচৰণ নহয়। ই সমাজ তথা পৰিয়ালত প্ৰত্যক্ষ কৰা কথাবোৰৰ বিষয়ে কৰা চিন্তাৰ ভিত্তিত গঢ়ি উঠা জীৱনবোধ তথা সমাজবোধৰ দৰ্শন। এই দৰ্শন বা চিন্তাধাৰা যিহেতু সমাজৰ লগত অংগাংগী, গতিকে ইয়াৰ ভিত্তিত সমাজৰ সংস্কাৰ সাধন এই দৰ্শনৰ লক্ষ্য।

অসমীয়া সাহিত্যলৈ যদি চোৱা যায়, কম পৰিমাণে অসমীয়া সাহিত্যতো বিশেষকৈ উপন্যাসত নাৰীবাদী চিন্তা-চেতনাৰ প্ৰকাশ ঘটা দেখা যায়। অতীজৰে পৰা প্ৰচলন হৈ অহা অসমীয়া সমাজ ব্যৱস্থাতো নাৰীক বেলেগ এটা দৃষ্টিভংগীৰে চোৱা হৈছিল। পৰম্পৰা, ৰীতি-নীতি দোহাই নাৰীক কেৱল ঘৰৰ ভিতৰতে আৱদ্ধ কৰি ৰাখিছিল। পৰৱৰ্তী সময়ত পাশ্চাত্য আৰু আধুনিক শিক্ষা-দীক্ষাৰ প্ৰসাৰে নাৰী মৰ্যাদা আৰু নাৰীৰ অৱস্থা সম্পৰ্কে নাৰীসকলেই প্ৰথমে সজাগ হৈছিল। নাৰীসকলেই যদিও প্ৰথমতে সজাগ হৈছিল, তথাপি অসমীয়া উপন্যাসত এনে চেতনা প্ৰথমে প্ৰকাশিত হয় পুৰুষ সাহিত্যিকৰ হাততহে। বিশ্বৰ পটভূমিৰ ক্ষেত্ৰখনলৈ যদিও চোৱা যায় নাৰীবাদী চিন্তা-চৰ্চা প্ৰতিফলন ঘটিছিল পুৰুষ চিন্তাবিদৰ হাততেই।

অসমত অসমীয়া সাহিত্যত নাৰীৰ অৱস্থা প্ৰতিফলন ঘটোৱা ঔপন্যাসিক-ঔপন্যাসিকাসকলৰ ভিতৰত ৰজনীকান্ত বৰদলৈ, দণ্ডিনাথ কলিতা, চন্দ্ৰপ্ৰভা শইকীয়ানী, বিৰিঞ্চি কুমাৰ বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, নিৰুপমা বৰগোঁহাঞি, মামমি ৰয়ছম গোস্বামী, অৰূপা পটংগীয়া কলিতা, পূৰবী বৰমুদৈ, অনুৰাধা শৰ্মাপূজাৰী, আৰাধনা গোস্বামী আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এই লোকসকলেই নাৰীৰ প্ৰতিবাদী সুৰৰ ধাৰা অসমীয়া সাহিত্যলৈ বোৱাই আনে।

পৃথিৱীৰ ভিতৰত দীঘল মহাকাব্য 'মহাভাৰত'ৰ দ্ৰৌপদীৰ চৰিত্ৰৰ জৰিয়তে আমি নাৰীৰ প্ৰতিবাদী সত্ত্বাৰ বিষয়ে উমান পাওঁ। দ্ৰৌপদীৰ প্ৰতিবাদমুখী চিন্তাক শক্তি হিচাপে লৈ পাণ্ডৱে কৌৰৱৰ লগত যুদ্ধ কৰিছিল আৰু জয়ী হৈছিল।

অসমীয়া উপন্যাসত এই নাৰীবাদী ধাৰা প্ৰৱাহিত হয় ঊনবিংশ

শতিকাৰ পৰা। ঔপন্যাসিক দণ্ডিনাথ কলিতাৰ 'সাধনা' উপন্যাসখনতে প্ৰথম নাৰীৰ স্বতন্ত্ৰ সামাজিক মৰ্যাদাক স্বীকৃতি দিয়া হৈছিল। 'সাধনা' উপন্যাসখনত দণ্ডিনাথ কলিতাই নাৰীক একধৰণে বাহিৰৰ সমাজলৈ উলিয়াই আনিছে। পিছে ঔপন্যাসিকে মুখ্য চৰিত্ৰ দুটিক নিজৰ বাট বাছিল'বলৈ সুবিধা দিয়া নাই। সাধনাৰ মুখ্য চৰিত্ৰ 'প্ৰভা'ই শিক্ষিতা হৈ স্কুলৰ শিক্ষয়িত্ৰী হৈছে কিন্তু উপন্যাসৰ প্ৰধান পুৰুষ চৰিত্ৰটিয়ে প্ৰভাক সমাজত, ব্যক্তিগত জীৱনত নিজৰ ইচ্ছামতে চলন-ফুৰণৰ স্বাধীনতা দিয়া নাই। ইচ্ছানুযায়ী কাম কৰা স্বাধীনতা তেতিয়াও নাৰীৰ বাবে উপযোগী হৈ উঠা নাই। শিক্ষিতা প্ৰভাই বিশ্বাস কৰে-নাৰীৰো পুৰুষৰ দৰে অবাধ ব্যক্তি স্বাধীনতা থাকিব লাগিব আৰু সেই স্বাধীনতা উপভোগ কৰাৰ বাবে তেওঁলোক পুৰুষৰ দৰেই যোগ্য। 'সাধনা'ৰ মুখ্য চৰিত্ৰ দীনবন্ধুৱে এই কথা মানি নলয়। এই প্ৰসংগত তেওঁ বিলাতৰ নাৰী স্বাধীনতাক আদৰ্শ হিচাপে লোৱা প্ৰভাক কয়, 'তুমি বিলাতী স্বাধীনতাক ঠিক উদণ্ডীয়া গৰুৰ স্বাধীনতাৰ শাৰীত ধৰিছা, আচলতে কিন্তু তেনে স্বাধীনতা কোনো সভ্য সমাজতেই নাই।' তেওঁ আকৌ কৈছে, 'এনে উদণ্ডীয়া গৰুৰ স্বাধীনতাৰ নিচিনা স্বাধীনতা এই দলৰ ভিতৰত আছে আৰু তাৰ লগৰীয়া পাপ-ব্যভিচাৰৰ বিষাক্ত ফলেই বিলাতত অসংখ্য জাৰজাশ্ৰমৰ সৃষ্টি কৰিছে।' দীনবন্ধুৰ মতে নাৰী শিক্ষিত হৈ চাকৰি কৰিলেও অকলে অকলে ফুৰা-চকা কৰা নিষেধ। তাৰ কাৰণ তেওঁৰ মতে, 'আমাৰ দেশৰ পুৰুষে এতিয়া তিৰোতাক সন্মান কৰিবলৈ পাহৰিলে আৰু তিৰোতাও আত্মৰক্ষা কৰিবলৈ সমৰ্থ নহয়।'

> ...অসমীয়া উপন্যাসৰ নাৰীবাদ আৰু নাৰী ভাৱনাৰ ক্ষেত্ৰখনত অৱতীৰ্ণ হোৱা আন এগৰাকী ঔপন্যাসিকা হ'ল-অৰূপা পটংগীয়া কলিতা। এওঁৰ প্ৰথম উপন্যাস 'মৃগনাভি'ত সমাজত নাৰীৰ দশাক লৈ লেখিকাৰ চিন্তাৰ চাপ পৰা দেখা যায়। উপন্যাসখনিত এক গাভৰুৰ জীৱন কাহিনী সুন্দৰ ৰূপত বৰ্ণনা কৰিছে...

উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ 'ৰহদৈ লিগিৰী' উপন্যাসতো নাৰীবাদী চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটা দেখা যায়। উপন্যাসৰ কাহিনীভাগ আহোম যুগৰ শেষৰ ফালে মানৰ আক্ৰমনৰ ভেঁটিত প্ৰতিষ্ঠিত। উপন্যাসৰ নায়িকা 'ৰহদৈ'য়ে যুদ্ধ হ'ব বুলি ভাবি এটি দল গঠন কৰি তাৰ নেতৃত্ব দি সফলতা লাভ কৰিছিল বুলি কাহিনীও দেখুওৱা হৈছে। যুদ্ধৰ শেষত সফলতা লাভ কৰাৰ পাছতো তেওঁ আধ্যাত্মিক উৎকৰ্ষৰ বাবে হিমালয়লৈ যাবলৈ মনস্থ কৰিছে, সংসাৰলৈ উভতি যাবলৈ চিন্তা কৰা নাই। তেওঁক ভালপোৱা পুৰুষে ইয়াৰ কাৰণ সোধাত তেওঁ উত্তৰ দিছে, 'অসমত এনে কোনো ধৰ্মীয় স্থান নাই, য'ত নাৰীৰ বাবে আশ্ৰয় আছে। সত্ৰত কেৱল ভকতসকলৰহে স্থান, নাৰীৰ স্থান নাই। ফলত বৃদ্ধাৱস্থাত নাৰীয়ে ভগৱৎ চিন্তা কৰা, কোনো স্থান নাই। অসমত এতিয়ালৈকে মাইকী মানুহে ধৰ্ম বিলাই ফুৰা নাই। চাৰি সত্ৰীয়াসকল উদাসীন পুৰুষ। মাইকী মানুহ থাকিবলৈ বেলেগকৈ সত্ৰৰ আৰ্হিৰে অসমত আশ্ৰম নাই।' বৰদলৈদেৱৰ এই উপন্যাসখনৰ পৰা সমাজত নাৰীৰ ভাৱমূৰ্তি কেনেদৰে প্ৰতিফলিত হৈছে তাৰ উমান পাব পাৰি।

অসমীয়া সাহিত্যত মহিলাৰ দ্বাৰা ৰচিত প্ৰথম নাৰীবাদী উপন্যাস হ'ল চন্দ্ৰপ্ৰভা শইকীয়ানীৰ 'পিতৃ-ভিঠা'। নাৰীবাদী উপন্যাস হিচাপে ইয়াৰ এক বিশেষ মূল্য আছে। নাৰীবাদী উপন্যাস হিচাপে উপন্যাসখনৰ মূল মহিলা চৰিত্ৰৰ দ্বাৰা অসমীয়া সমাজত নাৰীক কেনেকুৱা দৃষ্টিভংগীৰে চোৱা হৈছিল তাৰ কথা গম পাব পাৰি। ছোৱালী মাত্ৰেই পৰম্পৰাগত সমাজখনে নিৰ্দিষ্ট বয়সত বিয়াৰ কথাই চিন্তা কৰিছিল। মূল নায়িকাই যেতিয়া পঢ়া-শুনা কৰি চাকৰি বিচৰাত লাগিছিল, তেওঁৰ মাতৃয়ে পিতৃপ্ৰধান আদৰ্শৰ সুৰত কৈছিল, 'মতা ল'ৰাৰ দৰে চাকৰি কৰি খাব লাগে যে বিয়া হৈ গ'লে কি হয়?' 'ইমান ডাঙৰ ছোৱালী এজনী ৰাখি থ'লে লোকে কি বুলিব, আৰু এনে বয়সত এনে বংশৰ ছোৱালী এজনীয়ে ওলাই-সোমাই চাকৰি কৰিলেই বা মানুহে বুলিব কি?' উত্তৰত



...বিশ্বৰ সাহিত্য ক্ষেত্ৰখনতো নাৰীবাদী দৃষ্টিভংগীৰ বৰ্হিপ্ৰকাশ ঘটিল পৰৱৰ্তী সময়ছোৱাত। গল্প, কবিতা, উপন্যাস আদিত নাৰীৰ মুক্তি, সমাজৰ প্ৰচলিত সমাজ ব্যৱস্থাৰ অন্যায়-শোষণৰ বিৰুদ্ধে নাৰী প্ৰতিবাদী কণ্ঠস্বৰ সাহিত্যিকসকলে ফুটাই তুলিলে...

নাৰীবাদী আদৰ্শৰ মাধৱীয়ে কৈছে, 'আৰ্জি খোৱা মতা ল'ৰাৰেই কাম নহয়, যোগ্যতাই কুলালে ছোৱালীয়েও আৰ্জি খাবৰ পৰিযত্ন কৰিব পাৰে। ছোৱালী চাকৰিত বংশৰ নাম থোৱা অন্ধযুগৰ ধাৰণা।' এই বুলি মাধৱীয়ে পিতৃ প্ৰধান সমাজ ব্যৱস্থাৰ ধ্যান-ধাৰণাৰ প্ৰতি প্ৰতিবাদৰ সুৰ তুলি ধৰিছে। উপন্যাসখনৰ বিভিন্ন ঠাইত মাধৱীয়ে পুৰুষতান্ত্ৰিক সমাজব্যৱস্থাৰ ভিন্ন দিশৰ প্ৰতি প্ৰতিবাদ জনাই নাৰীৰ যি জন্মগত অধিকাৰ তাক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিছে।

এওঁলোক দুজনৰ পিছত নাৰী ভাৱনা প্ৰকাশ পোৱা দুজন লেখক হ'ল বিৰিঞ্চি কুমাৰ বৰুৱা আৰু বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য। বিৰিঞ্চি কুমাৰ বৰুৱাৰ প্ৰথম উপন্যাস 'জীৱনৰ বাটত' নাৰীবাদী ভাৱধাৰা সঠিকভাৱে প্ৰকাশ পোৱা নাই যদিও আমাৰ সমাজত আৰু পৰিয়ালত নাৰীৰ অৱস্থা যে শোচনীয়, পুৰুষৰ তুলনাত নাৰীৰ জীৱন যে আমাৰ সমাজত বাধাপ্ৰাপ্ত তাৰ চেতনা এই উপন্যাসত পৰোক্ষভাৱে হ'লেও ধৰা পৰিছে। বৰুৱাদেৱৰ দ্বিতীয় উপন্যাস 'সেউজী পাতৰ কাহিনী'তো নাৰীবাদী ভাৱধাৰা ফুটি নুঠিলেও, প্ৰথম উপন্যাসৰ যি নাৰী ভাৱনা ইয়াত উত্তৰণ ঘটা দেখা যায়। উপন্যাসখনৰ কাহিনী চাহ বাগিচাৰ মেনেজাৰ পত্নী এলি চেইমূৰৰ সজাত বন্দী বিহংগিনীৰ দৰে অৱস্থা আৰু তাৰ নিৰ্বাক, অচেতন প্ৰতিবাদ আৰু সিপিনে সমাজ বহিৰ্ভূত, পৰম্পৰামুক্ত বৰ্ণসংকৰ ছোৱালী ছনিয়াৰ পুৰুষ সমাজৰ বিপক্ষে ক্ষুদ্ৰ মনৰ বিকাৰ আৰু চিৎকাৰ এইবোৰ কিন্তু স্পষ্টভাৱে নাৰীবাদৰ বাবেই আহ্বান যদিও প্ৰত্যক্ষৰূপত ইও নাৰীবাদ তুলি ধৰা নাই। পাঠকৰ মনত নাৰী ভাৱনাৰ খোৰাকহে যোগান ধৰিছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'চিনাকি সুঁতি', 'ডাইনী' এই দুখন উপন্যাসত নাৰী চৰিত্ৰই প্ৰাধান্য লাভ কৰিছে। দুয়োখন উপন্যাসৰে নাৰী চৰিত্ৰ দুটি আন মহিলাৰ দৰে গতানুগতিক হৈও অগতানুগতিক হৈ পৰিছে। প্ৰথমখন উপন্যাসৰ নাৰী চৰিত্ৰ 'অপৰ্ণা' দ্বিতীয়খন উপন্যাসৰ নাৰী চৰিত্ৰ 'পদুমী'ৰ জৰিয়তে নাৰীবাদী চেতনাৰ বৰ্হিপ্ৰকাশ ঘটাইছে।

কুৰি শতিকাৰ এগৰাকী শক্তিশালী নাৰীবাদী সচেতন লেখক হ'ল নিৰুপমা নিৰুপমা বৰগোহাঞিও। নিৰুপমা বৰগোহাঞিৰ 'অন্য জীৱন', 'অভিযাত্ৰী' আৰু 'চম্পাৱতী' এই তিনিখন উপন্যাসত ঔপন্যাসিকাই নাৰীবাদী চেতনা প্ৰকাশ ঘটাইছে। 'অন্য জীৱন' বৰগোহাঞিৰ এখন উৎকৃষ্ট নাৰীবাদী সাৰ্থক উপন্যাস। উপন্যাসখনৰ কাহিনী উপজীব্য হ'ল এক নৱ দম্পতীৰ বৈবাহিক প্ৰেম। ডেকা স্বামীয়ে গাঁৱৰ মানুহ, পৰিয়ালৰ লগত চিনাকি কৰাই দিয়াৰ উদ্দেশ্যেৰে গাঁও পাইছেগৈ। তাত হোৱা তেওঁলোকৰ সৰু আপাততঃ তাৎপৰ্যহীন অভিজ্ঞতা কেতবোৰ উল্লেখেৰে ঔপন্যাসিকাই ক্ৰমে ক্ৰমে এটি গুৰুত্বপূৰ্ণ বিষয়বস্তু উপভোগ্য ৰূপত তুলি ধৰিছে। পুৰুষ প্ৰধান সমাজত নাৰীৰ বিভিন্ন সমস্যা আৰু অসুবিধাসমূহ লেখিকাই কৌশলেৰে উপস্থাপিত কৰিছে আৰু সু-সংগঠিত আন্দোলনৰ যোগে এনে সমস্যাৰ যে সমাধান হ'ব পাৰে তাৰ ইংগিত উপন্যাসখনৰ পৰা পাব পাৰি। নাৰী আৰু পুৰুষৰ পৰস্পৰ সহযোগিতাতহে প্ৰকৃত নাৰীমুক্তি সম্ভৱ হ'ব পাৰে সেই কথা ঔপন্যাসিকাই কাহিনীৰ মাজভাগত উপস্থাপন কৰিছে।

নাৰীবাদ মানে নাৰীৰ পুৰুষ বিদ্বেষ নহয়, পুৰুষৰ বিৰুদ্ধে নাৰীৰ কেৱল ওজৰ-আপত্তি নহয়। ই এক সামাজিক দৰ্শন। এই ধাৰণাৰ পৰিচয় দিছে নিৰুপমা বৰগোহাঞিয়ে 'অন্য জীৱন' আৰু 'চম্পাৱতী'ত। 'অভিযাত্ৰী' এখন জীৱনীমূলক নাৰীবাদী অসমীয়া উপন্যাস। স্বাধীনতা সংগ্ৰামী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনৰ আধাৰাত এইখন উপন্যাস ৰচিত।

সৰুৰে পৰা শিক্ষিত, চতুৰ চন্দ্ৰপ্ৰভাই জীৱনৰ মধ্যভাগলৈকে কেনেদৰে সমাজ-পুৰুষৰ পৰা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল আৰু প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰি জীৱন সংগ্ৰামত অৱতীৰ্ণ হৈছিল, সেই কথাবোৰেই উক্ত উপন্যাসত নাৰীবাদী দৃষ্টিভংগীৰে প্ৰকাশ ঘটাইছে। 'অভিযাত্ৰী' উপন্যাসখনত নাৰীবাদী চেতনাৰ দুটা উদাহৰণ হ'ল-যেতিয়া চন্দ্ৰপ্ৰভাই বাছ চলোৱাৰ সিদ্ধান্ত লয় তেতিয়া শুভাকাংক্ষী ডাঃ ভূবনেশ্বৰ বৰুৱাৰ পৰা আঠাইশ হাজাৰ টকা ঋণ হিচাপে বিচাৰিলে। ভূবনেশ্বৰ বৰুৱাৰ উত্তৰ 'আপুনি বাছ চলাব? মাইকী মানুহ হৈ বাছৰ কাৰবাৰ কৰিব?' ইয়াৰ উত্তৰত চন্দ্ৰপ্ৰভাই, 'মোৰদৰে আপুনিও গান্ধীভক্ত, গতিকে নাৰী পুৰুষৰ প্ৰভেদৰ কথাটো আপোনাৰ মুখৰ পৰাই শুনিব নোখোজো।' উপন্যাসখনত আৰু এটা নাৰীবাদী দৃষ্টান্ত হ'ল যেতিয়া সামাজিকভাৱে আমাৰ সমাজত বিয়া কৰোৱা হয় তেতিয়া বিয়াৰ আগতে ছোৱালী চোৱা এটা প্ৰথা আছে। এই প্ৰথামতে দৰাজনে ছোৱালীৰ ঘৰত আহি ছোৱালী চাব পাৰে কিন্তু ছোৱালীয়ে দৰাঘৰত গৈ দৰা চাব নোৱাৰে। উপন্যাসখনত ঔপন্যাসিকাই চন্দ্ৰপ্ৰভাৰ পুতেকৰ মুখৰ পৰা তেওঁৰ জন্মৰ আঁতিগুৰি সকলো জনাই যদি ইচ্ছা আছে তেতিয়া বিয়াত বহিব পাৰে। নবহিলেও কোনো আপত্তি নাই। ল'ৰাই যেনেকৈ ছোৱালীৰ সকলো আঁতিগুৰি জনাৰ অধিকাৰ আছে, ছোৱালীৰো সকলো আঁতিগুৰি জনাৰ অধিকাৰ আছে।' ঔপন্যাসিকাই এই ব্যৱস্থাটোক সমৰ্থন কৰা দেখা যায়।

নিৰুপমা বৰগোঁহাঞিৰ পাছতে এগৰাকী শক্তিশালী গদ্য লেখিকা হ'ল মামণি ৰয়ছম গোস্বামী। মামণি ৰয়ছম গোস্বামী সমাজ সচেতন এগৰাকী লেখিকা হিচাপে অসমীয়া সাহিত্যত বিশেষ খ্যাতি আছে। 'দঁতাল হাতীৰ উঁয়ে খোৱা হাঁওদা' লেখিকাৰ এখন সাৰ্থক নাৰীবাদী উপন্যাস। দক্ষিণ কামৰূপৰ আমৰঙাৰ দামোদৰীয়া সত্ৰৰ অধিকাৰ গোস্বামীৰ ঘৰৰ ধৰ্মীয় পৰম্পৰা ৰক্ষণশীলতাৰ বাবেই এগৰাকী কম বয়সীয়া বিধৱা নাৰীৰ ওপৰত চলা অবৰ্ণনীয় অত্যাচাৰ, অৱশেষত হিন্দু সমাজৰ পৰম্পৰা নীতি-নিয়মক তীব্ৰ প্ৰতিবাদ কৰি গিৰিবালাই বাছি লোৱা আত্মহত্যা আদি কাহিনী উপন্যাসৰ মাজেৰে অতি সুন্দৰভাৱে ফুটি উঠিছে। উপন্যাসখনত পাঠকৰ অন্তৰত গভীৰভাৱে ৰেখাপাত কৰিব পৰা এটা চৰিত্ৰ হ'ল গিৰিবালা। গিৰিবালাই উপন্যাসখনৰ মূল নায়িকা। উপন্যাসখনৰ হিন্দু সমাজৰ নাৰীৰ বৈধব্য জীৱনৰ জ্বালা-যান্ত্ৰণা, পৰম্পৰা, ৰীতি-নীতি দোহাই মানৱতা বিৰোধী হনা-খোচা, লাঞ্চনা-গঞ্জনা ফুটাই তুলিছে। ধৰ্মীয় পৰম্পৰা অনুসৰি উচ্চ বৰ্ণৰ হিন্দু নাৰী বিধৱা হ'লে সমাজৰ নিয়ম অনুসৰি তাইৰ কথা-বতৰা, চাল-চলন, খোৱা-বোৱা, পিন্ধা-উৰা ইত্যাদিৰ ক্ষেত্ৰত থকা কঠোৰ নিয়ম গিৰিবালাই মুঠেই মানিব পৰা নাছিল।

উপন্যাসখনৰ মধ্যভাগত মাৰ্ক চাহাবৰ সৈতে গিৰিবালা একেটা কোঠাত থকাৰ বাবে প্ৰায়চিত্তৰ সন্মুখীন হৈছে সমাজৰ পৰা। প্ৰায়চিত্ত অনুসৰি কুল পুৰোহিত আৰু গাঁৱৰ মানুহে বাঁহ-বেত, কলঠৰুৱাৰে নিৰ্মাণ কৰা ঘৰটোত তাইক প্ৰায়চিত্ত কৰোৱালে, তেতিয়া কিছু সময় মৌন হৈ থাকি তাই পুৰোহিতৰ মন্ত্ৰোচাৰণ শুনিলে আৰু অৱশেষত চিঞৰি উঠিল- 'দি জুই লগাই দি'। চালিখন জুই লগাই দিয়াৰ পাছত ওলাই যাম বুলি কোৱা গিৰিবালা ওলাই আৰু নাহিল। চাৰিওফালে বিয়নি পৰিছিল মানুহ গোৰা গোষ্ঠ সমাজৰ নীতি-নিয়মৰ যান্ত্ৰণাত গিৰিবালাই মৃত্যুক সাৰটি বন্ধনৰ পৰা মুক্তি নিজেই বিচাৰি ল'লে।

গিৰিবালা চৰিত্ৰটোৰ দ্বাৰা ঔপন্যাসিকাই গিৰিবালাৰ দুঃসাহস আৰু সামাজিক প্ৰথা, তাৰ লগত সকলো ধৰণৰ ৰক্ষণশীল মনোবৃত্তিৰ ওপৰতো তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। গিৰিবালাই অৱৰুদ্ধ নাৰী হিচাপে জীয়াই থাকিব বিচৰা নাই। এজাক মানুহৰ চকুৰ সন্মুখতে একুৰা জুইত নিজকে নিঃশেষ কৰি গিৰিবালাই 'সতী' তিৰোতাৰ প্ৰতি থকা ধাৰণা তথা পৰম্পৰাটোৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰিছে আত্মহত্যাৰ জৰিয়তে।

সৰু গোঁসানী উপন্যাসখনৰ আন এটা নাৰীবাদী চৰিত্ৰ। ৰক্ষণশীল, পুৰুষ প্ৰধান সমাজখনত আৰু গোঁসানীয়ে শক্তিশালী ভূমিকা গ্ৰহণ কৰিছে। স্বামীৰ মৃত্যুৰ পিছত সৰু গোঁসানীয়ে শিষ্যসকলক নিজেই শৰণ দিছে। মাটি-বাৰী চোৱা-চিতা কৰা ক্ষেত্ৰত মনৰ ভিতৰত এক অভিলেখ সৃষ্টি কৰিছে। সৰু গোঁসানীৰ এনে কৰ্ম-কাণ্ড সাহস আৰু দৃঢ়তা দেখি মহাপ্ৰভুৰ পত্নীয়ে কৈছিল-'বৰ সাহ, বৰ সাহ সৰুৰ।'

গোঁসানীৰ কাৰ্য পৰম্পৰা নিয়ন্ত্ৰিত সমাজৰ বাবে বিধৱা নাৰীৰ নীতি-নিয়মৰ পৰিপন্থী আছিল। এই পৰিপন্থাক গিৰিবালাৰ দৰে সৰু গোঁসানীয়েও মানিব খোজা নাই।

অসমীয়া উপন্যাসৰ নাৰীবাদ আৰু নাৰী ভাৱনাৰ ক্ষেত্ৰখনত অৱতীৰ্ণ হোৱা আন এগৰাকী ঔপন্যাসিকা হ'ল- অৰূপা পটংগীয়া কলিতা। এওঁৰ প্ৰথম উপন্যাস 'মৃগনাভি'ত সমাজত নাৰীৰ দশাক লৈ লেখিকাৰ চিন্তাৰ ছাপ পৰা দেখা যায়। উপন্যাসখনিত এক গাভৰুৰ জীৱন কাহিনী সুন্দৰ ৰূপত বৰ্ণনা কৰিছে। অকালতে বিধৱা হোৱা উপন্যাসখনিৰ মুখ্য নাৰী চৰিত্ৰ ছোৱালীজনীয়ে মানুহ হিচাপে জীয়াই থাকিবলৈ টান পাইছে। হিন্দু বিধৱাৰ বাবে সমাজৰ নিৰ্দ্দিষ্ট আচাৰ-নীতি পালন কৰিবলৈ অমান্য হোৱাত তিৰোতাসকলৰ পৰাই কটু মন্তব্য শুনিবলগা হৈছে। এগৰাকী অধ্যাপিকা হোৱা স্বত্বেও অৰ্থনৈতিকভাৱে শক্তিশালী হোৱাৰ পাছতো তেওঁ সমাজৰ সমালোচনাত ক্ষত-বিক্ষত। উপন্যাসখনৰ শেষৰফালে এই নাৰী চৰিত্ৰটি মানসিকভাবে বিকাৰ হৈ পৰিছে। আজিৰ সমাজত নাৰী শিক্ষাগত ক্ষেত্ৰত বহুখিনি আগবাঢ়ি গৈছে যদিও নাৰীৰ অৱস্থা অকণো উন্নতি হোৱা নাই। নায়িকাৰ এগৰাকী অকাল বিধৱা আইতাকে অতীত যিখিনি যান্ত্ৰণা ভোগ কৰিবলগা হৈছিল-আজি তেওঁৰ নাতিনী নায়িকায়ো তেওঁৰ সকলো শিক্ষা-দীক্ষা থকা স্বত্বেও সেই একেই অসুবিধা ভোগ কৰিবলগা হৈছে।

ইয়াৰ উপৰিও নাৰী মুক্তি বা সমাজত নাৰীৰ উপযুক্ত স্থান নিৰ্ণয় কৰিবলৈ বহুতো সাহিত্যিকে নাৰীবাদী বা নাৰীভাৱনা উপন্যাসত প্ৰকাশ কৰি আহিছে। তেনে কেইগৰাকীমান ঔপন্যাসিকাৰ ভিতৰত পূৰবী বৰমুদৈ, ৰত্না দত্ত, অনুৰাধা শৰ্মা পূজাৰী, আৰাধনা গোস্বামী আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ৰত্না দত্তৰ 'মধুৰতম সময়', 'দ্বিতীয়া', অনুৰাধা শৰ্মা পূজাৰীৰ 'হৃদয় এক বিজ্ঞাপন', 'চাহেবপুৰৰ বৰষুণ', আৰাধনা গোস্বামীৰ 'কল্লোলিনী' আদিত নাৰীভাৱনা সুন্দৰ ৰূপত দেখুওৱা হৈছে।

পশ্চিমীয়া দেশত আৰম্ভ হোৱা নাৰীবাদী আন্দোলন পৰৱৰ্তী সময়ত সমগ্ৰ বিশ্বত এক সামাজিক দৰ্শন হিচাপে স্বীকৃত হৈছিল। নাৰীক কেন্দ্ৰ কৰি গঢ়ি উঠা এই সামাজিক দৰ্শনক পৰৱৰ্তী সময়ত নাৰীসকলে ব্যাপকভাৱে আগবঢ়াই নি সমগ্ৰ বিশ্বতে ইয়াৰ বাবে সকলোকে সচেতন কৰি তুলিবলৈ চেষ্টা কৰিছিল। আজিও সেই প্ৰচেষ্টা নাৰীসকলৰ মাজত অব্যাহত আছে। নাৰীবাদী দৃষ্টিভংগীক কেৱল নাৰীসকলেই যে মান্যতা প্ৰদান কৰিছে এনে নহয়। সমাজৰ পুৰুষসকলেও তেওঁলোকক সমৰ্থন নকৰা নহয়।

পুৰুষৰ চিন্তাতেই এসময়ত এই নাৰীবাদী দৃষ্টিভংগীৰ সূত্ৰপাত হৈছিল। বিশ্বৰ সাহিত্য ক্ষেত্ৰখনতো নাৰীবাদী দৃষ্টিভংগীৰ বৰ্হিপ্ৰকাশ ঘটিল পৰৱৰ্তী সময়ছোৱাত। গল্প, কবিতা, উপন্যাস আদিত নাৰীৰ মুক্তি, সমাজৰ প্ৰচলিত সমাজ ব্যৱস্থাৰ অন্যায়-শোষণৰ বিৰুদ্ধে নাৰী প্ৰতিবাদী কণ্ঠস্বৰ সাহিত্যিকসকলে ফুটাই তুলিলে। উদ্দেশ্য সমাজত নাৰীৰ মুক্তি মানৱীয় সত্ত্বা হিচাপে পুৰুষৰ লগতে নাৰীৰো সকলো ক্ষেত্ৰত সমান অধিকাৰ সাব্যস্ত কৰাৰ। অসমীয়া সাহিত্যয়ো ইয়াৰ পৰা মুক্ত নহয়। বিভিন্ন সময়ত সাহিত্যৰ ভিন্ন ভাগত নাৰীবাদী চেতনা প্ৰকাশ পাই আহিছে।

■■

# SOLITARY MUSINGS OF A YOUNG MIND

Kasturi Saikia
Asst. Prof. Department of English

We have been infected by the idea that life is a continuous race and if we do not succeed in it , we shall fail in life. We are made to believe that no one shall remember us for being second. Only the first matters.

Unfortunately, none can be blamed for this notion because we live in a world full of "what's next?". Barely, a 16 year old kid completes the matriculation , the question , "what's next ?" pops up. In this fast moving world , we are constantly bombarded with questions even before our mind processes a change that we have undergone.

Let's pause here for a second and think , "What is life?". "Isn't life bigger that just a race ?", A race , in the process of which ,we often lose ourselves . " Is our life just limited to a race with our fellow mates?" .

Isn't life the creation of a better version of ourselves than we were yesterday rather than being engaged in self destructive competitions ?



Life is a series of miracles . It is a door to opportunities and a plethora of happiness where happiness lies in the smallest of the things. Life is not about how fast we are able to get at the finishing line. Rather , its about how better we move at our own pace. Life is love. We are often blinded with the misconception that love is just an emotion felt between two people. Love is universal and is a gift to many. To smile at a stranger is love and to shelter a homeless is also love . For some, a word of love is all that they desire for. Life provides us with these opportunities.

Such is the greatness of life. We often undermine this greatness of life by reducing it into a mere calculation of gains and losses. Life is not always about what we achieved or how much wealth we accumulated. Martyr Colonel Munindranath Rai , who lost his life fighting terrorists in Jammu and Kashmir once said , "Life is about playing our role in life with such passion that even after the curtains fall down , the applause does not stop" .

Life is about finding ourself and moulding our selves to better human beings . With education comes the knowledge not just of our discipline but also the realization of a responsibility towards the vast societal set-up , which we are a part of. In this race of acquiring degrees and accolades for oneself, if we can stop for a moment and bring smiles to the faces who are less privileged than ours , there would not be a greater contentment than this. The real achievement lies in the successful dissemination of one's knowledge . There lies gratification in the saying "service before self".

William Martin , the American author once said,
"Donot ask your children
To strive for extraordinary lives.
Such striving may seem admirable,
But it is a way of foolishness.
Help them instead to find the wonder
And the marvel of an ordinary life.
Show them the joy of tasting
Tomatoes, apples and pears.
Show them how to cry
When pets and people die.
Show them the infinite pleasure
In the touch of a hand.
And make the ordinary come alive for them.
The extra ordinary will take care of itself."

Our life shall be successful in the true sense when our soul feels at peace and when we start loving our flaws, our awkwardness, and insecurities because happiness also lies in being imperfect. Abraham Lincoln once said, "It's not the years in your life that counts . It's the life in our years that counts". It's how we live that matters.

Life is not always about "what's next ?" and getting what we wish . Life is also about being grateful for all that we have . Let's not just exist! Let's live and make our living worthwhile!. ....

# বিশ্বৰ বিখ্যাত ব্যক্তিসকলৰ দৃষ্টিত ভাৰতবৰ্ষ

সংগ্ৰাহক ঃ দিগন্ত কুমাৰ শইকীয়া
সহকাৰী অধ্যাপক, ভূগোল বিভাগ

Albert Einstein (1879-1955)
"We owe a lot the Indian who taught we how to count, without which no worthwhile scientific discovery could hare been made"
আমি ভাৰতীয়সকলৰ ওচৰত বহু ঋণী যিসকলে আমাক কেনেকৈ গণনা কৰে সেই কথা শিকালে, এই গণনাৰ অবিহনে যিকোনো উল্লেখযোগ্য বৈজ্ঞানিক আৱিস্কাৰ কৰিব পৰা নহ'লহেতেন।
(উৎস ঃ 'ইগনাইটেড মাইণ্ডচ্' লেখক— এ. পি. জে আব্দুল কালাম)

Hu Shin (1891-1962) চীনা দাৰ্শনিক
"India conquered and dominated China culturally for 20 centuries without even having to send a single soldier across her burden"
"কাহানিও সীমান্ত পাৰ হৈ এজনো সৈনিক নপঠোৱাকৈ ভাৰতবৰ্ষই চীনক ২০ শতিকা ধৰি সাংস্কৃতিকভাৱে জয় কৰিছিল আৰু বশ্য কৰিছিল।"
(উৎস ঃ ইণ্ডিয়া এণ্ড ওৱৰ্ল্ড চিভিলাইজেশ্যন)

George Barnard Shaw (1856-1950)
প্ৰখ্যাত আইৰিচ নাট্যকাৰ ও ঔপন্যাসিক
"The Indian way of life provides the vision of the natural, real way of life. We western veil ourselves with natural masks. An the face of India are the tender expressions whice carry the mark of the creators hand."
"ভাৰতীয় জীৱন প্ৰণালীয়ে প্ৰাকৃতিক আৰু বাস্তৱ জীৱন ... সোপান আগবঢ়াইছে। আমি পাশ্চাত্যৰ সমাজক প্ৰাকৃতিক মুখা... আবৰি ৰাখিছোঁ। ভাৰতবৰ্ষৰ মুখাবয়বত সৃষ্টি কৰ্তাৰ হাতৰ ... থকা সুকোমল অভিব্যক্তিৰ চিন আছে"।
(উৎস ঃ হিন্দুইজম ঃ পাথ অৱ দা এনচিয়েট উইচ্‌দম)।

Barak Obama (1961)
আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি
"India not only opened our minds, she expanded our moral imaginations with religious texts."
ভাৰতবৰ্ষই কেৱল মাত্ৰ আমাৰ মনচক্ষু মুকলি কৰা নাই ই আমাৰ নৈতিক কল্পনাকো ধৰ্মীয় গ্ৰন্থৰাজিৰ সহায়ত বিস্তাৰ কৰিছে।
(উৎস ঃ বাৰাক অবামা স্পীচ ইন ইণ্ডিয়ান পাৰ্লিয়ামেন্ট, ২০১...

Lord Curzon (1859-1925)
ভাৰতবৰ্ষৰ ভাইচৰয়- ১৮৯৯-১৯০৫ চনলৈ
India has left a deeper mark upon the history, the philosophy and the religion of mankind, than any other terrestrial unit in the universe.
বিশ্বব্ৰহ্মাণ্ডৰ যিকোনো পাৰ্থিৱ বা লৌকিক গোটতকৈ ভাৰতে ... মানৱ জাতিৰ বুৰঞ্জী, দৰ্শন আৰু ধৰ্মৰ ওপৰত সবাতোতকৈ ... প্ৰভাৱ পেলাইছে।

# বিশ্বৰ বিখ্যাত ব্যক্তিসকলৰ দৃষ্টিত ভাৰতবৰ্ষ

সংগ্ৰাহক ঃ দিগন্ত কুমাৰ শইকীয়া
সহকাৰী অধ্যাপক, ভূগোল বিভাগ

Albert Einstein (1879-1955)
"We owe a lot the Indian who taught we how to count, without which no worthwhile scientific discovery could hare been made"
আমি ভাৰতীয়সকলৰ ওচৰত বহু ঋণী যিসকলে আমাক কেনেকৈ গণনা কৰে সেই কথা শিকালে, এই গণনাৰ অবিহনে যিকোনো উল্লেখযোগ্য বৈজ্ঞানিক আৱিষ্কাৰ কৰিব পৰা নহ'লহেতেন।
(উৎস ঃ 'ইগনাইটেড মাইণ্ডচ্' লেখক— এ. পি. জে আব্দুল কালাম)

Hu Shin (1891-1962) চীনা দাৰ্শনিক
"India conquered and dominated China culturally for 20 centuries without even having to send a single soldier across her burden"
"কাহানিও সীমান্ত পাৰ হৈ এজনো সৈনিক নপঠোৱাকৈ ভাৰতবৰ্ষই চীনক ২০ শতিকা ধৰি সাংস্কৃতিকভাৱে জয় কৰিছিল আৰু বশ্য কৰিছিল।"
(উৎস ঃ ইণ্ডিয়া এণ্ড ওৱৰ্ল্ড চিভিলাইজেশ্যন)

George Barnard Shaw (1856-1950)
প্ৰখ্যাত আইৰিচ নাট্যকাৰ ও ঔপন্যাসিক
"The Indian way of life provides the vision of the natural, real way of life. We western veil ourselves with natural masks. An the face of India are the tender expressions whice carry the mark of the creators hand."
"ভাৰতীয় জীৱন প্ৰণালীয়ে প্ৰাকৃতিক আৰু বাস্তৱ জীৱন ধাৰাৰ সোপান আগবঢ়াইছে। আমি পাশ্চাত্যৰ সমাজক প্ৰাকৃতিক মুখাৰে আবৰি ৰাখিছোঁ। ভাৰতবৰ্ষৰ মুখাবয়বত সৃষ্টি কৰ্ত্তাৰ হাতৰ পৰশ থকা সুকোমল অভিব্যক্তিৰ চিন আছে"।
(উৎস ঃ হিন্দুইজম ঃ পাথ অৱ দা এনচিয়েট উইচ্‌দম)।

Barak Obama (1961)
আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি
"India not only opened our minds, she expanded our moral imaginations with religious texts"
ভাৰতবৰ্ষই কেৱল মাত্ৰ আমাৰ মনচক্ষু মুকলি কৰা নাই ই আমাৰ নৈতিক কল্পনাকো ধৰ্মীয় গ্ৰন্থৰাজিৰ সহায়ত বিস্তাৰ কৰিছে।
(উৎস ঃ বাৰাক অবামা স্পীচ ইন ইণ্ডিয়ান পাৰ্লিয়ামেন্ট, ২০১০)

Lord Curzon (1859-1925)
ভাৰতবৰ্ষৰ ভাইচৰয়- ১৮৯৯-১৯০৫ চনলৈ
India has left a deeper mark upon the history, the philosophy and the religion of mankind, than any other terrestrial unit in the universe.
বিশ্বব্ৰহ্মাণ্ডৰ যিকোনো পাৰ্থিব বা লৌকিক গোটতকৈ ভাৰতবৰ্ষই মানৱ জাতিৰ বুৰঞ্জী, দৰ্শন আৰু ধৰ্মৰ ওপৰত সবাটোতকৈ বেছি প্ৰভাৱ পেলাইছে।

(উৎস ঃ ইণ্ডিয়া ইন বনদেজ)

Mark Twain (1835-1910)
বিখ্যাত আমেৰিকান লেখক
"Our most valuable and most instructive materials in the history of man are treasured up in India"
আমাৰ মানৱ বুৰঞ্জীৰ আটাইতকৈ মূল্যৱান শিক্ষণীয় সমল ভাৰতবৰ্ষত গুপুত সম্ভাৰ ৰূপে সঞ্চিত হৈ আছে।
(উৎস ঃ দা ড্ৰেগন এণ্ড দি এলিফেন্ট)

Annie Wood Besant (1847-1933)
বিখ্যাত আইৰিচ লেখিকা, এগৰাকী ব্ৰহ্মবাদী আৰু সমাজবাদী মনীষী
"India is the mother of all religions. In her are combined. Science and religion in perfect harmony and it is India that shall be again the spirtual mother of the world."
"ভাৰতবৰ্ষ সকলো ধৰ্মৰ জননী বা মাতৃ। এইগৰাকী জননীত বিজ্ঞান আৰু ধৰ্মৰ উৎকৃষ্ট সমন্বয় ৰূপ একাত্ম কৰি থোৱা আছে। এই দেশ পুনৰ সমগ্ৰ বিশ্বৰ আধ্যাত্মিক মাতৃ হ'ব"
(উৎস ঃ হিন্দু চুপিৰিঅৰিটি)

Queen Fradricka (1917-1981)
গ্ৰীচৰ বিখ্যাত পদাৰ্থ বিজ্ঞানী কিং পলৰ পত্নী
"You Indian are fortunate to inherit such knowledge. I envy you, while Greece is the country of my birth, India is the country of soul."
"তোমালোক ভাৰতীয়সকল ইমান জ্ঞানৰ উত্তৰাধিকাৰী হ'বলৈ পোৱাতো সচাঁই ভাগ্যৱান। মই ভাৰতীয়সকলক ঈৰ্যা কৰোঁ, কাৰণ গ্ৰীচ মোৰ জন্মভূমি, কিন্তু ভাৰতবৰ্ষ মোৰ আত্মা বা অন্তৰাত্মাৰ ভূমি"
(উৎস ঃ নিউ ফিজিঅ টু হিন্দুইজম্)।



# RELIGION AND SOCIETY

Baharul Islam, Vice Principal, L.T.K. College

Every religion is a belief system. It is a specific form of social consciousness. Its characteristic feature is a fantastic reflection in people's minds of external forces dominating over them, a reflection in which natural forces assume supernatural forms. Thus the appearance of religion in primitive society was conditioned by man's impotence as well as ignorance in the face of the forces of nature.



In ancient society this consciousness assumed divergent forms from clan to clan and tribe to tribe. They began to worship these forces in the forms of idols and icons. Each clan had their own family gods and goddesses. Then it was a common phenomenon all over the world that each clan promoted its gods and goddesses and tried to establish its superiority over the other. There were fights among the different clans and the captives were sacrificed at the altar of their gods. Then it was the age of paganism.

In the period of the decay of the primitive community polytheism emerged in the slave owning system prevalent in ancient Egypt, Greece and other West European countries. Each dynastic clan established and promoted their own family gods and goddesses and diffused their own religious cult in the society in the interest of perpetuating their regime. But then there emerged a new social system -Feudalism - because of the change in the socio economic system in the society. In spite of all variety of its forms in different parts of the world and at different periods of history, it has one common feature: the principal means of production, the land, is in monopoly ownership of the king. One of the elements of the new social system was Christianity. The establishment of the Roman Church to establish Christian kingdom on earth provided the king much needed opportunity to consolidate his power. The ruling

dispensation projected itself as divine representative on earth and what it did was ordained by God. But the dynamic components of production system within the social system began to evolve a new system of society. The advent of the Renaissance, discovery of different countries, opening up new vistas of man's horizon and side by side changes in the production system brought a new capitalist class into existence which made the existing religious thoughts and concepts untenable to the emerging situation. So in the late middle ages there appeared various Protestant trends and subsequently other trends like the Enlightenment Movement within the existing religious concepts.

Almost all the societies of the world underwent such changes more or less contemporaneously. The sociological and economic changes in Ancient Indian society is hampered by the lack of sufficient quantity of reliable material. But the socio economic relations may be studied through an analysis of information on the religious concepts of Ancient India. Buddhism, Jainism and various currents and cross-currents of religious changes may be studied to analyse the socio economic development. Even in Assam the advent of Ahom dynasties ushered in a feudal set up. Their initiation into Hinduism and adoption of the title 'Swargodew' - descendents of the king Indra of Heaven- helped them to consolidate their power in the region . There are many instances of their support for the priestly class to hold their sway over the population. The advent of feudalism in the Arabian countries coincided with Islam. The initiation into Islam by the ruling dynasties provided them opportunity to consolidate their power in the Arabian countries.

It is evident that social changes bring about the development of society, and therefore, also to the development of religious consciousness and to its reformation. One form religion gives way to another that more suitably corresponds to the new conditions. If the social system does not correspond to the religious system of thought, it obstructs the progress of that religion. Thus religion is directly dependent on the social system. So at no stage religious development is the result of arbitrary invention, but is the product of the age as per its necessity.

The various elements of society develop unevenly. During specific historical periods some develop more intensively and come to the forefront, while others recede. This unevenness depends upon a number of factors, but the most important among them is the economic basis. It is this basis which causes one or other social institution to acquire a dominant position. Thus the feudal basis led to a considerable increase in the influence of religion and the church. Thus in the middle ages the influence of religion on the entire social organism and its individual parts was at its highest. The degree of religious influence varies in different periods of

development depending upon various conditions in various countries and religions in the same historical periods.

As religion enjoys relative independence, it exercises considerable influence upon those social structures which assisted the formation of religion. Its influence embraces not only the social structure that brought it into being but it spreads far beyond. It influences law, art, politics, morality, science and tries to subordinate these. This intertwining of religion and other components of society enable religion to occupy a stable position in social life. Thus each and every aspect of society becomes subservient to religion.

In course of time, religion began to assume larger dimensions and outward grandeur and pomp under the sponsorship of the ruling class in collaboration with the priestly class. Thus it became a useful tool in the hands of these two groups. Such assumptions as the king was the representative of God on earth and whatever he did was ordained by the almighty was ingrained in the minds of the masses. The priestly classes held them in thrall with the fabulous stories and moralised these that they would be rewarded for their good work or obedience in the other world. Religion made it easier to rule the masses as they were kept obsessed with the idea of redemption and also with the fear of torture in hell.

Religion has been used as a political weapon in the modern times by different countries and regimes. Observation of religious festivals and events under the sponsorship of the business houses to promote their vested interest and even use of religion in the public events and functions, is a way to keep the masses enthralled and also to divert their attention from the hard realities of life. As such too much religiosity makes them irrational and conscienceless and most importantly superstitious.

Thus the existence of religion may be because of the unjust accessibility to and distribution of economic resources and the poverty of the masses which breed despair and a sense of hopelessness turning people's hopes to supernatural forces and also thwarting their creative potential. It diverts the common people from their struggle for their rights and obstructs the formation of their independent consciousness. Thus for the masses ignorance as well as its resultant superstition becomes religion.

It is seen that religion throughout the ages embodies the interest of one or the other class, and mostly the ruling class. With the help of religion, the privileged classes consolidate their position, and only those religious attitudes which correspond to the interest of these classes and which approve the existing social structure are disseminated in the society. It becomes easier by the gross misuse of the different kinds of media and also that the exploited classes seek consolation in religion, to

which they look for illusory solution to their social problems. Religion reconciles them to their lot in the class based society.

At present religion is divested from its inner content and remains only in its outward pomp and grandeur. Now it no longer cherishes the concept of equality among all people and leads to sharp divisions among the people on the basis of caste and community, religion and language. Thus pushing other important issues to the backdoor the political groups pave the way for the big business houses for unimpeded exploitation of the resources.

Whatever the utility and usage of religion in the present day society may be, it may be remembered that the dynamic components of society will evolve into a new society based on rationality and scientific temperament. In course of time it will pierce through the shroud of regressive religiosity. The people of such a society will look down upon our beliefs and customs as superstitions as we do upon those of the bygone ages.



# শিশুৰ মানসিকতাত পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ


মুনমী শইকীয়া

আজিৰ শিশু, কালিলৈ দেশৰ ভৱিষ্যত। এখন সমাজ তথা দেশৰ ভৱিষ্যত শিশুসকলৰ ওপৰতেই নিৰ্ভৰ কৰে। দেশৰ ধৰণীস্বৰূপ শিশুসকলক মানৱ সম্পদ তথা ভৱিষ্যতৰ নাগৰিক হিচাপে গঢ় দি তুলিবলৈ এক সুস্থ সবল পৰিৱেশৰ প্ৰয়োজন। শিশুৰ মানসিকতাত পাৰিপাৰ্শ্বিকতা বা পৰিৱেশৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলোৱা দেখা যায়। এটি শিশুৰ পৃথিৱীলৈ আগমন ঘটাৰ পাছতে এক আচহুৱা পৰিৱেশৰ সন্মুখীন হয়। তেনে পৰিবেশত শিশুটিক মাক-দেউতাকে আৰু ঘৰৰ সদস্যসকলে আদৰ যত্ন আৰু মৰমেৰে প্ৰতিপালন কৰি তাৰ চাৰিওফালৰ বাতাবৰণৰ সৈতে পৰিচিত ক'ৰাবলৈ যত্নপৰ হ'ব লাগে।


জন্মৰ পিছৰ পৰাই এটি শিশুৰ মানসিকতাত পৰিৱেশে বিভিন্ন ধৰণে ক্ৰিয়া কৰিব পাৰে। শিশু এটি বুজন হোৱাৰ পৰাই প্ৰথমে ঘৰখন আৰু ঘৰুৱা পৰিৱেশটোৰ লগত এক নিবিড় সম্পৰ্ক গঢ় লৈ উঠে। ঘৰুৱা পৰিৱেশে শিশুৰ মানসিকতাৰ লগতে চাৰিত্ৰিক দিশটো প্ৰভাৱ পেলায়। বুজন হোৱাৰ পৰাই শিশুৱে ঘৰৰ সদস্যসকলক অনুকৰণ কৰিবলৈ লয়। তেওঁলোকৰ মাত-কথা, আচাৰ-ব্যৱহাৰ, চাল-চলন আদিয়ে শিশুৰ ওপৰত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। যিখন ঘৰত ৰাতিপুৱাৰ পৰা ৰাতিলৈকে সদায় বেয়া মাত-কথা, হাই কাজিয়া, পৰচৰ্চা আদি চলি থাকে, সেইখন ঘৰৰ শিশুৱে সৰুৰে পৰাই সেইবোৰ দেখি শুনি তেনে বেয়া মানসিকতাই গঢ় লৈ উঠে। আনহাতে যিখন ঘৰত সদস্যসকলৰ মাজত মৰম- চেনেহ, সহযোগিতা, মিলা-প্ৰীতি, ঈশ্বৰ ভক্তি আদি থাকে, সেইখন ঘৰৰ শিশুসকল সৰুৰে পৰা সেইবোৰ দেখি শুনি এক ভাল মানসিকতাই গা কৰি উঠে।

আজিকালি বাতৰি-কাকত, টিভি আদি প্ৰচাৰ মাধ্যমসমূহত প্ৰকাশিত আৰু প্ৰচাৰিত বিভিন্ন বিজ্ঞাপন আৰু অন্যান্য কাৰ্যসূচীসমূহেও শিশুৰ মানসিকতাত প্ৰভাৱ পেলোৱা দেখা যায়। নিচেই সৰু অৱস্থাৰ পৰাই আজিৰ শিশুৱে ম'বাইল ফোন, কম্পিউটাৰ আদিৰ চালনাত পাৰ্গত হৈ উঠা দেখা যায়। কিন্তু এই ক্ষেত্ৰত ঘৰৰ সদস্য তথা অভিভাৱকসকলে লক্ষ্য কৰিব লাগিব যে শিশুটিয়ে সেই মাধ্যমসমূহ সৎ নে অসৎ কোনটো দিশত ব্যৱহাৰ কৰিছে। বৰ্তমান বিভিন্ন মাদকদ্ৰব্য যেনে— মদ, ভাং, চিগাৰেট, ড্ৰাগছ আদি ল'ৰা-ছোৱালীসকলে সেৱন কৰিবলৈ লোৱাৰ ফলস্বৰূপে তেওঁলোকৰ শাৰিৰীক, মানসিক দিশত যথেষ্ট পৰিবৰ্তন ঘটাৰ লগতে সমাজৰ উচ্ছৃংখলতা বৃদ্ধি পাব ধৰিছে।

গতিকে শিশুসকলক সঠিক আৰু শুদ্ধ পথত পৰিচালিত কৰি দেশৰ ভৱিষ্যত হিচাপে গঢ়ি তুলিবলৈ অভিভাৱক, শিক্ষক তথা সমাজৰ সকলো ব্যক্তিয়ে আগবাঢ়ি অহাৰ লগতে তেওঁলোকক এক সুস্থ সবল পৰিৱেশ দিয়াৰ বাবে আগভাগ ল'ব লাগে। তেনে পৰিৱেশতহে আমি এখন সুন্দৰ সমাজ আশা কৰিব পাৰোঁ।



# অসমীয়া সমাজলৈ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান



দিপজ্যোতি হাজৰিকা

যিজন মহাপুৰুষ অসমভূমিত অৱতাৰ হৈ নিৰ্জীৱ জনম ভূমি অসম মাতৃক সজীৱ কৰিলে, যিজন মহাপুৰুষে পথভ্ৰষ্ট অসমবাসীক জ্ঞানৰ পথ, মুক্তিৰ সন্ধান দিলে; যিজন মহাপুৰুষৰ অসম লিখনিৰ প্ৰভাৱত মাতৃভাষা আজিও জিলিকি আছে, সেইজন মহাপুৰুষে অক্লান্ত পৰিশ্ৰমৰ মাজেদি একশৰণ নামধৰ্ম প্ৰচাৰ কৰি অসমবাসীৰ অন্তৰত প্ৰেমৰ নদী বোৱালে, সেইজন জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতি জয়জয়তে প্ৰণাম।

মহাপুৰুষজনাৰ অনেক সাধনা, কষ্ট, স্বাৰ্থত্যাগ, প্ৰেম-প্ৰীতি সৰলতাৰ বান্ধোনেৰে উভৈনদী, যিজনা মহাপুৰুষ একেধাৰে কবি, সাহিত্যিক, নাট্যকাৰ, ওজা, গায়ক; যিজনৰ নৃত্য ভঙ্গীমাত অসমৰ চৌদিশ নৃত্যৰত হৈ পৰিছে; যিজনাৰ গুণ-গৰিমা ভক্তিৰ সোঁতে ভাগৱতী (বৈষ্ণৱ ধৰ্ম) নতুন সূত্ৰেৰে অসমৰ সকলো প্ৰজাকে এডাল মাথো চিঙিব নোৱাৰা ভক্তিৰ ৰচীৰে কটকটীয়াকৈ বান্ধি পেলাইছে; সেইজনা মহাপুৰুষৰ অসমীয়া ৰাইজলৈ বহু অনবদ্য অৱদান আছে।

অসমীয়া সমাজলৈ শংকৰদেৱৰ বহুমুখী দানৰ ক্ষেত্ৰত তেখেতৰ কাপৰ পৰা ওলোৱা অমৰ লেখনিবাজিয়ে অন্যতম স্থান অধিকাৰ কৰি আছে। কবিৰ ভাষাত—

"জালিকটা যিকেইডাল আছে পুষ্পহাৰ
সেয়েহে মাথোন ভাষা কৰিছে পোহৰ"

তেখেতৰ ৰচনাৰাজিক গঢ় আৰু ৰূপ অনুসৰি পাঁচটা ভাগত ভাগ কৰিব পাৰি—

(১) কাব্য— (ক) হৰিশ্চন্দ্ৰ উপখ্যান, (খ) ৰুক্মিণী হৰণ কাব্য, (গ) বলিচলন, (ঘ) অমৃত মন্থন, (ঙ) গজেন্দ্ৰ উপাখ্যান, (চ) অজামিল উপাখ্যান, (ছ) কুৰুক্ষেত্ৰ।

(২) ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ— (ক) ভক্তি প্ৰদীপ, (খ) ভক্তি ৰত্নাৱলী, (গ) নিমি নৱসিদ্ধ সংবাদ, অনাদি পাতন।

(৩) অনুবাদমূলক গ্ৰন্থ— (ক) ভাগৱতৰ প্ৰথম, দ্বিতীয়, দশম, একাদশ, দ্বাদশ স্কন্ধ।

(৪) অংকীয়া নাট— (ক) পত্নী প্ৰসাদ, (খ) কালিয় দমন, (গ) কেলিগোপাল, (ঘ) ৰুক্মিণী হৰণ, (ঙ) পাৰিজাত হৰণ, (চ) ৰাম বিজয়।

(৫) গীত— (ক) বৰগীত, (খ) ভটিমা,

(৬) নাম প্ৰসঙ্গকেন্দ্ৰিক গ্ৰন্থ— (ক) কীৰ্তন (খ) গুণমালা।

ওপৰত উল্লিখিত গ্ৰন্থৰাজিয়েই শংকৰদেৱৰ অসমীয়াৰ সাহিত্য ভঁৰাললৈ অন্যতম অৱদান। ইয়াৰ ভিতৰত কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন, বৈষ্ণৱ সাহিত্যৰ কীৰ্তিস্তম্ভ কীৰ্তন হ'ল অসমীয়া সমাজ তথা ৰাইজৰ অমূল্য সম্পদ। কম পৰিসৰতে একোটা আখ্যান বা ঘটনা পৰ্যাপ্তভাৱে পাঠক-পাঠিকাৰ বা শ্ৰোতাৰ মন আকৰ্ষণ কৰি তোলাতেই শংকৰদেৱৰ কৃতিত্ব ফুটি উঠিছে।

আন আন জাতিয়ে নিজ নিজ জাতিৰ মহাপুৰুষ সকলক লৈ যিমান গৌৰৱ কৰিব পাৰে, আমি অসমীয়া ৰাইজে বা সমাজে শংকৰদেৱক লৈ তাতকৈ বেছি গৌৰৱ অনুভৱ কৰিব নোৱাৰোঁনে? নিশ্চয় পাৰোঁ। আজি আমাৰ কৰ্তব্য হ'ল শংকৰদেৱৰ অৱদানবোৰৰ উপকাৰিতা ভালকৈ বুজি লৈ তাক যথাযথৰূপে কাৰ্যক্ষেত্ৰত ব্যৱহাৰ কৰাটো। যিজন মহাপুৰুষে জাতীয়তাৰ ভেঁটিটো কপ্‌কপীয়াকৈ বান্ধি থৈ গ'ল, তাক অটুট ৰাখিব নোৱাৰাটো আমাৰ অযোগ্যতাৰ পৰিচায়ক।

# অসমীয়া সমাজলৈ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান



দিপজ্যোতি হাজৰিকা

যিজন মহাপুৰুষ অসমভূমিত অৱতাৰ হৈ নিৰ্জীৱ জনম ভূমি অসম মাতৃক সজীৱ কৰিলে, যিজন মহাপুৰুষে পথভ্ৰষ্ট অসমবাসীক জ্ঞানৰ পথ, মুক্তিৰ সন্ধান দিলে; যিজন মহাপুৰুষৰ অসম লিখনিৰ প্ৰভাৱত মাতৃভাষা আজিও জিলিকি আছে, সেইজন মহাপুৰুষে অক্লান্ত পৰিশ্ৰমৰ মাজেদি একশৰণ নামধৰ্ম প্ৰচাৰ কৰি অসমবাসীৰ অন্তৰত প্ৰেমৰ নদী বোৱালে, সেইজন জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতি জয়জয়তে প্ৰণাম।

মহাপুৰুষজনাৰ অনেক সাধনা, কষ্ট, স্বাৰ্থত্যাগ, প্ৰেম-প্ৰীতি সৰলতাৰ বান্ধোনেৰে উভৈনদী, যিজনা মহাপুৰুষ একেধাৰে কবি, সাহিত্যিক, নাট্যকাৰ, ওজা, গায়ক; যিজনৰ নৃত্য ভঙ্গীমাত অসমৰ চৌদিশ নৃত্যৰত হৈ পৰিছে; যিজনাৰ গুণ-গৰিমা ভক্তিৰ সোঁতে ভাগৱতী (বৈষ্ণৱ ধৰ্ম) নতুন সূত্ৰেৰে অসমৰ সকলো প্ৰজাকে এডাল মাথো চিঙিব নোৱাৰা ভক্তিৰ ৰচীৰে কটকটীয়াকৈ বান্ধি পেলাইছে; সেইজনা মহাপুৰুষৰ অসমীয়া ৰাইজলৈ বহু অনবদ্য অৱদান আছে।

অসমীয়া সমাজলৈ শংকৰদেৱৰ বহুমুখী দানৰ ক্ষেত্ৰত তেখেতৰ কাপৰ পৰা ওলোৱা অমৰ লেখনিবাজিয়ে অন্যতম স্থান অধিকাৰ কৰি আছে। কবিৰ ভাষাত—

"জালিকটা যিকেইডাল আছে পুষ্পহাৰ
সেয়েহে মাথোন ভাষা কৰিছে পোহৰ"

তেখেতৰ ৰচনাৰাজিক গঢ় আৰু ৰূপ অনুসৰি পাঁচটা ভাগত ভাগ কৰিব পাৰি—

(১) কাব্য— (ক) হৰিশ্চন্দ্ৰ উপখ্যান, (খ) ৰুক্মিণী হৰণ কাব্য, (গ) বলিচলন, (ঘ) অমৃত মন্থন, (ঙ) গজেন্দ্ৰ উপাখ্যান, (চ) অজামিল উপাখ্যান, (ছ) কুৰুক্ষেত্ৰ।

(২) ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ— (ক) ভক্তি প্ৰদীপ, (খ) ভক্তি ৰত্নাৱলী, (গ) নিমি নৱসিদ্ধ সংবাদ, অনাদি পাতন।

(৩) অনুবাদমূলক গ্ৰন্থ— (ক) ভাগৱতৰ প্ৰথম, দ্বিতীয়, দশম, একাদশ, দ্বাদশ স্কন্ধ।

(৪) অঙ্কীয়া নাট— (ক) পত্নী প্ৰসাদ, (খ) কালিয় দমন, (গ) কেলিগোপাল, (ঘ) ৰুক্মিণী হৰণ, (ঙ) পাৰিজাত হৰণ, (চ) ৰাম বিজয়।

(৫) গীত— (ক) বৰগীত, (খ) ভটিমা,

(৬) নাম প্ৰসঙ্গকেন্দ্ৰিক গ্ৰন্থ— (ক) কীৰ্তন (খ) গুণমালা।

ওপৰত উল্লিখিত গ্ৰন্থৰাজিয়েই শংকৰদেৱৰ অসমীয়াৰ সাহিত্য ভঁৰাললৈ অন্যতম অৱদান। ইয়াৰ ভিতৰত কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন, বৈষ্ণৱ সাহিত্যৰ কীৰ্তিস্তম্ভ কীৰ্তন হ'ল অসমীয়া সমাজ তথা ৰাইজৰ অমূল্য সম্পদ। কম পৰিসৰতে একোটা আখ্যান বা ঘটনা পৰ্যাপ্তভাৱে পাঠক-পাঠিকাৰ বা শ্ৰোতাৰ মন আকৰ্ষণ কৰি তোলাতেই শংকৰদেৱৰ কৃতিত্ব ফুটি উঠিছে।

আন আন জাতিয়ে নিজ নিজ জাতিৰ মহাপুৰুষ সকলক লৈ যিমান গৌৰৱ কৰিব পাৰে, আমি অসমীয়া ৰাইজে বা সমাজে শংকৰদেৱক লৈ তাতকৈ বেছি গৌৰৱ অনুভৱ কৰিব নোৱাৰোঁনে? নিশ্চয় পাৰোঁ। আজি আমাৰ কৰ্তব্য হ'ল শংকৰদেৱৰ অৱদানবোৰৰ উপকাৰিতা ভালকৈ বুজি লৈ তাক যথাযথৰূপে কাৰ্যক্ষেত্ৰত ব্যৱহাৰ কৰাটো। যিজন মহাপুৰুষে জাতীয়তাৰ ভেঁটিটো কপ্‌কপীয়াকৈ বান্ধি থৈ গ'ল, তাক অটুট ৰাখিব নোৱাৰাটো আমাৰ অযোগ্যতাৰ পৰিচায়ক।